
# অন্বেষণ

ত্ৰয়োদশ বছৰ ■ অষ্টম সংখ্যা ■ ছেপ্টেম্বৰ, ২০২৬

## প্ৰকৃতিৰ কণ্ঠস্বৰ ডেভিড এটেনবৰ’



## মাতৃভাষা মাধ্যমত শিক্ষা




## বিশ্ব ক্ৰীড়াংগনত লাভলীনা, জানমণি আৰু অস্মিতাৰ সিংহবিক্ৰম

# বিভিন্ন লেখাৰ লগত সম্পৰ্কিত ছবি



Doomsday fish




টাইটানিক



দেওপাহাৰ



ধ্যান চান্দ




জিবুটি

# অন্বেষণ


## ত্ৰয়োদশ বছৰ, অষ্টম সংখ্যা, ছেপ্টেম্বৰ, ২০২৬ চন

**অন্বেষণ**, অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত
সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, a general knowledge based monthly magazine
published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com


## সূচীপত্ৰ


২ **প্ৰকৃতিৰ কণ্ঠস্বৰ ডেভিড এটেনবৰ'**
■ নিভা ৰাণী ৰায়

৪ **মাতৃভাষা মাধ্যমত শিক্ষা**
■ অভিজিত শৰ্মা বৰুৱা

৭ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৯ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

১০ **ভুল ভাবি আনে নোৰৰা ৰহস্যৰ সমাধান !**
■ দিগন্ত ওজা

১৩ **মেজৰ ধ্যান চান্দ আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস**
■ বিকি গগৈ

১৪ **পিঁয়াজ কাটিলে চকুপানী কিয় ওলায় ?**
■ দিগন্ত তালুকদাৰ

১৬ **Did You Know**
■ Bhaktimala Saikia

১৭ **Stories from World Classics**
■ Papari Kalita

১৮ **কালজয়ী কবিতাৰ সঁফুৰা**

১৯ **চুড'কু**

২০ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

২১ **ছবি আৰু কথাৰে : অসমৰ শেহতীয়া মহাপ্ৰলয়**
■ অয়ন শৰ্মা

২৫ **দানৱ**
■ দেৱাংগনা বৰঠাকুৰ

২৬ **পোহৰৰ পথেদি ইণ্টাৰনেট**
■ চৈয়দা মাহৰিন জানান

২৮ **বন্ধু কোন**
■ হৃষিকেশ ৰাভা

২৮ **যাযাবৰ তুমি**
■ দীয়া নাথ

২৮ **উজনিৰ বান**
■ ৰশ্মিনন্দা কলিতা

২৯ **পটুৱৈৰ মেল**
■ তৃষা ঠাকুৰীয়া

৩১ **নীল দ্যা ছীল**
■ শুভাংগী মেধি

৩২ **টাইটানিক**
■ জিতা গগৈ

৩৩ **জিবুটি : আটাইতকৈ বেছি বিদেশী সেনা ছাউনী থকা দেশ**
■ মধুস্মিতা বৰা

৩৪ **দেওপাহাৰ**
■ গায়ত্ৰী শইকীয়া

৩৫ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

৪১ **কুইজ**
■ দীপাংকৰ কৌশিক

৪২ **উন্নয়নৰ আধুনিক পৰিভাষা**
■ ৰুণিমা শৰ্মা

৪৩ **বিশ্ব ক্ৰীড়াংগনত লাভলীনা, জানমণি আৰু অস্মিতাৰ সিংহবিক্ৰম**
■ কুশল গোস্বামী



**মুখ্য সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সম্পাদক** : পংকজ দত্ত
**সহযোগী সম্পাদক** : ড° লিপিমণি দত্ত, কুশল গোস্বামী
**সহকাৰী সম্পাদক** : ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস, দুলাল বনিয়া
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা (উৎস : ইণ্টাৰনেট)
**ছবি** : ইণ্টাৰনেট
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰিন্স চৌধুৰীৰ দ্বাৰা মুদ্ৰিত।*

# প্ৰকৃতিৰ কণ্ঠস্বৰ ডেভিড এটেনবৰ' : শতবৰ্ষ অতিক্ৰমিও যি ভাগৰা নাই

■ নিভা ৰাণী ৰায়



ডেভিড এটেনবৰ' (David Attenborough) আধুনিক যুগৰ অন্যতম জনপ্ৰিয় আৰু প্ৰভাৱশালী প্ৰকৃতিবিদ, সম্প্ৰচাৰক, লেখক আৰু পৰিবেশ সংৰক্ষণৰ দূত। বিগত সাত দশকৰো অধিক সময় ধৰি তেওঁ বিশ্বৰ বিভিন্ন প্ৰান্তৰ জীৱ-জন্তু, উদ্ভিদ, অৰণ্য, সাগৰ আৰু পৰিবেশগত সমস্যাৰ বিষয়ে কোটি কোটি মানুহক সচেতন কৰি তুলিছে। প্ৰকৃতিৰ প্ৰতি গভীৰ ভালপোৱা, গৱেষণাধৰ্মী দৃষ্টিভংগী আৰু সচেতনতাই তেওঁক বিশ্বজুৰি এক অনন্য মৰ্য্যাদা প্ৰদান কৰিছে।

ডেভিড ফ্ৰেডেৰিক এটেনবৰ'ৰ জন্ম হয় ১৯২৬ চনৰ ৮ মে'ত ইংলণ্ডৰ লণ্ডনত। তেওঁৰ পিতৃ ফ্ৰেডেৰিক এটেনবৰ' আছিল এজন খ্যাতনামা শিক্ষাবিদ আৰু লেষ্টাৰ বিশ্ববিদ্যালয় কলেজৰ অধ্যক্ষ। সৰুৰে পৰাই ডেভিডৰ মনত প্ৰকৃতিৰ প্ৰতি এক বিশেষ আকৰ্ষণ আছিল। আন শিশুসকল খেল-ধেমালিত ব্যস্ত থকাৰ সময়ত তেওঁ বিভিন্ন আকৃতিৰ শিল, গছ-গছনি আৰু বিভিন্ন প্ৰাকৃতিক বস্তু সংগ্ৰহ কৰি অধ্যয়ন কৰিছিল। তেওঁ চৰাই, পতংগ আৰু অন্যান্য জীৱৰ আচৰণ লক্ষ্য কৰি ঘণ্টাৰ পাছত ঘণ্টা কটাই দিছিল। এই কৌতুহল আৰু অনুসন্ধিৎসাই তেওঁৰ ভৱিষ্যৎ জীৱনৰ ভেটি গঢ় দিয়াত সহায় কৰে।

স্কুলীয়া শিক্ষা গ্ৰহণৰ পাছত তেওঁ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত প্ৰাকৃতিক বিজ্ঞান বিষয়ত অধ্যয়ন কৰে। বিশ্ববিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰি তেওঁ বৃটিছ ৰয়েল নেভীত দুবছৰৰ বাবে নিয়োজিত হয়। তাৰ পাছত ১৯৫২ চনত তেওঁ বিবিচিত (British Broadcasting Corporation, BBC) যোগদান কৰে। সেই সময়ত প্ৰযুক্তিৰ দিশৰ পৰা টেলিভিছন সম্প্ৰচাৰ জগতখন খুব উন্নত নাছিল যদিও ডেভিড এটেনবৰ'ই নতুন ধাৰণাৰে অনুষ্ঠান প্ৰস্তুত কৰি বিবিচিৰ ইতিহাসত নতুন যুগৰ সূচনা কৰে।

১৯৫৪ চনত আৰম্ভ হোৱা জু কুৱেষ্ট (Zoo Quest) নামৰ অনুষ্ঠানটোৱে তেওঁৰ জনপ্ৰিয়তাৰ ভেটি স্থাপন কৰে। এই অনুষ্ঠানত তেওঁ আফ্ৰিকা, দক্ষিণ আমেৰিকা, এছিয়া আৰু অন্যান্য অঞ্চললৈ ভ্ৰমণ কৰি বন্যপ্ৰাণীৰ জীৱনচৰ্য্যা অধ্যয়ন কৰিছিল। দৰ্শকে প্ৰথমবাৰৰ বাবে টেলিভিছনৰ মাধ্যমেৰে দূৰ-দূৰণিৰ অৰণ্য আৰু তাত বাস কৰা জীৱ-জন্তু ওচৰৰ পৰা চাবলৈ সক্ষম হৈছিল। এই অনুষ্ঠানৰ সফলতাই ডেভিড এটেনবৰ'ক বিশ্বজুৰি পৰিচিত কৰি তোলে।

পৰবৰ্তী সময়ত তেওঁ লাইফ অন আৰ্থ (Life on Earth) নামৰ এক যুগান্তকাৰী তথ্যচিত্ৰ ধাৰাবাহিক নিৰ্মাণ কৰে। ১৯৭৯ চনত প্ৰচাৰিত এই ধাৰাবাহিকখনত পৃথিৱীত জীৱনৰ উৎপত্তি আৰু বিৱৰ্তনৰ ইতিহাস বিস্তৃতভাৱে উপস্থাপন কৰা হৈছিল। এই অনুষ্ঠানক বহু বিশেষজ্ঞই টেলিভিছন ইতিহাসৰ অন্যতম শ্ৰেষ্ঠ তথ্যচিত্ৰ ধাৰাবাহিক বুলি গণ্য কৰে। ইয়াৰ পাছত The Living Planet, The Trials of Life, Life in the Freezer, The Blue Planet, Planet Earth, Frozen Planet, Planet Earth II, Seven Worlds, One Planet আদি বহু অনুষ্ঠান নিৰ্মাণ কৰা হয়। এই অনুষ্ঠানসমূহে বন্যপ্ৰাণী তথ্যচিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত নতুন ধাৰাৰ সৃষ্টি কৰে।

ডেভিড এটেনবৰ'ৰ অনুষ্ঠানসমূহৰ অন্যতম বৈশিষ্ট্য হৈছে বৈজ্ঞানিক তথ্য আৰু আকৰ্ষণীয় কাহিনীকথনৰ নিখুঁত সমন্বয়। তেওঁ কেৱল তথ্য উপস্থাপন নকৰে; দৰ্শকক সেই অভিজ্ঞতাৰ অংশ কৰি তোলে। তেওঁৰ কোমল অথচ দৃঢ় কণ্ঠস্বৰ, সহজ ভাষা আৰু গভীৰ জ্ঞানৰ বাবে সকলো বয়সৰ মানুহে তেওঁৰ অনুষ্ঠান উপভোগ

কৰে। বহু শিশুৱে তেওঁৰ অনুষ্ঠান চাই জীৱবিজ্ঞান, পৰিবেশ বিজ্ঞান আৰু গৱেষণাৰ প্ৰতি আগ্ৰহী হৈ উঠিছে।

ডেভিড এটেনবৰ'ৰ জীৱনৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে পৰিবেশ সংৰক্ষণৰ ক্ষেত্ৰত তেওঁৰ ভূমিকা। প্ৰকৃতি সংৰক্ষণৰ হকে কৰা কামৰ আৰম্ভণিৰ সময়ছোৱাত তেওঁ ঘাইকৈ প্ৰকৃতিৰ সৌন্দৰ্য্য আৰু বৈচিত্ৰ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। কিন্তু সময়ৰ লগে লগে তেওঁ উপলব্ধি কৰে যে মানৱীয় কাৰ্য্যকলাপৰ ফলত পৃথিৱীৰ পৰিবেশ ভয়ংকৰ সংকটৰ সন্মুখীন হৈছে। বনধ্বংস, জলবায়ু পৰিবৰ্তন, সমুদ্ৰ প্ৰদূষণ, মাত্ৰাধিক মাছ ধৰা, বন্যপ্ৰাণীৰ বাসস্থান ধ্বংস আৰু জীৱবৈচিত্ৰ্যৰ ক্ষয়—এই সকলো সমস্যাই তেওঁক চিন্তিত কৰি তোলে।

এই চিন্তাৰ আঁত ধৰি তেওঁ নিজৰ অনুষ্ঠানসমূহত এনেবোৰ সমস্যা স্পষ্টভাৱে তুলি ধৰিবলৈ আৰম্ভ কৰে। ব্লু প্লেনেট-২ (Blue Planet II) ধাৰাবাহিকখনত সমুদ্ৰত প্লাষ্টিক প্ৰদূষণৰ ভয়াবহতা দেখুওৱাৰ পাছত বিশ্বজুৰি প্লাষ্টিক ব্যৱহাৰ হ্ৰাসৰ বাবে ব্যাপক জনসচেতনতা গঢ় লৈ উঠে। বহু চৰকাৰ, প্ৰতিষ্ঠান আৰু সাধাৰণ নাগৰিকে এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক বৰ্জনৰ দিশত পদক্ষেপ গ্ৰহণ কৰে। বহু বিশেষজ্ঞই এই ঘটনাক ব্লু প্লেনেট এফেক্ট (Blue Planet Effect) বুলি অভিহিত কৰিছে।

২০২০ চনত মুক্তি লাভ কৰা এ লাইফ অন আৱাৰ প্লেনেট (A Life on Our Planet) তথ্যচিত্ৰত ডেভিড এটেনবৰ'ই নিজৰ জীৱনৰ অভিজ্ঞতাক "পৃথিৱীৰ বাবে এক সাক্ষ্য" হিচাপে উপস্থাপন কৰে। তেওঁ দেখুৱাইছে যে তেওঁৰ জন্মৰ সময়ত পৃথিৱীৰ প্ৰাকৃতিক সম্পদ আৰু জীৱবৈচিত্ৰ্য কিমান সমৃদ্ধ আছিল আৰু আজিৰ দিনত সেই অৱস্থা কেনেদৰে পৰিৱৰ্তিত হৈছে। একে সময়তে তেওঁ আশাবাদী বাৰ্তাও প্ৰদান কৰে যে যদি মানুহে সময়মতে সঠিক পদক্ষেপ গ্ৰহণ কৰে, তেন্তে পৃথিৱীক পুনৰ সুস্থ আৰু সুৰক্ষিত কৰি তোলা সম্ভৱ।

ডেভিড এটেনবৰ'ই জীৱনজুৰি অসংখ্য সন্মান আৰু বঁটা লাভ কৰিছে। তেওঁ বহু দেশৰ বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। বৃটেইনৰ অসামৰিক সন্মানসমূহৰ ভিতৰত বহুতো সন্মান তেওঁ লাভ কৰিছে। তেওঁৰ নামত বহু নতুন উদ্ভিদ আৰু প্ৰাণী প্ৰজাতিৰ নামকৰণ কৰা হৈছে। এই সন্মানসমূহে তেওঁৰ বিজ্ঞান, শিক্ষা আৰু সমাজৰ প্ৰতি অবদানৰ স্বীকৃতি বহন কৰে।

বিশ্বৰ বহু প্ৰসিদ্ধ ব্যক্তি, বিজ্ঞানী আৰু পৰিৱেশবিদে তেওঁক 'প্ৰকৃতিৰ কণ্ঠস্বৰ' (Voice of the nature) বুলি অভিহিত কৰে। কাৰণ কোটি কোটি মানুহে ডেভিড এটেনবৰ'ৰ অনুষ্ঠানৰ জৰিয়তে বিশ্বৰ বিভিন্ন অঞ্চলৰ বন্যপ্ৰাণী আৰু প্ৰাকৃতিক জগতখনৰ সৌন্দৰ্য্য অনুভৱ কৰিবলৈ সক্ষম হৈছে, যিসমূহ ঠাইলৈ সকলো মানুহৰ বাবে যোৱাটো সম্ভৱ নহয়। তেওঁৰ কৰ্মই মানুহক কেৱল প্ৰকৃতিৰ বিষয়ে শিকোৱাই নহয়, ইয়াক সংৰক্ষণ কৰাৰ নৈতিক দায়িত্বৰ কথাও সোঁৱৰাই দিয়ে।

চলিত বৰ্ষত এইগৰাকী মহান পৰিৱেশবিদৰ জন্ম শতবৰ্ষ বিশ্বৰ বিভিন্ন প্ৰান্তত উদযাপিত হৈছে। তেওঁৰ শতবৰ্ষ উদযাপন কেৱল এজন মহান ব্যক্তিৰ জন্মদিন পালনতে সীমাবদ্ধ হৈ থকা নাই, প্ৰকৃতি আৰু পৰিৱেশৰ প্ৰতি মানুহৰ দায়িত্বৰ কথাও সোঁৱৰাই দিছে। তেওঁৰ ১০০তম জন্মদিন বিশ্বজুৰি বিভিন্ন অনুষ্ঠান, আলোচনা চক্ৰ, তথ্যচিত্ৰ প্ৰদৰ্শনী আৰু পৰিৱেশ সংৰক্ষণমূলক কাৰ্য্যসূচীৰে উদযাপিত হৈছে। এই উপলক্ষে বহু দেশত গছপুলি ৰোপণ অভিযান, শিক্ষামূলক অনুষ্ঠান আৰু বিশেষ তথ্যচিত্ৰ প্ৰচাৰ কৰা হয়। বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহে সামাজিক মাধ্যমৰ জৰিয়তে তেওঁৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। এই শতবৰ্ষ উদযাপনে পুনৰবাৰ বিশ্ববাসীক সোঁৱৰাই দিয়ে যে পৃথিৱীৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ হ'লে প্ৰকৃতিৰ সুৰক্ষা নিশ্চিত কৰাটো অত্যন্ত জৰুৰী।


ডেভিড এটেনবৰ'ৰ এশ বছৰৰ জীৱনযাত্ৰা জ্ঞান, অনুসন্ধান, অধ্যৱসায়, বিজ্ঞানমনস্কতা আৰু পৰিৱেশ সংৰক্ষণৰ এক উজ্জ্বল ইতিহাস। তেওঁ দেখুৱাইছে যে এজন ব্যক্তিৰ কণ্ঠ, চিন্তা আৰু কৰ্মই সমগ্ৰ বিশ্বক প্ৰভাৱিত কৰিব পাৰে। প্ৰকৃতিৰ প্ৰতি তেওঁৰ অপৰিসীম ভালপোৱা, সত্য অনুসন্ধানৰ মানসিকতা আৰু মানৱ সমাজৰ প্ৰতি দায়বদ্ধতাই তেওঁক আমাৰ সময়ৰ অন্যতম শ্ৰেষ্ঠ ব্যক্তিত্ব হিচাপে প্ৰতিষ্ঠা কৰিছে।

তেওঁৰ জীৱনৰ পৰা আমি ল'বলগীয়া আটাইতকৈ গুৰুত্বপূৰ্ণ শিক্ষাটো হৈছে—প্ৰকৃতি আমাৰ পৰা পৃথক নহয়; আমি নিজেই প্ৰকৃতিৰ এক অংশ। সেয়েহে প্ৰকৃতিক ৰক্ষা কৰা মানে আচলতে আমাৰ নিজৰেই ভৱিষ্যতক ৰক্ষা কৰা। ❖

নিবন্ধ

# মাতৃভাষা মাধ্যমত শিক্ষা

**■ অভিজিত শৰ্মা বৰুৱা**




এজন লোকে শিশুকালৰে পৰা মূলতঃ যি ভাষা শুনি আৰু কৈ ডাঙৰ-দীঘল হৈছে, সেয়াই তেওঁৰ মাতৃভাষা (mother tongue)।

এইটো একেবাৰে স্বাভাৱিক যে যিকোনো লোক মাতৃভাষাতেই নিজস্ব ভাব প্ৰকাশত সাবলীল আৰু অভ্যস্ত। প্ৰকৃততে সকলো ল'ৰা-ছোৱালীয়ে নিজৰ মাতৃভাষাতেই শিক্ষা আৰু অন্যান্য বিদ্যা গ্ৰহণ কৰাটো সুবিধাজনক আৰু সমুচিত। কিন্তু এতিয়া দেখা গৈছে যে বিশ্বৰ বাণিজ্যিক জগতত ইংৰাজীৰ দৰে যি ভাষা বেছিকৈ চলে, আমাৰ দেশৰ বিভিন্ন ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানে তেনে ভাষাৰ মাধ্যমতে শিক্ষা প্ৰদান কৰিব বিচাৰে আৰু বহুতো অভিভাৱকেও বিভিন্ন কাৰণত তেনে বিদ্যালয়তে নিজৰ সন্তানক নামভৰ্তি কৰে। ফলত ল'ৰা-ছোৱালীবোৰ নিজৰ মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা গ্ৰহণৰ সুবিধাৰ পৰা বঞ্চিত হয়।

মহাত্মা গান্ধীয়ে তেতিয়াই কৈছিল—"আমাৰ দেশৰ অধিবাসীসকলৰ যিসকলে ইংৰাজী ভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰি শিক্ষিত হয়, তেওঁলোকে যদি মাতৃভাষাক অৱজ্ঞা কৰে, যিটো তেওঁলোকৰ বহুতে কৰিছিল আৰু এতিয়াও কৰি আছে, তেন্তে অচিৰেই এই দেশখন 'ভাষাৰ খৰাঙ'ত ভুগিব।"

ল'ৰা-ছোৱালীবোৰক যদি মাতৃভাষাত শিক্ষা লাভ কৰিবলৈ দিয়া নহয়, তাৰ বাবে কেৱল অভিভাৱকসকলকে দোষ দি হাত-পাত ধুই আজৰি হৈ থাকিব নোৱাৰি। আমি মাতৃভাষাৰ মাধ্যমত শিক্ষা দিয়া বিদ্যালয়বোৰৰ আন্তঃগাঁথনি, শৃংখলাবদ্ধতা আৰু অন্যান্য সুবিধাসমূহ উন্নত কৰিব লাগিব আৰু তাৰ পাছতো যিসকল অভিভাৱকে সন্তানক মাতৃভাষাত শিক্ষা প্ৰদান কৰাৰ যুক্তিযুক্ততা নুবুজে, সেয়া বুজাই দিব লাগিব। এইবাৰ তেওঁলোকে কি কৰে, সেয়া নিজৰ কথা।

মাতৃভাষা মাধ্যমত শিক্ষা গ্ৰহণ কৰাটো এক বিজ্ঞানসন্মত প্ৰক্ৰিয়া। মাতৃভাষা মাধ্যমত শিক্ষা গ্ৰহণ কৰিলেহে শিশু এটিৰ সৰ্বাংগীণ বিকাশ হয়। এই পদ্ধতিৰ সুফল অনেক। তাৰে দুটামান উল্লেখ কৰি থ'ব পাৰি।

- **মেধাৰ বিকাশ**—বিভিন্ন অধ্যয়নৰ যোগেদি এই কথা প্ৰমাণিত হৈছে যে ছাত্ৰ-ছাত্ৰীসকল যদি নিজৰ মাতৃভাষা ভালদৰে জানে আৰু সেই ভাষাত সাবলীল হয়, তেতিয়া তেওঁলোকৰ নিজৰ মেধাৰ বিকাশ দ্ৰুততৰ হয়। কাৰণ মগজুৱে যিকোনো জ্ঞানেই গ্ৰহণ কৰোঁতে মাতৃভাষাতহে গ্ৰহণ কৰে। যেনেকৈ যিমানেই জটিল সমস্যা নহওক, কম্পিউটাৰে সেয়া সমাধান কৰোঁতে কেৱল তাৰ প্ৰচেছৰে (processor) জনা 'দ্বৈত প্ৰণালী'হে (binary system – '0' আৰু '১') ব্যৱহাৰ কৰে আৰু সেই বাবে ই সকলো সমস্যাকে '০' আৰু '১' ৰ বিন্যাসলৈ পৰিৱৰ্তন কৰি লয়, কথাটো ঠিক তেনেকুৱাই। মাতৃভাষাত শিকিলেহে এজন ব্যক্তিৰ বিশ্লেষণাত্মক (analytical), যুক্তিসন্মত (logical) আৰু ন্যায়সংগত (reasonable) চিন্তাৰ অধিক সমন্বয় সাধন হয়।
- **ব্যক্তিগত উত্তৰণ**—যেতিয়া কোনো ব্যক্তিয়ে তেওঁ বাস কৰা সমাজখন, তেওঁৰ চৌপাশৰ পৰিৱেশ আৰু নিজকে নিজে বুজি পায়, তেতিয়া তেওঁৰ ব্যক্তিগত উত্তৰণৰ পথ মুকলি হয়। আৰম্ভণিৰ পৰাই যদি তেওঁলোকে নিজৰ মাতৃভাষা শুনে, শিকে আৰু

কয়, তেন্তে তেওঁলোকে নিজৰ মতামত, অনুভৱ আৰু আবেগ প্ৰকৃত ৰূপত প্ৰকাশ কৰিব পাৰে। গতিকে ছাত্ৰ-ছাত্ৰীসকলে স্বাভাৱিকভাৱে আগবাঢ়ি যাব পাৰে। পাছত এইবোৰ বিশেষত্বয়েই তেওঁলোকৰ পৰিয়াল, বন্ধু-বান্ধৱ আদিৰ লগত সম্পৰ্কৰ শক্তিশালী আন্তঃগাঁথনি গঢ়ি তোলে।

- **সাংস্কৃতিক উত্তৰণ**—ভাষা বা মাতৃভাষাই সাংস্কৃতিক উত্তৰণ উজ্জীৱিত কৰি ৰখাত আৰু লগতে সেই উত্তৰণ বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যি অঞ্চলত যি ভাষাৰ প্ৰচলন আছে, সেই ভাষাৰ সলনি বেলেগ ভাষাৰ ব্যৱহাৰে সাংস্কৃতিক উত্তৰণৰ দিশত আগবাঢ়ি যোৱাৰ উৎসাহত বাধাৰ সৃষ্টি কৰে। প্ৰণালীবদ্ধ অধ্যয়নেও এই কথা সাব্যস্ত কৰিছে যে মাতৃভাষাৰ ব্যৱহাৰে সাংস্কৃতিক উন্নয়নত সহায় কৰে আৰু সমাজৰ সাংস্কৃতিক বৈশিষ্ট্যৰ লগত লোকজনক অধিক সংযুক্ত কৰি তোলে। আমাৰ শিপা আৰু ইতিহাসৰ অন্বেষণতো মাতৃভাষাই প্ৰেৰণা যোগায়। আমাৰ উত্তৰপুৰুষৰ অৱস্থা যাতে ঠেকু ছিগা নহয়, মাতৃভাষাৰ চৰ্চাইহে সেইটো নিশ্চিত কৰিব।
- **বাণিজ্যিক লাভ**—এতিয়া আমি দেখিছোঁ যে আমাৰ কিছুমান উদীয়মান যুৱক-যুৱতী স্থানীয়ভাৱে সম্ভাৱনাপূৰ্ণ কিছুমান চমকপ্ৰদ ব্যাৱসায়িক পৰিকল্পনাৰ দিশত অগ্ৰসৰ হৈছে। যদি এজন যুৱকৰ সৰুৰে পৰাই মাতৃভাষাৰ ক্ষেত্ৰত শক্তিশালী ভেটি আৰু লগতে সাবলীলতা থাকে, তেন্তে সকলো লোকৰে লগত সম্পৰ্ক স্থাপন কৰাটো তেওঁৰ বাবে সহজ হৈ পৰে। স্থানীয়ভাৱে ব্যৱসায় কৰাৰ ক্ষেত্ৰতো নিজৰ ভাষাক আকৰ্ষণীয়ভাৱে ব্যৱহাৰ কৰাৰ বিশেষ প্ৰয়োজনীয়তা আছে। এই অৰ্হতা একেদিনাই নাহে। মাতৃভাষাৰ জ্ঞান ভৱিষ্যতৰ ব্যৱসায়ী আৰু বৰ্তমানৰ ছাত্ৰৰ বাবে অতি তাৎপৰ্য্যপূৰ্ণ।
- **সম্পৰ্ক ৰক্ষাৰ দক্ষতা**—ল'ৰা-ছোৱালীবোৰে কেঁচুৱা অৱস্থাৰ পৰাই নিজৰ মাক-দেউতাকৰ লগত সময় অতিবাহিত কৰে। তেতিয়াৰ পৰাই ল'ৰা-ছোৱালীবোৰৰ মাজত সম্পৰ্ক ৰক্ষাৰ দক্ষতাৰ বিকাশ ঘটে। এই দক্ষতাই তেওঁলোকক পঢ়াশলীয়া জীৱনটো আগবঢ়াই লৈ যোৱাত সহায় কৰে। ঘৰত যি ভাষাত কথা কয়, সেই একে ভাষাতে শিক্ষাও গ্ৰহণ কৰাটো তেওঁলোকে উপভোগ কৰে। তদুপৰি সম্পৰ্ক ৰক্ষাৰ দক্ষতাই ল'ৰা-ছোৱালীবোৰক সামাজিক কৰি তোলে।
- **অধ্যয়ন সহায়ক সমল প্ৰস্তুত কৰাত সুবিধা**—স্থানীয় ভাষাৰ বাহিৰে বেলেগ ভাষাত অধ্যয়ন সহায়িকা প্ৰস্তুত কৰাটো বেছ কষ্টসাধ্য। কাৰণ তেনে ভাষাত উপযুক্তভাৱে লিখিবৰ বাবে অভিজ্ঞ ব্যক্তিৰ অভাৱ, সময় বেছি লাগে, যথেষ্ট যত্নৰ প্ৰয়োজন, আৰ্হি পাঠৰো সমস্যা। কিন্তু সেয়া যদি স্থানীয় ভাষাত হয়, তেন্তে এনে ক্ষেত্ৰত যথেষ্ট অভিজ্ঞ আৰু বিশেষজ্ঞ ব্যক্তি আছে। গতিকে সেই কাম সহজ হৈ পৰে।
- **শিক্ষকৰ বাবে সহজ**—মাতৃভাষাত শিক্ষাদান কৰাটো শিক্ষকৰ বাবেও সহজ হয়, কাৰণ তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলে বুজা ভাষাতে প্ৰয়োজনীয় নিৰ্দেশ দিব পাৰে আৰু বিষয়সমূহ বুজাব পাৰে। ফলত জ্ঞানৰ আদান-প্ৰদান অনায়াসে আৰু স্পষ্টভাৱে হয়।
- **শক্তিশালী পাৰিবাৰিক বান্ধোনৰ সৃষ্টি**—আমাৰ দেশত, বিশেষকৈ মাক-দেউতাক বা ককাক-আইতাক আদিয়ে মাতৃভাষাৰ বাহিৰে বেলেগ ভাষাত কথা কোৱা বা বুজাত অসুবিধা পায়। ল'ৰা-ছোৱালীয়ে মাতৃভাষাত শিক্ষা লাভ কৰিলে, সকলো কথা-বাৰ্তা মাতৃভাষাত পাতিলে পৰিয়ালৰ আনসকলৰ লগত সহজ সম্পৰ্ক গঢ়ি উঠে আৰু শক্তিশালী পাৰিবাৰিক বান্ধোনৰ সৃষ্টি হয়। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে মাক-দেউতাক বা ককাক-আইতাকৰ পৰা পাঠ্যপুথিত থকা বা নথকা বহু জ্ঞান আহৰণ কৰিব পাৰে।
- **জ্ঞানাৰ্জনৰ দক্ষতাৰ বাবে শক্তিশালী ভেটি**—যদি কোনো লোক মাতৃভাষাত পাৰ্গত হয়, তেন্তে যিকোনো জ্ঞান, বিদ্যা আৰু কৌশল বুজিবৰ বাবে তেওঁৰ অতিৰিক্ত সুবিধা হয়। কাৰণ মাতৃভাষাত প্ৰদান কৰা শিক্ষা কম সময়ত আৰু কম আয়াসত বোধগম্য হয়। আনহাতে কিছু ভাষাবিশাৰদৰ মতে মাতৃভাষা সম্পৰ্কত ভাল জ্ঞান থাকিলে আন বিদেশী ভাষা শিকাতো ই সহায়ক হয়। বিশেষকৈ

তুলনামূলকভাৱে কম বয়সৰ লোকৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য।

- **আত্মবিশ্বাস আৰু সজাগতা**—নিজৰ ভাষাৰ ওপৰত দখল থকা এজন লোক সদায় আনৰ তুলনাত বেছি আত্মবিশ্বাসী আৰু সজাগ হয়। যিকোনো ক্ষেত্ৰতে তেওঁ মাতৃভাষাত জ্ঞান নথকা আন এজনতকৈ আগবাঢ়ি থাকে।
- **গৌৰৱ**—মাতৃভাষা সম্পৰ্কত জ্ঞান থকাটো এক গৌৰৱৰ বিষয়। এই গৌৰৱে এজন লোকক সংস্কৃতিবান কৰি তোলে আৰু লগতে ব্যক্তিত্বসম্পন্ন কৰিও তোলে।

কিছু লোকে ইংৰাজী (বা আন বিদেশী) ভাষাত সলসলীয়াকৈ কথা ক'ব পাৰে। কিন্তু সেয়া কোনোপধ্যেই যথেষ্ট নহয়। প্ৰশ্ন হ'ল — কি ক'ব, বা কি কোৱা উচিত সেই বিষয়ে তেওঁৰ জ্ঞান আছে নে নাই। যদি জ্ঞান আছে, তেন্তে ভাষা কোনো অন্তৰায় নহয়। আৰু যদি জ্ঞান নাই, তেন্তে ফৰফৰাই বিদেশী ভাষা কোৱাটো একোৱেই নহ'লগৈ। অসমীয়া মাধ্যমত শিক্ষা লাভ কৰা বহুতো ল'ৰা-ছোৱালীয়ে এতিয়া আনকি বিদেশতো দপদপাই আছেগৈ। তাত তেওঁলোকে বিদেশী ভাষাই কয়, কিন্তু অসমীয়া বুলি গৌৰৱ কৰে।

প্ৰতিজন অসমীয়া ছাত্ৰ-ছাত্ৰী, অসমীয়া লোক অসমীয়া সংস্কৃতিৰে সংস্কৃতিবান হ'ব লাগিব, তেওঁলোকে অসমীয়া ক'ব পাৰিব লাগিব আৰু লিখিবও পাৰিব লাগিব। যিসকলে অসমীয়া ভাষা-সংস্কৃতি নাজানে তেওঁলোকৰ অৱস্থা প্ৰকৃততে ময়ূৰৰ পাখি লগাই ধুনীয়া হ'বলৈ যোৱা কাউৰীতকৈ একো উন্নত নহয়। তেওঁলোকৰ ইকূলো নহ'ব, সিকূলো নহ'ব।

অসমীয়া ভাষা-সংস্কৃতি কেতিয়াও ধ্বংস নহয়, কাৰণ এতিয়া অসমৰ চুকে-কোণে অসম জাতীয় বিদ্যালয়ৰ আৰ্হিত অসমীয়া মাধ্যমৰ ভাল বিদ্যালয় স্থাপন হৈছে, সেইবোৰলৈ ল'ৰা-ছোৱালীয়ে ঢাপলি মেলিছে, অসমীয়াসকলৰ মাজত এক জাগৰণ হৈছে, বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান, সংঘ-সংস্থাই অসমীয়া সংস্কৃতিক ধৰি ৰখাৰ দৃঢ় সংকল্প লৈ অগ্ৰসৰ হৈছে। যিসকলে এই পথত ভৰি নিদিয়ে বা এনে প্ৰচেষ্টাৰ অংশীদাৰ নহয়, তেওঁলোক অচিৰেই সামাজিক স্থানশূন্য ব্যক্তিত পৰিণত হ'ব। পশ্চিমীয়া ভাষা-সংস্কৃতিৰ জগততো তেওঁলোকক গুৰুত্ব নিদিয়েই, প্ৰকৃত অসমীয়াসকলেও গুৰুত্ব নিদিয়া হ'ব। সেইসকল অসমীয়াই এই সত্যসমূহ যিমানেই সোনকালে উপলব্ধি কৰে, নিজৰ বাবেই সিমানেই মংগল। ❖

## তোমালোকে জানানে?

## ঘামচি কিয় হয়?

আমাৰ শৰীৰৰ ছালৰ তলতে অসংখ্য ঘৰ্মগ্ৰন্থি আছে। মগজুৰ নিৰ্দেশ পালেই ঘৰ্মগ্ৰন্থিয়ে ঘাম প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰে আৰু সেই ঘাম ছালৰ বাহিৰলৈ ওলাই ভাপ হৈ উৰি যায়। গৰম অথবা বৰষুণৰ বতৰত, যেতিয়া বায়ুত জলীয় বাষ্প বেছি থাকে, ঘাম তেতিয়া ভাপ হৈ উৰি যাব নোৱাৰে, এনে অৱস্থাত ঘাম জলকণা বা জলবিন্দুৰ আকাৰত ছালৰ ওপৰত জমা হয় আৰু আমাৰ চকুত পৰে। ঘামৰ প্ৰায় সকলোখিনিয়েই বিশুদ্ধ পানী; তাত সামান্য পৰিমাণে ইউৰিয়া, লেকটিক এচিড, গ্লুক'জ, লো, গন্ধক, সাধাৰণ নিমখ আদি থাকে। ঘামৰ সময়ত এইবোৰ শৰীৰৰ পৰা ওলাই যায় বাবে বেছিকৈ ঘামিলে ভাগৰ লাগে। কোনো কাৰণত ছালৰ ঘৰ্মগ্ৰন্থিৰ নলীমুখ বন্ধ হৈ পৰিলে ঘাম বাহিৰলৈ ওলাব নোৱাৰে; ছালৰ তলতে জমা হৈ থাকে। এই জমা হৈ থকা ঘামৰ চাপত ছাল ফোঁহাৰ আকাৰত ফুলি উঠে। ইয়েই ঘামচি। ঘামচি ফুটাই দিলে যি জলবিন্দু ওলায় সেয়া ঘামৰ বাহিৰে একো নহয়। গৰমৰ দিনত কপাহী ঢিলা পোছাক পিন্ধিলে ছালত বতাহৰ চলাচল ভাল হয়। ইয়াৰ ফলত ঘাম সোনকালে ভাপলৈ ৰূপান্তৰিত হ'ব পাৰে। ঘাম জমা হৈ ঘৰ্মগ্ৰন্থিৰ মুখ বন্ধ হৈ যাব নোৱাৰে বাবে কপাহী কাপোৰ পিন্ধিলে ঘামচিৰ পৰা ৰেহাই পাব পাৰি। টেলকম পাউদাৰেও ঘাম শুকুৱাত সহায় কৰে, সেয়ে ঘামচিৰ পৰা ৰক্ষা পাবলৈ বহু সময়ত এনে পাউদাৰ ব্যৱহাৰ কৰা হয়। কিন্তু এনে পাউদাৰে যদি কোনো কাৰণত ঘৰ্মগ্ৰন্থিৰ মুখ বন্ধ কৰি দিয়ে তেতিয়া ঘামচি সৃষ্টিৰ সম্ভাৱনা বাঢ়িহে যায়। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ 'কি ক'ত কিয় কোন আৰু কেতিয়া')।*

## গ্লাছগো কমনৱেলথ গেমছ, ২০২৬ৰ সফল সামৰণি

যোৱা ২৩ জুলাই তাৰিখৰ পৰা স্কটলেণ্ডৰ গ্লাছগো



চহৰত অনুষ্ঠিত ২৩ সংখ্যক কমনৱেলথ গেমছ ২ আগষ্ট তাৰিখে সফলভাৱে সামৰণি পৰে। এই বৰ্ষৰ ক্ৰীড়া সমাৰোহখনত মুঠ ৭৪টা দলৰ (দেশৰ) ২৭০৬ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগিতাখনত ১০বিধ খেলৰ মুঠ ২১৫টা শিতানত খেলসমূহ অনুষ্ঠিত হয়। ভাৰতৰ ১২৬ জনীয়া দলটোৱে মহোৎসৱখনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই ১৩টা স্বৰ্ণ, ১৭টা ৰূপ আৰু ৯টা ব্ৰঞ্জৰ পদক লাভ কৰি সামগ্ৰিকভাৱে চতুৰ্থ স্থান লাভ কৰে।

প্ৰতিযোগিতাখনৰ প্ৰথম তিনিটা দলৰ পদক তালিকা

| দেশ | স্বৰ্ণ | ৰূপ | ব্ৰঞ্জ | মুঠ |
|---|---|---|---|---|
| অষ্ট্ৰেলিয়া | ৭০ | ৪৫ | ৫৬ | ১৭১ |
| ইংলণ্ড | ২৯ | ৪৫ | ৩৬ | ১১০ |
| কানাডা | ১৯ | ২০ | ২৩ | ৬২ |

২০৩০ চনত কমনৱেলথ গেমছৰ শতবৰ্ষীয় তথা পৰৱৰ্তী সংস্কৰণ ভাৰতৰ আহমেদাবাদ চহৰত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনৰ সামৰণি অনুষ্ঠানত ইংলণ্ডৰ ৰজাৰ পৰা ভাৰতীয় অলিম্পিক সংস্থাৰ সভানেত্ৰী পিটি ঊষা আৰু অলিম্পিক স্বৰ্ণজয়ী নীৰজ চোপ্ৰাই গেমছৰ পতাকা আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে। উল্লেখযোগ্য যে কমনৱেলথ গেমছ ১৯৩০ চনত প্ৰথমবাৰৰ বাবে ১২খন দেশৰ মাজত কানাডাত অনুষ্ঠিত হৈছিল। এই বৰ্ষৰ ক্ৰীড়া মহোৎসৱখনৰ মটো (motto) আছিল 'Sports is Just the Beginning'।

## 'নট এ হিৰো'লৈ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা

যোৱা ১৪ আগষ্ট তাৰিখে অষ্ট্ৰেলিয়াৰ মেলবৰ্ণত অনুষ্ঠিত ইণ্ডিয়ান ফিল্ম ফেষ্টিভেল, ২০২৬ত ৰীমা দাস পৰিচালিত 'নট এ হিৰো'ই শ্ৰেষ্ঠ ইণ্ডি (Indie) চলচ্চিত্ৰৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। পুৰস্কাৰপ্ৰাপ্ত চলচ্চিত্ৰখন




অসমীয়া, হিন্দী আৰু ইংৰাজী ভাষাত নিৰ্মাণ কৰা হৈছে। এই চলচ্চিত্ৰখন ৭৬ সংখ্যক বাৰ্লিন আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত চলিত বৰ্ষৰ ১৪ ফেব্ৰুৱাৰীত প্ৰথমবাৰৰ বাবে প্ৰদৰ্শন কৰা হৈছিল। এই প্ৰতিযোগিতাত চলচ্চিত্ৰখনে জুৰিৰ বিশেষ উল্লেখ বঁটা লাভ কৰিছিল। দুবাৰকৈ ৰাষ্ট্ৰীয় বঁটা বিজয়ী ৰীমা দাসৰ পুৰস্কাৰপ্ৰাপ্ত এই চলচ্চিত্ৰখন ফ্লায়িং ৰিভাৰ ফিল্ম আৰু আকাংগা ফিল্ম এছিয়াই প্ৰযোজনা কৰিছে।

## প্ৰথম অসম প্ৰিমিয়াৰ লীগত বৰপেটা ব্ৰেভছ চেম্পিয়ন

যোৱা ১ আগষ্টৰ পৰা ২৩ আগষ্ট তাৰিখলৈ




প্ৰথমবাৰৰ বাবে অসম প্ৰিমিয়াৰ লীগ (APL) ক্ৰিকেট প্ৰতিযোগিতা গুৱাহাটীত সফলভাৱে অনুষ্ঠিত হয়। টী-২০ ফৰমেটত অনুষ্ঠিত প্ৰথম অসম প্ৰিমিয়াৰ লীগ প্ৰতিযোগিতা ১ আগষ্ট তাৰিখে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে। বৰ্ষাপাৰা এচিএ ষ্টেডিয়ামত অনুষ্ঠিত এই প্ৰতিযোগিতাত মুঠ আঠটা দলে অংশগ্ৰহণ কৰে। এই বৰ্ষত মুঠ ৪৩খন খেল অনুষ্ঠিত হয়। যুৱ প্ৰতিভাধৰসকলৰ বিকাশ আৰু প্ৰতিযোগিতামূলক মানসিকতা গঢ়ি তুলিবলৈ আইপিএলৰ আৰ্হিত এপিএল প্ৰতিযোগিতা আৰম্ভ কৰা হৈছে। ২৩ আগষ্ট তাৰিখে অনুষ্ঠিত চূড়ান্ত খেলখনত গুৱাহাটী ৰয়েলছৰ বিৰুদ্ধে বৰপেটা ব্ৰেভছে চেম্পিয়নৰ খিতাপ লাভ কৰে। গুৱাহাটী ৰয়েলছে প্ৰথমে বেটিং কৰি ১৯.৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৬৫ ৰান কৰে। প্ৰত্যুত্তৰত বৰপেটা ব্ৰেভছে পাঁচ উইকেটত ১৭.২ অভাৰত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। সমগ্ৰ প্ৰতিযোগিতাত সৰ্বাধিক ৫৪৩ ৰান অৰ্জন কৰা ৰোহিত সেন শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয়। চেম্পিয়ন দল বৰপেটা ব্ৰেভছে সুদৃশ্য ট্ৰফীৰ লগতে ৫০ লাখ টকা পুৰস্কাৰ হিচাপে লাভ কৰে।

## জাপান এছিয়ান গেমছ, ২০২৬

অহা ১৯ ছেপ্টেম্বৰৰ পৰা ৪ অক্টোবৰলৈ জাপানৰ আইচি নাগোৱা চহৰত ২০ সংখ্যক এছিয়ান গেমছ অনুষ্ঠিত হ'ব। এই বৰ্ষৰ প্ৰতিযোগিতাখনত ৪৫খন দেশে ৪৩বিধ খেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ফুটবল আৰু ক্ৰিকেটৰ মেচসমূহ ১৭ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব। এছিয়াদ বুলিও পৰিচিত এছিয়ান গেমছ পোনপ্ৰথমবাৰৰ বাবে ১৯৫১ চনত (৪ মাৰ্চত) নতুন দিল্লীত অনুষ্ঠিত হৈছিল। ভাৰতে প্ৰতিযোগিতাখনত মুঠতে ৩৫বিধ খেলত অংশগ্ৰহণ কৰিব। ভাৰতীয় দলটোৰ নেতৃত্বত থাকিব ক্ৰমে অলিম্পিক স্বৰ্ণবিজয়ী নীৰজ চোপ্ৰা (এথলেটিকচ) আৰু অলিম্পিকত ব্ৰঞ্জৰ পদক বিজয়ী লাভলীনা বৰগোহাঁই (বক্সিং)।

## ভাৰতৰ আকাশত প্ৰথম উৰন্ত গাড়ী

যোৱা ৮ আগষ্ট তাৰিখে উত্তৰাখণ্ডৰ আলমোৰাৰ ৰবি তামতা নামৰ যুৱকজনে ভাৰতৰ প্ৰথমখন উৰন্ত গাড়ীৰ সফল পৰীক্ষণ কৰি সকলোকে স্তম্ভিত কৰি তোলে। এই উৰন্ত গাড়ীখনৰ নাম ৰখা হৈছে 'হাপিডা স্কাই নেক্স' (Hapida Sky-Nex)। সম্পূৰ্ণৰূপে বিদ্যুৎচালিত হোৱা বাবে যানখন প্ৰদূষণমুক্ত। এজনীয়া এই উৰন্ত গাড়ীখনৰ নিৰ্মাণত প্ৰায় ২ কোটি টকা খৰচ হৈছে। গাড়ীখনত মাল্টি ৰট'ৰ ড্ৰোন টেকনলজী (Multi Rotor Drone Technology) ব্যৱহাৰ কৰা হৈছে। প্ৰস্তুতকৰ্তা ৰবি তামতাৰ মতে এই অত্যাধুনিক গাড়ীখনে পাহাৰীয়া অঞ্চলত বা দুৰ্গম এলেকাত সুচাৰুৰূপে কাম কৰিব পাৰিব। আলমোৰাৰ সেনা হেলিপেডৰ পৰা এই পৰীক্ষামূলক উৰণকাৰ্য্য সম্পাদন কৰা হৈছিল। ভাৰতৰ বিমান পৰিবহণ কৰ্তৃপক্ষৰ পৰা যাৱতীয় অনুমতি লাভ কৰিলে এই গাড়ীখন ৰাইজৰ বাবে মুকলি কৰিব পৰা হ'ব। তামতাই দুৰ্গম অঞ্চলৰ ৰোগীসকলক জৰুৰী চিকিৎসা সাহায্য দিয়াৰ উদ্দেশ্যেৰে এই উৰন্ত গাড়ীখন নিৰ্মাণ কৰা বুলি প্ৰকাশ কৰিছে।



## নেপালত মহাপ্লাবনৰ ধ্বংসলীলা আঠ শতাধিক লোকৰ প্ৰাণহানি

যোৱা ২৬ আগষ্ট তাৰিখে নেপালত হোৱা আকস্মিক প্ৰলয়ংকৰী বানৰ ধ্বংসলীলাত আঠ শতাধিক লোকৰ প্ৰাণহানি হয়। তিব্বতৰ পৰা অহা বোকা-শিল-পানীৰ প্ৰচণ্ড ধলৰ ফলত ভোটেকোশী নদী ওফন্দি উঠে আৰু শ শ কিলোমিটাৰ জুৰি মুহূৰ্ততে ধ্বংসলীলা সৃষ্টি কৰে। ফৰকাল বতৰৰ মাজতে হঠাতে নামি অহা তীব্ৰগতিৰ জলৰাশিৰ প্ৰচণ্ড ধলত অগণন ঘৰ, কাৰ্য্যালয়, দলং, বেংক, জলবিদ্যুৎ প্ৰকল্প আদি নিমিষতে তচনচ হৈ পৰে। নেপালৰ ৰছুৱা জিলা এই বানৰ তাণ্ডৱত সৰ্বাধিক ক্ষতিগ্ৰস্ত হয়। নেপাল চৰকাৰে প্ৰকাশ কৰা মতে এই বানত দেশী-বিদেশী পৰ্য্যটকসহ প্ৰায় তিনি হাজাৰ লোক নিখোজ হৈ আছে। লগতে চুবুৰীয়া তিব্বতত প্ৰায় ৬০০ জন লোক সন্ধানহীন হৈ আছে। নেপালত সন্ধানহীন লোকসকলৰ ভিতৰত ২৭৫ জন ভাৰতীয় আৰু প্ৰায় ৪০ জন প্ৰবাসী ভাৰতীয়।

এই কল্পনাতীত মহাপ্ৰলয়ৰ মূল কাৰণ অত্যধিক বৃষ্টিপাত নহয় বুলি বিজ্ঞানীসকলে স্পষ্ট কৰি দিছে। কাঠমাণ্ডু বিশ্ববিদ্যালয়ৰ বিজ্ঞানীসকলৰ মতে লেহেন্দ নদীৰ ওপৰত (গতিপথত) বৰফাবৃত পৰ্বতৰ টুকুৰা খহি পৰি জমা হোৱা বিশাল পৰিমাণৰ পানী হঠাৎ বাগৰি অহাৰ ফলস্বৰূপে এই মহাপ্ৰলয় হোৱা বুলি ঘোষণা কৰিছে। উল্লেখযোগ্য যে ২০২৫ চনতো নেপাল-চীন সীমান্তত হিমবাহ হ্ৰদৰ পাৰ ভাঙি প্ৰলয় সৃষ্টি হৈছিল। এই অতি আকস্মিক মহাপ্ৰলয়ৰ পাছত বিহাৰ, উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ডত বিশেষ জৰুৰী সতৰ্কতা জাৰি কৰা হৈছে। দুৰ্গত লোকসকলক উদ্ধাৰৰ বাবে ভাৰত চৰকাৰে সম্ভৱপৰ সকলো সাহায্য আগবঢ়াইছে। উদ্ধাৰ অভিযানত ভাৰতীয় বায়ুসেনা নিয়োগ কৰা হৈছে।

■ সংগ্ৰহ : কুশল গোস্বামী

## খবৰৰ লেছেৰি বোটলা

**(২১ জুলাই ২০২৬ ৰ পৰা ২০ আগষ্ট ২০২৬লৈ)**

**২১ জুলাই** : ফ্ৰান্সত ১৫ বছৰৰ তলৰ শিশুৰ বাবে চৰকাৰে সামাজিক মাধ্যম নিষিদ্ধ ঘোষণা কৰে।

- ১৯৮৯ চনৰ আইএএছ বিষয়া অনুৰাগ জৈনক নিটি আয়োগৰ মুখ্য কাৰ্য্যবাহী (চিইঅ') হিচাপে কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়ে।

**২৩ জুলাই** : বিশ্বত ৬৪.৫ কোটি আৰু ভাৰতত ১০ কোটি ক্ষুধাৰ্ত লোক আছে বুলি ৰাষ্ট্ৰসংঘই ঘোষণা কৰে।

- বৈভৱ সূৰ্য্যবংশী আন্তঃৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত (১৯ ৰাণত ৫০ ৰান) অৰ্ধশতক অৰ্জন কৰা সৰ্বকনিষ্ঠ ক্ৰিকেটাৰত পৰিণত হয়।

**২৬ জুলাই** : নেপালত ভাৰতৰ ২০০ আৰু ৫০০ টকীয়া নোট প্ৰচলনত কেন্দ্ৰীয় চৰকাৰে অনুমতি প্ৰদান কৰে।

**২৮ জুলাই** : অৱসৰপ্ৰাপ্ত আইএএছ বিষয়া ভাৰত ভূষণ দেৱচৌধুৰীক অসমৰ নতুন মুখ্য তথ্য আয়ুক্ত হিচাপে নিযুক্তি দিয়া হয়।

- গুৱাহাটী গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ সমীপৰ ছেটেলাইট চিটী নিৰ্মাণ বিষয়ক বিধেয়ক বিধানসভাত দাঙি ধৰা হয় আৰু ভূমি অধিগ্ৰহণৰ বাবে ২০০০ কোটি টকা আবণ্টন দিয়া হয়।

**২৯ জুলাই**: বংকিমচন্দ্ৰ চট্টোপাধ্যায় ৰচিত 'বন্দে মাতৰম'ক ৰাষ্ট্ৰীয় সংগীতৰ সমমৰ্য্যাদা প্ৰদান বিধেয়ক সংসদত গৃহীত হয়।

**৩০ জুলাই** : ১৯৯৪ চনৰ ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া ৰীণা সোণোৱালক নতুন দিল্লীৰ দূৰদৰ্শন কেন্দ্ৰৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হয়।

**১ আগষ্ট** : আমেৰিকা যুক্তৰাষ্ট্ৰৰ মায়ামী ডাডে কলেজত ইঞ্জিনীয়াৰিং বিভাগত যোগদান কৰি ১৯ বছৰীয়া নাথান টমাছে বিশ্বৰ কনিষ্ঠতম পুৰুষ অধ্যাপক হোৱাৰ কৃতিত্ব অৰ্জন কৰে।

**২ আগষ্ট** : আমেৰিকা যুক্তৰাষ্ট্ৰ (USA) গঠনৰ বাবে ৫০ খন ৰাজ্যই কৰা চুক্তিৰ ২৫০ বছৰীয়া জয়ন্তী পালন কৰা হয়। (১৭৭৬ চনত কৰা হৈছিল।)

**৩ আগষ্ট**: দেশৰ আদালতসমূহত মুঠ ৫.৬৪ কোটি গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে বুলি চৰকাৰে প্ৰকাশ কৰে।

**৪ আগষ্ট** : সুদীৰ্ঘ ছবছৰৰ পাছত ছিকিমৰ না-থুলা গিৰিপথেৰে ভাৰত-চীন সীমান্ত বাণিজ্য আৰম্ভ হয়।

**৬ আগষ্ট** : বাণিজ্যিক কাৰণত হৰমুজ প্ৰণালী মুকলি কৰিবৰ বাবে ইৰান আৰু ওমানৰ মাজত ঐক্যমতৰ চুক্তি স্বাক্ষৰিত হয়।

**৮ আগষ্ট** : সাধাৰণ গ্ৰাহকৰ বাবে ইউপিআই লেনদেন বিনামূলীয়া হৈ থাকিব বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ঘোষণা কৰে।

**৯ আগষ্ট** : বিশ্ব সন্ত্ৰাসবাদ সূচকত (২০২৬) পাকিস্তানে শীৰ্ষস্থান লাভ কৰে।

**১১ আগষ্ট** : গুৱাহাটী, যোৰহাট, তেজপুৰ আৰু শিলচৰত বতৰ বিজ্ঞানৰ লগত জড়িত ৰেডাৰ স্থাপন কৰিব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

**১২ আগষ্ট** : ৯ বছৰ টাটা গ্ৰুপৰ অধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ কৰা এন চন্দ্ৰশেখৰণে পদত্যাগৰ কথা ঘোষণা কৰে।

**১৩ আগষ্ট** : ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ আন্তঃৰাষ্ট্ৰীয় বিবাদ নিষ্পত্তিৰ তিনিজনীয়া দলৰ মুৰব্বী হিচাপে ভাৰতৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ক ৰাছিয়াই নিযুক্তি দিয়ে।

**১৫ আগষ্ট** : অসমৰ শুভদ্বীপ ঘোষে ভাৰতীয় জাতীয় ক্ৰিকেট দলৰ ফিল্ডিং প্ৰশিক্ষক হিচাপে দায়িত্ব গ্ৰহণ কৰে।

**১৭ আগষ্ট** : ইণ্ডোনেছিয়াত হোৱা ভূমিকম্পত প্ৰায় ১০০ জন লোকৰ প্ৰাণহানি হয় আৰু ৫০০০ জন আঘাতপ্ৰাপ্ত হয়।

**১৯ আগষ্ট** : নিটি আয়োগৰ প্ৰতিবেদন অনুসৰি ভাৰতৰ ৮.৭ কোটি যুৱক-যুৱতীয়ে অধ্যয়ন আধাতে সামৰি অন্য কামত নিযুক্ত হয়।

- আন্তঃৰাষ্ট্ৰীয় প্ৰকৃতি সংৰক্ষণ ইউনিয়নে (IUCN) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে সাংঘাতিক পাৰিবেশিক সমস্যাৰ সন্মুখীন হোৱা বুলি প্ৰকাশ কৰে।


**২০ আগষ্ট** : বিএনপি দলৰ ৭৮ বছৰীয়া নেতা মীৰ্জা ইছলাম আলমগীৰ বাংলাদেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# ভুল ভাবি আনে নোৱৰা ৰহস্যৰ সমাধান !

## (এগৰাকী গণিতজ্ঞৰ কাহিনী)

■ দিগন্ত ওজা



১৯৩৯ চনৰ বসন্ত কাল। এটা বৰ্ষণমুখৰ দিন। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাৰ্কলেত থকা কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ শ্ৰেণীকোঠালৈ চব্বিছ বছৰীয়া ছাত্ৰ এজন কোবাকুবিকৈ আগবাঢ়িছে। কোবাকুবিকৈ—কাৰণ তেওঁৰ আজি পলম হৈছে। পলম মানে ভালেমান দেৰিয়েই হ'ল। ছাত্ৰজনে মনে মনে পিছপিনে যেতিয়া প্ৰবেশ কৰিছে, তেতিয়ালৈ প্ৰফেছৰে দুটা ডাঙৰ-দীঘল সমীকৰণ ব'ৰ্ডত পাতি থৈছে। ছাত্ৰজনে ভাবিলে, সেয়া হয়তো সপ্তাহান্তিকত কৰিবলৈ দিয়া হ'মৱৰ্ক। কথাটো নিশ্চিত হ'বলৈ তেওঁ আশ-পাশৰ কাৰোবাক সুধিব পাৰিলেহেঁতেন; কিন্তু সেয়ে হ'লে তেওঁৰ দেৰি হোৱা কথাটো ধৰা পৰি যাব। সেয়েহে তেওঁ মনে মনে সমীকৰণ দুটা পাছত সমাধান কৰিবলৈ বুলি টুকি থ'লে। এইদৰে টুকি থাকোঁতে তেওঁ বুজিব পাৰিলে, সমীকৰণ দুটা অলপ জটিল।

সেইটো আছিল পিএইচডিৰ ক্লাছ। ছাত্ৰজনে ক্লাছ কৰি ঘৰলৈ উভতিল। ঘৰত কৰি নিবলৈ দিয়া আন এছাইনমেণ্টৰ দৰেই তেওঁ এই সমীকৰণ দুটি সমাধান কৰিবলৈ বহিল। পাছে অলপ সময় যুঁজিয়েই তেওঁ বুজি পালে—সমীকৰণ দুটি যিমান জটিল বুলি ভাবিছিল, আচলতে তাতোকৈও জটিল। তেওঁ অনেক পুথি-পাঁজি ঘাটিলে। বহু কাগজ নষ্ট কৰিলে। দিনে কেইবাটিকৈও ঘণ্টা ব্যয় হ'ল। পাছে ছাত্ৰজনে যুঁজি গ'ল। আৰু এইদৰে দিনে কেইবা ঘণ্টাকৈ ব্যয় কৰি, কেইবাটিও দিনৰ পাছত তেওঁ সমীকৰণ দুটি সমাধান কৰি দীঘল উশাহ টানিলে। পাছদিনা তেওঁ সেই প্ৰফেছৰক লগ কৰিলেগৈ। দোষী দোষী ভাবেৰে ক'লে : "ছাৰ, আপুনি সিদিনা দিয়া এছাইনমেণ্ট দুটি কৰি আনিছোঁ, কিছু পলম হ'ল, মাফ কৰিব ছাৰ।"

প্ৰফেছৰৰ মেজ ভৰি আছে অনেক কিতাপ আৰু নথি-পত্ৰৰে। পৰ্বতপ্ৰমাণ সেই বহী-কিতাপ-কাগজৰ মাজত তেওঁ মনোযোগেৰে এখন বহীত কিবা নোট কৰি আছিল। ছাত্ৰজনৰ কথা শুনি তেওঁ মূৰ তুলি চালে— "হুম ! এছাইনমেণ্ট? মেজৰ ওপৰতে থৈ যোৱা।"

মেজত থৈ যাম? এই মেজত? ইমানগাল কাগজ-পত্ৰৰ মাজত সোমাই থকাৰ পাছত ছাৰে বিচাৰি পাবনে?—মনত এনে অনেক প্ৰশ্নই অগা-ডেৰা কৰিলেও অৱশেষত থেৰোগেঁৰো ভাবেৰেই ছাত্ৰজনে তেওঁৰ এইকেইদিনৰ কষ্টৰ ফচল সেই 'হ'মৱৰ্কছ' থৈ গ'ল।

দুদিনমানৰ পাছতে ছাত্ৰজনে কথাটো পাহৰাৰ দৰেই হ'ল। কত হ'ম এছাইনমেণ্ট চলি থাকে—কিমাননো মনত ৰাখিব? এই কথাটোৱো ছসপ্তাহ বাগৰিল। এদিন—সেইদিনা আছিল দেওবাৰৰ এটা অলস পুৱা, কাম-বন বিশেষ নাই, ছাত্ৰজন আৰু তেওঁৰ পত্নী তেতিয়াও বিছনাত—হঠাৎ তেওঁলোকৰ দুৱাৰত কাৰোবাৰ টোকৰ পৰিল। টোকৰ বুলিব নোৱাৰি, দুৱাৰ মাৰি কোনোবা কুম্ভকৰ্ণ নিদ্ৰাত পৰি থাকিলে জগাবলৈ দুৱাৰত ঢকিয়াই থকাৰ দৰে শব্দ। এই পুৱাতেনো কোন আহি ওলাল বুলি চকু মোহাৰি ছাত্ৰজন উঠি আহি দুৱাৰৰ অৰ্গল খুলিয়েই হতভম্ব : হাতত এজাপ কাগজ লৈ সন্মুখত যে সেই নমস্য প্ৰফেছৰ জেৰ্জি ন্যেমান, চকু-মুখত ফুটি আছে চৰম উত্তেজনা ! ছাত্ৰজনক কোনো কথা ক'বলৈ সুযোগ নিদিয়াকৈ প্ৰফেছৰ ন্যেমানে ক'লে : "ব'লা ব'লা, ভিতৰলৈ ব'লা; মই এইমাত্ৰ তোমাৰ গৱেষণা-পত্ৰ এখনৰ

পাতনিটো লিখি অঁতাইছোঁ, প্ৰকাশৰ বাবে গৱেষণা-পত্ৰিকালৈ পঠিওৱাৰ আগতে তুমি এবাৰ চাই দিয়া।"

গৱেষণা-পত্ৰ? পাতনি? গৱেষণা-পত্ৰিকা? ওঁহোঁ, মইতো কোনো গৱেষণা-পত্ৰিকাৰ বাবে প্ৰবন্ধ লিখি ছাৰক দিয়া নাছিলোঁ !— প্ৰফেছৰ ন্যেমানৰ কথাখিনি বুজিবলৈ ছাত্ৰজনৰ কিছু সময়ৰ প্ৰয়োজন হ'ল। ভিতৰলৈ গৈ তেখেতৰ হাতৰ পৰা কাগজখিনি লৈ ছাত্ৰজনৰ কিন্তু সঁচাকৈয়েই চুৰ্তি হেৰাল ! সেইদিনা তেওঁ হ'মৱৰ্ক বুলি যি দুটা সমীকৰণৰ—আচলতে উপপাদ্যৰ সমাধান কৰি ছাৰৰ মেজত থৈ আহিছিল, সেই দুটা আচলতে হ'মৱৰ্ক নাছিল; সেয়া আছিল বছৰ বছৰ ধৰি সমাধান কৰিব নোৱৰা, মানে অনিৰ্ণেয় হৈ ৰোৱা পৰিসংখ্যা বিজ্ঞানৰ দুটা জটিল সমীকৰণ। এতিয়া সেই সমীকৰণৰে এটাৰ পাতনি লিখি আনিছে প্ৰফেছৰ ন্যেমানে !

কিয় এনে হ'ল? যি দুটা সমীকৰণৰ সমাধানৰ বাবে অজস্ৰ গণিতজ্ঞই মূৰৰ ঘাম মাটিত পেলাই আহিছিল, যি দুটাৰ সমাধান জটিল বুলি ইমানদিনে গণ্য কৰি অহা হৈছিল, যি দুটা অনিৰ্ণেয় হৈয়েই ৰ'ব বুলি অনেকে কাগজ-পত্ৰ সামৰি থৈছিল, সেই দুটা এই ২৪ বছৰীয়া ছাত্ৰজনে ভুলতে হ'মৱৰ্ক বুলি ভাবিয়েই সমাধান কৰি দিলে কিদৰে?

তাৰ কাৰণ জৰ্জ ডেণ্টজিগ (George Dantzig) নামৰ সেই ছাত্ৰজন সেইদিনা শ্ৰেণীকোঠালৈ পলমকৈ সোমোৱা কথাটোতেই লুকাই আছে। এই কথা বুজিবলৈ মানুহৰ কিছু মনস্তাত্ত্বিক দিশৰো বুজ ল'ব লাগিব।

আমি সৰুৰে পৰা কিছুমান সীমাবদ্ধতাৰ সৈতে চিনাকি হৈ আহিছোঁ। 'কি কৰিব নোৱাৰি', 'আজিলৈকে কি কৰিব পৰা নাই', 'কিহৰ বাবে কেতিয়াও চেষ্টা কৰিব নালাগে'—আদি ধাৰণা কিছুমানক আমি সন্মান কৰি চলি আহিছোঁ। একেবাৰে সহজ উদাহৰণেৰে ক'বলৈ গ'লে সৰু ল'ৰা-ছোৱালীক বেৰলৈ বল এটা মাৰি পঠিওৱাত দিয়া বাধাৰ কথাই ক'ব পাৰি। এনেদৰে বল মাৰিলে নিজৰ গাত পৰি দুখ পাম, গতিকে চেষ্টা কৰিব নালাগে—এয়া আমাৰ সীমাবদ্ধতা বুজাবলৈ দিয়া এটা সাধাৰণ শিক্ষা। বাস্তৱ জীৱনত আমি এনে অনেক সীমাবদ্ধতাক সন্মান জনাই 'অসম্ভৱ' নামৰ শব্দ এটাৰ সৈতে পৰিচিত হৈ আহিছোঁ। যেতিয়া কোনো এটা কথা অসম্ভৱ বুলি ধৰি লোৱা হয়, তাৰ সৈতে কৰা যুঁজখনত বাধাৰ এখন অদৃশ্য পৰ্দা সদায় থাকি যায়। সেইদিনা প্ৰফেছৰ ন্যেমানেও আৰম্ভণিতেই পৰিসংখ্যা বিজ্ঞানৰ অনিৰ্ণেয় হৈ ৰোৱা বুলিয়েই এই সমীকৰণ দুটা উপস্থিত ছাত্ৰ-ছাত্ৰীৰ সমুখত পাতি দেখুৱাইছিল। জৰ্জ ডেণ্টজিগে শ্ৰেণীকোঠাত সোমোৱাৰ আগতেই প্ৰফেছৰৰ কথাখিনি শেষ হৈছিল। তেওঁ পাতি থোৱা সমীকৰণ দুটি হ'মৱৰ্ক বুলি গণ্য কৰি পাতি ল'লে। ওচৰৰ কাৰোবাক সোধা হ'লেও ডেণ্টজিগে 'অসম্ভৱ'ৰ সেই পৰ্দাখন হয়তো মনত আঁৰি ল'লেহেঁতেন—তাৰ সৈতে তেওঁ যুঁজ-বাগৰৰ কথাই নাভাবিলেহেঁতেন। আৰু সেয়া নকৰাৰ বাবেই ডেণ্টজিগে হ'মৱৰ্ক, পাছে কিছু জটিল বুলি ধৰি লৈ যুঁজখন কৰি গ'ল, ফলত ইমানদিনে সাঁথৰ হৈ ৰোৱা সমাধানৰ পথৰো তেওঁ সন্ভেদ দিলে।

জৰ্জ ডেণ্টজিগৰ দেউতাকে বিশ্ববিদ্যালয়ত চাকৰি কৰিলেও পৰিয়ালটোৱে ধনৰ সংকটত ভুগিছিল। জৰ্জহঁতক দেউতাকে পঢ়ি থকাৰ দিনত 'জেপ খৰচ' বুলি একো দিব পৰা নাছিল; হাত বাগৰা, মানে 'ছেকেণ্ড হেণ্ড' জোতাহে কিনি দিব পাৰিছিল। সেই সময়ত দেউতাকৰ বেতনো বেছি নাছিল। তাতে ১৯২৯ চনৰ পৰা বিশ্বজুৰি অৰ্থনৈতিক মন্দাৱস্থাই দেখা দিছিল—যি পৰিস্থিতি ১৯৩৭-৩৮ চনমানলৈ বৰ্তি আছিল। জৰ্জে বাতৰি কাকত বিক্ৰী কৰিও ধন উপাৰ্জন কৰিবলগীয়া হৈছিল।

মেৰীলেণ্ডত পঢ়ি থকাৰ সময়তে ডেণ্টজিগৰ অসামান্য প্ৰতিভাৰ নিদৰ্শন পোৱা গৈছিল; কিন্তু এজন ছাত্ৰৰ মাজত এই বিৰল প্ৰতিভা সংশ্লিষ্ট শিক্ষকৰ বাবেই অবিশ্বাস্য আছিল বাবে ডেণ্টজিগৰ যোগ্যতাৰ উচিত প্ৰকাশ নঘটিল।

মেৰীলেণ্ডৰ পৰা গৈ মিচিগান বিশ্ববিদ্যালয়ত ডেণ্টজিগে স্নাতকোত্তৰ ডিগ্ৰী লয়। কিন্তু জ্ঞানৰ বিশালতাৰ প্ৰতি তেওঁৰ হুতাহ ইমানেই প্ৰবল আছিল যে মিচিগানৰ শিক্ষাও তেওঁৰ বাবে অতিমাত্ৰা বিমূৰ্ত যেন বোধ হৈছিল। পৰিসংখ্যা বিজ্ঞানৰ ক্ষেত্ৰখনো তেওঁৰ বাবে যুক্তিসন্মত ভিত্তি নথকা কৌশলৰ ভঁৰাল যেনহে

লাগিছিল। সেয়েহে স্নাতকোত্তৰ ডিগ্ৰী লৈয়েই তেওঁ ১৯৩৭ চনত 'ব্যুৰো অব লেবাৰ ষ্টেটিষ্টিক্স'ত পৰিসংখ্যা সহায়কৰ চাকৰিত যোগদান কৰে।

দ্বিতীয় মহাসমৰৰ সময়ত মিত্ৰপক্ষৰ সৈন্যবাহিনীৰ খৰচ হ্ৰাস কৰিবলৈ আৰু শত্ৰুপক্ষৰ ক্ষয়-ক্ষতি বৃদ্ধি কৰিবলৈ খৰচ আৰু লাভৰ পৰিকল্পনা কৰাৰ উদ্দেশ্যে এটা বিশেষ গাণিতিক আৰ্হি গ্ৰহণ কৰা হৈছিল। মহাযুদ্ধৰ সামৰণিৰ পাছতো ১৯৪৭ চন মানলৈকে গোপনে ৰখা এই আৰ্হিটোক ৰৈখিক প্ৰগ্ৰেমিং (linear programming) বুলি কোৱা হয়। মহাযুদ্ধৰ পৰৱৰ্তী কালত ৰৈখিক প্ৰগ্ৰেমিঙৰ প্ৰয়োগ বিভিন্ন ক্ষেত্ৰলৈ বিস্তাৰিত হয়। এই ৰৈখিক প্ৰগ্ৰেমিঙত দেখা দিয়া বিভিন্ন সমস্যা সমাধানৰ বাবে ডেণ্টজিগে 'ছিমপ্লেক্স এলগৰিডম'ৰ (simplex algorithm) বিকাশ ঘটাই মানৰ সমাজলৈ বিশিষ্ট অবদান আগবঢ়াইছে। কিন্তু তেওঁৰ অবদান ইয়াতেই সীমাবদ্ধ নহয়। জেৰ্জি ন্যেমানৰ প্ৰিয় ছাত্ৰ—কম্পিউটাৰ বিজ্ঞান, অৰ্থনীতি আৰু পৰিসংখ্যা বিজ্ঞানৰ পৰা ঔদ্যোগিক অভিযান্ত্ৰিকী হৈ অপাৰেছন্ ৰিছাৰ্চলৈকে বিশিষ্ট অবদান আগবঢ়োৱা জৰ্জ ডেণ্টজিগক কুৰি শতিকাৰ খ্যাতনামা গণিত বিজ্ঞানীসকলৰ ভিতৰতে স্থান দিয়া হয়।

জৰ্জ ডেণ্টজিগৰ এই অসামান্য প্ৰতিভা আৰু বিৰল অবদানৰ মাজতো তেওঁ সৰ্বসাধাৰণৰ মাজত জনপ্ৰিয় চৰিত্ৰ হৈ ৰৈছে ১৯৩৯ চনত বাৰ্কলেত প্ৰফেছৰ ন্যেমানৰ শ্ৰেণীত হ'মৱৰ্ক বুলি ভুল ভাবি সমাধান কৰা সমীকৰণ দুটিৰ বাবে। এই কৰ্মৰ বাবে ডেণ্টজিগ যিদৰে মনস্তত্ত্ববিদসকলে সঘনে দিয়া এটি উদাহৰণ হৈ ৰৈছে, সেইদৰে সাংস্কৃতিক ক্ষেত্ৰতো এই ঘটনাই বিভিন্ন প্ৰভাৱ বিস্তাৰ কৰিছে। ডেণ্টজিগৰ এই কাণ্ডৰ আধাৰতে ১৯৯৭ চনত হলিউডত নিৰ্মাণ কৰা 'গুডউইল হাণ্টিং' নামৰ চলচ্চিত্ৰখনিয়ে বিশ্বজুৰি বিপুল সমাদৰ লাভ কৰিছিল— অকাডেমি ('অস্কাৰ') বঁটাৰ নটাকৈ শিতানত মনোনয়ন লাভ কৰিছিল। তাৰো পূৰ্বেই টেলিভিছনৰ বিভিন্ন অনুষ্ঠানৰ বাবে এই কাহিনীক আধাৰ কৰি লোৱা হৈছিল। ইণ্টাৰনেটৰ আগমনৰো বহু আগতেই ডেণ্টজিগে ভুলতে কৰা ইমান ডাঙৰ কামটোৱে ধুমুহাৰ দৰে জনপ্ৰিয়তা লাভ কৰি আমেৰিকাত ৰূপকথাৰ ৰূপ লৈছিল—তেওঁৰ কাহিনীত অনেক ৰহণ লাগিছিল; যি কথাই গণিতজ্ঞগৰাকীকে বিৰক্ত কৰি তুলিছিল। এৰা। ৰহণ নসনাকৈয়ো ডেণ্টজিগৰ কাহিনী ইতিবাচকতাৰ অনুপম উদাহৰণ—যি আমাক সোঁৱৰায় যে অসম্ভৱ বোলা কথাটো মনৰ আগত আঁৰি লোৱা পৰ্দাহে মাত্ৰ, বাস্তৱত ইম্পছিবল ইজ নাথিং। ❖

*টোকা ঃ এই ৰচনাখনিৰ প্ৰায়বোৰ তথ্যই জৰ্জ ডেণ্টজিগৰ এটা সাক্ষাৎকাৰৰ পৰা লোৱা হৈছে। সংশ্লিষ্ট সাক্ষাৎকাৰটো প্ৰকাশ পাইছে ডোনাল্ড জে এলবাৰ্ছ, জেৰাল্ড এল আলেকজেণ্ডাৰছন আৰু কনষ্টেন্স ৰীডে সম্পাদনা কৰা* ম'ৰ মেথেমেটিকেল পিপল : কণ্টেম্প'ৰাৰী কনভাৰ্ছেছনছ *(More Mathematical People : Contemporary Conversation) নামৰ কিতাপখনত। (প্ৰকাশক : হাৰক'ৰ্ট ব্ৰেচ জেভনভিচ ইনকৰ্প'ৰেছন, বষ্টন, ১৯৯০ চন) কাহিনীকথনত কিছু স্বাধীনতা গ্ৰহণ কৰি সামান্য কল্পনাৰ ৰহণ সনা হৈছে যদিও (যেনে—প্ৰথম পেৰেগ্ৰাফত উল্লেখ কৰা 'বসন্ত কাল', 'বৰ্ষণমুখৰ দিন' আদি পৰিবেশৰ বৰ্ণনা) তথ্যৰ বিশুদ্ধতা ৰক্ষা কৰা হৈছে, মূল কথাখিনিত কোনো হীন-ডেঢ়ি ঘটোৱা হোৱা নাই।*

## কুইজৰ উত্তৰসমূহ

১। কৈলাস সত্যাৰ্থী ২। উছমান ডেম্বেলে ৩। বাইবেল ৪। জুডো ৫। হীৰেন ভট্টাচাৰ্য্য ৬। কাবুকি ৭।গুলৱীৰ সিং ৮। অৰুণাচল প্ৰদেশৰ আদিসকলৰ ৯। ছুইট কৰম কফী ১০। ঠাইৰ নামৰ সম্পৰ্কে বৈজ্ঞানিক অধ্যয়ন ১১। অমিতাভ বচ্চন ১২। ৰাফেল ১৩। হিন্দুস্তান এৰোনেটিকছ লিমিটেড ১৪। আগ্ৰা দুৰ্গ ১৫। ইন্সটিটিউট অৱ ইণ্টাৰনেছনেল ল ১৬। নীলমণি ফুকন ১৭। গায়ত্ৰী গোপীচান্দ আৰু তৃষা জ'লী। ❖

# মেজৰ ধ্যান চান্দ আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস

■ বিকি গগৈ



এজন মহান খেলুৱৈৰ জন্মদিন কেৱল এটা তাৰিখ নহয়; ই এটা জাতিৰ সপোন, গৌৰৱ আৰু অনুপ্ৰেৰণাৰ প্ৰতীক। প্ৰতি বছৰে ২৯ আগষ্ট তাৰিখে সমগ্ৰ ভাৰতত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰা হয়। এই দিনটো ভাৰতৰ সৰ্বকালৰ অন্যতম শ্ৰেষ্ঠ হকী খেলুৱৈ মেজৰ ধ্যান চান্দৰ জন্মদিন। এই দিৱসটো পালনৰ উদ্দেশ্য হৈছে ক্ৰীড়াৰ গুৰুত্ব অনুভৱ কৰা, সুস্থ জীৱন-যাপনৰ প্ৰতি মানুহক উৎসাহিত কৰা আৰু দেশৰ মহান খেলুৱৈসকলৰ অবদানক সন্মান জনোৱা। ক্ৰীড়াই কেৱল জয়-পৰাজয়ৰ শিক্ষা নিদিয়ে; ই আমাক শৃংখলা, আত্মবিশ্বাস, দলীয় মনোভাব, ধৈৰ্য্য, নেতৃত্ব আৰু কঠোৰ পৰিশ্ৰমৰ অৰ্থও শিকায়।

মেজৰ ধ্যান চান্দৰ প্ৰকৃত নাম আছিল ধ্যান সিংহ। তেওঁৰ জন্ম ১৯০৫ চনৰ ২৯ আগষ্টত উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত হৈছিল। তেওঁৰ পিতৃ ভাৰতীয় সেনাৰ এজন সৈনিক আছিল। সৰুতে ধ্যান সিংহ আন দহজনৰ দৰে এজন সাধাৰণ ল'ৰা আছিল, কিন্তু তেওঁৰ মনত আছিল ডাঙৰ সপোন।

১৬ বছৰ বয়সত তেওঁ ভাৰতীয় সেনাত যোগ দিয়ে। দিনৰ ভাগত সেনাৰ দায়িত্ব পালন কৰাৰ পাছত তেওঁ ৰাতি জোনবাইৰ (চান্দ) কোমল পোহৰত হকীৰ অনুশীলন কৰিছিল। তেওঁৰ এই অভ্যাস দেখি সতীৰ্থসকলে তেওঁক 'ধ্যান চান্দ' বুলি মাতিবলৈ আৰম্ভ কৰে। এই নামটোৰে পাছলৈ সমগ্ৰ বিশ্বত বিখ্যাত হৈ পৰে। পাছলৈ তেওঁ 'মেজৰ ধ্যান চান্দ' নামেৰে পৰিচিত হয়।

কঠোৰ পৰিশ্ৰম, শৃংখলা আৰু খেলৰ প্ৰতি থকা অগাধ ভালপোৱাই তেওঁক বিশ্বৰ অন্যতম শ্ৰেষ্ঠ হকী খেলুৱৈ হিচাপে গঢ়ি তোলে। বল নিয়ন্ত্ৰণ, ড্ৰিবলিং আৰু গ'ল কৰাৰ অসাধাৰণ দক্ষতাৰ বাবে তেওঁ হকীৰ যাদুকৰ (Wizard of hockey) নামেৰে জনাজাত হয়। তেওঁৰ খেল দেখি বহু মানুহ আচৰিত হৈ পৰিছিল। তেওঁ প্ৰমাণ কৰি দিছিল যে সফলতা জন্মগত প্ৰতিভাতকৈ পৰিশ্ৰম আৰু নিয়মীয়া অনুশীলনৰ ফল।

মেজৰ ধ্যান চান্দে ১৯২৮, ১৯৩২ আৰু ১৯৩৬ চনৰ অলিম্পিকত ভাৰতৰ হৈ খেলি দেশক একেৰাহে তিনিটা স্বৰ্ণ পদক জয় কৰোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ১৯৩৬ চনৰ বাৰ্লিন অলিম্পিকত তেওঁ ভাৰতীয় দলৰ অধিনায়ক আছিল। তেওঁৰ নেতৃত্বত ভাৰতে পুনৰ স্বৰ্ণ পদক জয় কৰে আৰু সমগ্ৰ বিশ্বত ভাৰতীয় হকীৰ সুনাম বহুগুণে বৃদ্ধি পায়। ক্ৰীড়া ক্ষেত্ৰলৈ আগবঢ়োৱা অসাধাৰণ অবদানৰ বাবে ১৯৫৬ চনত ভাৰত চৰকাৰে তেওঁক পদ্মভূষণ বঁটাৰে সন্মানিত কৰে। ভাৰতৰ সৰ্বোচ্চ ক্ৰীড়া সন্মান 'মেজৰ ধ্যান চান্দ খেল ৰত্ন বঁটা' তেওঁৰ নামেৰে নামকৰণ কৰা হৈছে।

মেজৰ ধ্যান চান্দ এজন সৰল, নম্ৰ, শৃংখলাবদ্ধ আৰু দেশপ্ৰেমী মানুহ আছিল। ব্যক্তিগত সফলতাতকৈ তেওঁ সদায় দেশৰ সন্মানক অধিক গুৰুত্ব দিছিল। জীৱনৰ শেষৰ দিনবোৰত তেওঁ অসুস্থতাৰ সৈতে যুঁজ দি ১৯৭৯ চনৰ ৩ ডিচেম্বৰত মৃত্যুবৰণ কৰে। যদিও তেওঁ আমাৰ মাজত নাই, তেওঁৰ আদৰ্শ, সততা, পৰিশ্ৰম আৰু দেশপ্ৰেম আজিও কোটি কোটি মানুহৰ বাবে অনুপ্ৰেৰণাৰ উৎস।

২৯ আগষ্ট তাৰিখে দেশজুৰি বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন ক্ৰীড়া প্ৰতিষ্ঠানত খেল-ধেমালি, দৌৰ, যোগাসন আৰু বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই দিনটোত কৃতী খেলুৱৈসকলক সন্মান জনোৱাৰ লগতে নতুন প্ৰজন্মক খেল-ধেমালিৰ প্ৰতি আগ্ৰহী হ'বলৈ উৎসাহিত কৰা হয়।

মেজৰ ধ্যান চান্দৰ জীৱনে আমাক এটা ডাঙৰ শিক্ষা দিয়ে—সফলতা কেতিয়াও সহজে নাহে। সফলতা আহে নিয়মীয়া অনুশীলন, শৃংখলা, নিজৰ ওপৰত বিশ্বাস আৰু কঠোৰ পৰিশ্ৰমৰ ফলত। ❖

# পিঁয়াজ কাটিলে চকুপানী কিয় ওলায়?

■ দিগন্ত তালুকদাৰ



আমাৰ খাদ্য তালিকাত থকা এবিধ আৱশ্যকীয় উপাদান হৈছে পিঁয়াজ। প্ৰতিবাৰেই ৰান্ধনীশালত সোমাই কোনো সুস্বাদু খাদ্য প্ৰস্তুত কৰিবলৈ পিঁয়াজ কাটিবলৈ লোৱাৰ কিছু সময়ৰ পাছতেই পিঁয়াজ কাটোঁতাজনৰ চকু দুটা ৰঙা পৰি উঠে আৰু ধাৰাসাৰে চকুৰ পৰা পানী ওলাবলৈ ধৰে। আমাৰ বাবে এয়া এক সাধাৰণ অভিজ্ঞতা, কিন্তু বাস্তৱিকতে এয়া কোনো সাধাৰণ ঘটনা নহয়। পিঁয়াজ কটাৰ সময়ত কাটোঁতাজন আচলতে উদ্ভিদ জগতৰ এক আশ্চৰ্য্যকৰ আৰু অতি শক্তিশালী প্ৰাকৃতিক আত্মৰক্ষা প্ৰণালীৰ (natural defence mechanism) সন্মুখীন হয়। এয়া আবেগৰ চকুপানী নহয়। প্ৰকৃততে আমাৰ চকু দুটাই এই উদ্ভিদৰ প্ৰাকৃতিক প্ৰতিৰক্ষা পদ্ধতিৰ বিৰুদ্ধে যুঁজিবলৈ স্বয়ংক্ৰিয়ভাৱে চকুলো উলিয়াই দিয়ে।

পিঁয়াজৰ কন্দটো মাটিৰ তলত থাকে। বৃদ্ধি হৈ থকাৰ সময়ত পিঁয়াজে মাটিৰ পৰা প্ৰচুৰ পৰিমাণে ছালফাৰ (sulfur) বা গন্ধক শোষণ কৰে। এই ছালফাৰখিনি পিঁয়াজে নিজৰ ভিতৰত 'এমিনো এচিড ছালফ'ক্সাইড (amino acid sulfoxide) নামৰ এবিধ বিশেষ যৌগ হিচাপে জমা কৰি ৰাখে।

পিঁয়াজটো অক্ষত অৱস্থাত থকালৈকে ইয়াৰ ভিতৰত থকা বিভিন্ন এনজাইম আৰু এই ছালফাৰ যৌগবোৰ সম্পূৰ্ণ সুকীয়া সুকীয়াকৈ থাকে। ইহঁতৰ মাজত আণুবীক্ষণিক কোষীয় প্ৰাচীৰ থাকে, যিয়ে ইহঁতক মিহলি হ'বলৈ নিদিয়ে। কিন্তু পিঁয়াজটো কটাৰ সময়ত ছুৰীৰ ধাৰে পিঁয়াজৰ হাজাৰ হাজাৰ কোষ কাটি দ্বিখণ্ডিত কৰি পেলায়। ফলত এই কোষীয় প্ৰাচীৰবোৰ ভাঙি যায় আৰু ভিতৰত আবদ্ধ হৈ থকা উপাদানবোৰ মুক্ত হৈ পৰে।

কোষবোৰ ভাঙি যোৱাৰ লগে লগে 'এলাইনেজ' (alliinase) নামৰ এবিধ এনজাইমে এমিনো এচিড ছালফ'ক্সাইডৰ সৈতে বিক্ৰিয়া কৰে। এই বিক্ৰিয়াৰ ফলত প্ৰথমতে 'ছালফেনিক এচিড' (sulfenic acid) উৎপন্ন হয়। ইয়াৰ ঠিক পাছ মুহূৰ্ততে পিঁয়াজত থকা 'লেক্ৰিমেটৰী ফেক্টৰ ছিন্থেজ' (lacrymatory factor synthase) নামৰ এবিধ বিশেষ এনজাইম সক্ৰিয় হৈ পৰে। এই এনজাইমবিধে ছালফেনিক এচিডখিনিক পুনৰবিন্যাস কৰি 'চিন-প্ৰপেনেথিয়েল-এছ-অক্সাইড' (syn-propanethial-S-oxide) নামৰ এবিধ অত্যন্ত উদ্বায়ী বা উৰি যাব পৰা গেছলৈ ৰূপান্তৰ কৰে।

এই গেছবিধ বতাহত অতি সহজে উৰি ফুৰিব পাৰে। পিঁয়াজ কটা স্থানৰ পৰা এই গেছ বতাহৰ জৰিয়তে ওপৰলৈ উৰি আহে আৰু আমাৰ চকুৰ সংস্পৰ্শলৈ আহে। আমাৰ চকুৰ মণিৰ উপৰিভাগ সদায় সিক্ত হৈ থাকে। যেতিয়াই এই গেছবিধে চকুৰ প্ৰাকৃতিক জলীয় অংশ বা তৰলৰ সংস্পৰ্শ পায়, তেতিয়াই এক ৰাসায়নিক বিক্ৰিয়া ঘটি চকুৰ পৃষ্ঠভাগত অতি সামান্য পৰিমাণৰ 'ছালফিউৰিক এচিড' (sulfuric acid) প্ৰস্তুত কৰে। আমাৰ চকুত থকা স্পৰ্শকাতৰ স্নায়ুতন্ত্ৰ আৰু বিষ গ্ৰহণকাৰী কোষবোৰে (pain receptors) এই এচিডৰ উপস্থিতি লগে লগে ধৰা পেলায়। মগজুৱে ইয়াক এটা বিপদ বা আক্ৰমণ হিচাপে গণ্য কৰে। চকুটোক এই ক্ষতিকাৰক এচিডৰ পৰা ৰক্ষা কৰিবলৈ মগজুৱে লগে লগে চকুৰ পানী উলিওৱা গ্ৰন্থি বা 'লেক্ৰিমেল গ্ৰন্থি'সমূহক (lacrimal glands) সক্ৰিয় হ'বলৈ নিৰ্দেশ দিয়ে। ফলস্বৰূপে, চকুৱে এই এচিডবিধ ধুই পৰিষ্কাৰ কৰিবলৈ আৰু গেছবিধৰ প্ৰভাৱ কম কৰিবলৈ ধাৰাসাৰে প্ৰতিৰক্ষামূলক চকুৰ পানী নিৰ্গত কৰে।

পিঁয়াজ কাটিলে চকুপানী ওলোৱাটো যদিও এক স্বাভাৱিক আৰু প্ৰাকৃতিক জৈৱিক প্ৰক্ৰিয়া, তথাপি ৰান্ধনীশালত কাম কৰোঁতে আমি কিছুমান উপায় অৱলম্বন কৰি এই ৰাসায়নিক প্ৰতিৰক্ষা ব্যৱস্থাক সহজেই হ্ৰাস কৰিব পাৰোঁ।

## বিজ্ঞান-বাৰ্তা

- পিঁয়াজ কটাৰ ১০ ৰ পৰা ১৫ মিনিট আগতে ফ্ৰিজত বা বৰফ পানীত থৈ ঠাণ্ডা কৰি ল'ব লাগে। ইয়াৰ পাছত কাটিলে চকুৰ পৰা পানী নোলায়। ইয়াৰ কাৰণ হ'ল ঠাণ্ডা পৰিবেশে পিঁয়াজত থকা এনজাইমবোৰৰ কাৰ্য্যক্ষমতা বহুত কমাই দিয়ে। ফলত ৰাসায়নিক বিক্ৰিয়াৰ গতি লেহেমীয়া হয় আৰু বতাহলৈ অতি কম পৰিমাণেহে গেছ নিৰ্গত হয়।
- সদায় ধাৰ থকা চোকা কটাৰী বা ছুৰীৰে পিঁয়াজ কাটিব লাগে। এখন ভোটা কটাৰীয়ে পিঁয়াজ কাটোঁতে পিঁয়াজটোক বেছিকৈ হেঁচা দিয়ে আৰু থেতেলি পেলায়, যাৰ ফলত অতি মাত্ৰাত কোষবোৰ ফাটি যায় আৰু বেছি গেছ ওলায়। আনহাতে, এখন চোকা কটাৰী বা ছুৰীয়ে কোষবোৰ থেতেলি নোযোৱাকৈ অতি নিখুঁতভাৱে আৰু পৰিপাটিকৈ কাটে, যাৰ ফলত চকু পোৰা গেছৰ উৎপাদনৰ পৰিমাণ বহু কমি যায়।
- পিঁয়াজটো মাজতে দুফাল কৰি অলপ সময় পানীত তিয়াই থৈ বা বৈ থকা পানীৰ তলত ধুই কাটিলে গেছৰ প্ৰভাৱ কমে। যিহেতু পিঁয়াজৰ পৰা ওলোৱা গেছবিধ পানীৰ প্ৰতি আকৰ্ষিত হয়, সেয়েহে ই কাটোঁতাজনৰ চকুলৈ যোৱাৰ আগতেই পানীত দ্ৰৱীভূত হৈ পৰে।

পিঁয়াজ কাটিলে চকুপানী ওলোৱাৰ আঁৰৰ আমোদজনক ৰসায়ন আৰু ইয়াক প্ৰতিহত কৰাৰ কৌশল বুজি পালে ৰান্ধনীশালৰ এই আমনিদায়ক কামটোও এক অতি আমোদজনক প্ৰক্ৰিয়া যেন লাগিব। ❖

### তোমালোকে জানানে?

## নৈৰ গতিপথ অকোৱা-পকোৱা কিয়?



নৈ এখনে উৎপত্তিস্থানৰ পৰা য'ত পৰেগৈ সেই স্থানলৈকে বৈ যাওঁতে এঁকা-বেঁকা হৈ গতি কৰা দেখা যায়। যদিও কেতিয়াবা কোনোবা এটা অংশত সম্পূৰ্ণ পোন হৈ বয়, প্ৰায়বোৰ অংশতে এঁকা-বেঁকা হৈ গতি কৰা দেখা যায়। ইয়াৰ প্ৰধান কাৰণ হ'ল নৈৰ গতিপথত যদি ক'ৰবাত বাধাৰ সন্মুখীন হয়, অৰ্থাৎ, নৈৰ সোঁতে সেই অংশ খান্দি নিব নোৱাৰে, তেন্তে নৈয়ে গতি সলাই মাটিৰ কোমল অংশৰ ফালে ভাঁজ লয়। ইয়াৰ উপৰি নৈয়ে লগত কঢ়িয়াই অনা মাটি, শিল আদি একাষে জমা হৈ গ'লেও সেই অংশটো পানীৰ সোঁতে খান্দিব নোৰৰা হৈ পৰে। এনে ক্ষেত্ৰত নৈৰ সোঁতে সেই অংশ বাদ দি মাটিৰ খান্দি নিব পৰা কোমল অংশইদি গতি কৰে। এনেদৰে নৈৰ গতিপথত এবাৰ বাধাৰ সৃষ্টি হৈ ভাঁজ ল'লে পানীৰ সোঁতে সেই ভাঁজৰ বিপৰীত ফালে খান্দি অনা মাটি, শিল আদি জমা কৰি, সেই অংশবোৰ খান্দিব নোৰৰা কৰে আৰু ফলত সোঁতে অন্যফালে খান্দিবলৈ আৰম্ভ কৰে। এনেদৰে সমতলৰ মাজেদি কোমল মাটিৰ ওপৰেদি বৈ যাওঁতে নৈৰ গতিপথ এঁকা-বেঁকা হোৱা দেখা যায়। নৈৰ উৎপত্তি স্থান যদি পাহাৰ বা পৰ্বতত হয়, তেন্তে সমতল ভূমি পোৱালৈকে নৈৰ গতিপথ বৰ এঁকা-বেঁকা হোৱা দেখা নাযায়। অৱশ্যে এইবোৰ স্থানতো নৈৰ সোঁত বৈ আহোঁতে প্ৰবল বাধাৰ সৃষ্টি হয়, সেয়েহে গতিপথ কিছু পৰিমাণে এঁকা-বেঁকা হোৱা দেখা যায়। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ 'বিজ্ঞানৰ কি কিয় কেনেকৈ কোন আৰু কেতিয়া')।*

## Did You Know

# The amazing antlers of deer

■ **Bhaktimala Saikia**

Did you know that deer are the only animals in the world that grow true antlers? Deer belong to a group of animals called Cervidae. This group includes deer, elk, moose and reindeer.

Antlers are branched, bony structures that grow on the heads of male deer. They are attached to the skull and can become very strong and sharp. Male deer mainly use their antlers to fight other males for dominance and to attract mates.

One amazing thing about antlers is that they do not stay on the deer forever. Deer usually shed their old antlers and grow a new pair. In many deer species, this happens every year.

New antlers grow very quickly. At first, they are soft and delicate. They are covered with a soft layer of skin called velvet. The velvet contains many tiny blood vessels. These blood vessels carry oxygen and nutrients to help the antlers grow.

As the antlers become larger and stronger, the velvet begins to dry. The deer then rubs its head against trees, bushes and the ground. This helps remove the dried velvet and reveals the hard bone underneath.

The growth of antlers is one of the most fascinating processes of nature. ❖

# The giant deep-sea 'Doomsday Fish'



The "doomsday fish" is actually a rare creature called an oarfish. It lives deep underwater in the twilight zone, where the sea is pitch-black and freezing cold. This incredible fish looks like a giant, shiny silver ribbon with a bright red crest on its head. It can grow over 30 feet long. It is longer than a school bus, making it the longest bony fish in the entire ocean.

Despite its huge size, the oarfish is a gentle giant and completely harmless to humans. It does not have big sharp teeth. Instead, it swims vertically with its head pointed up. It filters the water to eat tiny sea creatures like krill, shrimp and small squid. As it stays thousands of feet below the surface, humans almost never get to see one swimming alive.

It earned its scary nickname "doomsday fish" from old Japanese legends. Centuries ago, fishermen believed that if an oarfish swam up to shallow water, a giant earthquake or tsunami was about to strike. Some people even thought the long, slithering fish inspired ancient stories about mythical sea monsters.


However, scientists have studied these sightings and proven that the legend is not true. Oarfish do not predict the weather or natural disasters. They usually only float up to the surface when they are sick, elderly or pushed out of the deep by strong ocean currents. ❖

# A Journey to the Center of the Earth

■ Papari Kalita

*(Contd. from August issue)*

Snäffel is 5,000 feet high, and the men cannot see its peaks from their position at the base. Hans leads the group single file up a narrow path. Despite Axel's anxiety, he observes with interest the "mineralogical curiosities" he passes on the mountain. He pays particular attention to the soil, since its composition speaks to how recently the volcano formed and could thus prove or disprove Sakussemm's claim that the crater leads to the center of the earth.




The route becomes more difficult, but Hans continues to lead with confidence. He creates landmarks to mark their path for the return journey, but Axel's narration notes that this precaution proves unnecessary. After three hours, the group pauses for breakfast, then starts to ascend Snäffel. Climbing up requires all the men to help each other, and Lidenbrock stays close to Axel's side to offer his nephew support.

After a day of climbing, Axel weakens, and Lidenbrock tells Hans that they should stop. Hans, however, insists that they must continue. He points out an approaching storm of glacial dust, which the Icelandic guides call a *mistour*. Hans instructs the group to follow him as quickly as possible to avoid the storm, and they just barely rush to safety. At 11 o'clock that night, the travelers reach the summit of Snäffel. Axel watches the midnight sun reach its lowest point.

The travelers share a late supper, and Axel enjoys a peaceful night of sleep. In the morning, he looks over the landscape from the mountain peak and loses himself in "sublime contemplations," allowing the beauty and history of Iceland to overwhelm him and temporarily erase his notions of himself as an individual person. Hans and Lidenbrock eventually shake him from his reverie. Lidenbrock shows Axel where Greenland lies on the horizon. He then asks Hans which peak of Snäffel they are on, and is triumphant when Hans replies, "Scartaris."

The travelers descend into the crater, which still has three chimneys that erupted with smoke and lava when Snäffel was an active volcano. Axel avoids them nervously, but Lidenbrock quickly surveys them. As he investigates, Lidenbrock finds Arne Saknussemm's name carved in runes on a granite rock in the center of the crater. Axel is devastated by this evidence that Saknussemm was apparently telling the truth. While he grapples with this, the three additional Icelandic guides leave the party to return to their village. ❖ *Contd.*

# যেতিয়াৰ যিটো বন

■ **হৰিনাৰায়ণ দত্ত বৰুৱা**



যেতিয়াৰ যিটো বন কৰা তেতিয়াই
পাছলৈ নথ'বা পেলাই,
কৰিম কৰিম বুলি গহৰি কৰিলে
কৰিব কি পাৰে কোনোবাই?
আজি যি সুবিধা আছে কালি যাব পাৰে
কোনে জানে কি আপদ মিলে,
সময়ত নকৰিলে কাম পৰে পিছ
কেতিয়াবা নহয় সমূলে।
পল দণ্ড কৰি কাল বইছে নৰই
জীৱনৰ দিন যায় টুটি,
যেতিয়াৰ যিটো বন ধৰা ততালিকে
এলাহত নুখুজিবা ছুটী।
সময়ৰ লগে লগে কাম কৰি যোৱা
সকলোকে ঢিলা তুমি পাবা,
এলাহত নুবুলিবা নকৰোঁ এতিয়া
নাম, যশ অৱশ্যে লভিবা। ❖

(**টোকা** : গহৰি শব্দটোৰ অৰ্থ হ'ল—পলম, লেহেম বা বিলম্ব।)

*(১৮৮৫ চনত কামৰূপ জিলাৰ কালাকুছি গাঁৱত জন্মগ্ৰহণ কৰা হৰিনাৰায়ণ দত্তবৰুৱা অসমৰ এগৰাকী প্ৰসিদ্ধ সাহিত্যিক তথা প্ৰকাশক। অসমীয়া পাঠ্যপুথি তথা শংকৰ-মাধৱৰ কৰ্মৰাজি পোনপ্ৰথমবাৰৰ বাবে প্ৰকাশ কৰাৰ ক্ষেত্ৰত তেওঁৰ অবদান অনস্বীকাৰ্য্য।)*



# সংসাৰত সৰু হই মই উপজিম

■ **ভৱনাথ হাজৰিকা**

সংসাৰত সৰু হই মই উপজিম
এশৰ কাৰণে মোৰ সৰু হিয়া দিম
বৰপীৰা, বৰ মান, একোকে নেলাগে
মৰমতে মাথোঁ মোৰ হিয়াখনি জাগে।

এখনৰ লগতেই শতখন হই
হিয়া মোৰ লৰ মাৰে দূৰ দেশল'ই
সৰু হই সকলোৰে সেৱাত লাগিম
সংসাৰত সৰু হই মই উপজিম।

ঘাঁহনিত সৰু সৰু নিয়ৰৰ টুপি
জোনবাই কাষৰত তৰা থুপি থুপি;
সৰু সৰু পখীবোৰে শূন্যে উৰি যায়
সিদৰেই দিম ময়ো জীৱন উটাই;

লোকৰ ৰঙতে মোৰ হাঁহি ভাল পোৱা
জীৱন মৰণ মোৰ মাথোঁ অহা যোৱা;
মৰিও আকউ মই জনম ধৰিম
সংসাৰত সৰু হই মই উপজিম। ❖

*(যোৰহাটৰ টেকেলা গাঁৱত জন্মগ্ৰহণ কৰা ভৱনাথ হাজৰিকাৰ কবিতা বাঁহী, আবাহন, মিলন আদি আলোচনীত প্ৰকাশ হৈছিল। তেওঁৰ কবিতাসমূহত জন্মভূমিৰ প্ৰতি থকা আত্মীয়তাৰ সুৰ অনুৰণিত হৈছিল।)*

## চুডʼকু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুডʼকু ২৩৪ (সমাধান)


| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 1 | 9 | 6 | 2 | 7 | 4 | 8 | 3 | 5 |
| 3 | 7 | 8 | 5 | 6 | 1 | 9 | 2 | 4 |
| 4 | 2 | 5 | 3 | 8 | 9 | 6 | 1 | 7 |
| 6 | 3 | 2 | 7 | 9 | 8 | 5 | 4 | 1 |
| 7 | 5 | 9 | 4 | 1 | 2 | 3 | 8 | 6 |
| 8 | 4 | 1 | 6 | 3 | 5 | 7 | 9 | 2 |
| 5 | 1 | 7 | 8 | 4 | 3 | 2 | 6 | 9 |
| 2 | 8 | 4 | 9 | 5 | 6 | 1 | 7 | 3 |
| 9 | 6 | 3 | 1 | 2 | 7 | 4 | 5 | 8 |

### চুডʼকু ২৩৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 6 | | | | | | | | |
| 5 | | | | | | 8 | | |
| 9 | | | | 3 | | | | 2 |
| | | 3 | | | | | | |
| | | 4 | | 2 | | | | |
| | | | 8 | | | 5 | | 9 |
| 7 | | | 6 | | | | | |
| | | | 5 | | | | | |
| | | 2 | | | | | | 4 |

## তোমালোকে জানানে?

### ইনছুলিন




ইনছুলিন এবিধ হৰমʼন। আমাৰ দেহত অগ্ন্যাশয়ে এই হৰমʼন তৈয়াৰ কৰে। ই তেজত শৰ্কৰাৰ মাত্ৰা নিয়ন্ত্ৰণ কৰে। আমি শৰ্কৰাজাতীয় আহাৰ খালে সেইবোৰ হজম হয় আৰু গ্লুকʼজ প্ৰস্তুত হয়। সেই গ্লুকʼজ তেজলৈ যায়। তাৰ পৰা কোষসমূহলৈ গʼলেই ই শৰীৰৰ কামত লাগে। গ্লুকʼজ শৰীৰৰ কোষসমূহলৈ যোৱাৰ এই দৰকাৰী কামটো কৰে ইনছুলিনে। শৰীৰত ইনছুলিনৰ পৰিমাণ হ্ৰাস হʼলেই ডায়েবেটিছ ৰোগ হয়। তেতিয়া বেজীৰ (injection) সহায়ত বাহিৰৰ পৰা ইনছুলিন দিয়া হয়।

ভন মেৰিং আৰু মিনকোস্কি নামৰ ষ্ট্ৰাছবুৰ্গৰ দুজন বিজ্ঞানীয়ে মানৱ দেহৰ পৰিপাক ক্ৰিয়াত অগ্ন্যাশয়ৰ ভূমিকা সম্পৰ্কে গৱেষণা কৰিছিল। পৰীক্ষাৰ বাবে এবাৰ এটা কুকুৰৰ অগ্ন্যাশয়টো অস্ত্ৰোপচাৰ কৰি আঁতৰাই দিয়া হৈছিল। কুকুৰটোৰ ওপৰত পৰীক্ষা চলাই থাকোঁতে এদিন চকুত পৰিল যে কুকুৰটোৰ প্ৰস্ৰাৱত বহুত মাখি পৰিছে। সেই প্ৰস্ৰাৱ পৰীক্ষা কৰাত দেখা গʼল যে তাত প্ৰচুৰ পৰিমাণে শৰ্কৰা বাহিৰ হৈছে। তেতিয়া তেওঁলোকে অগ্ন্যাশয়ৰ পৰীক্ষা কৰি দেখিলে যে, পৰিপাকৰ সময়ত অগ্ন্যাশয়ত এক বিশেষ ধৰণৰ হৰমʼন বা উত্তেজক ৰস উৎপন্ন হয়। সেইটোৱেই ইনছুলিন। ১৯২১ চনত কৃত্ৰিম উপায়েৰে ইনছুলিন আৱিষ্কাৰ কৰিছিল ডা° ফ্ৰেড্ৰিক গ্ৰেণ্ট বেণ্টিঙে। ১৯২২ চনত কানাডাৰ টৰণ্টোৰ ডায়েবেটিছ ৰোগী এজনৰ দেহত ইনছুলিন প্ৰয়োগ কৰি সুস্থ কৰিব পৰা গৈছিল। এইটোৱেই ইনছুলিন প্ৰয়োগৰ প্ৰথম সফল উদাহৰণ। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ 'কোনে কেতিয়া কʼত কেনেকৈ কি আৱিষ্কাৰ কৰিছিল')।*

# মানসিক সামৰ্থ্য বিকাশ

■ **ৰবীন্দ্ৰ বৰ্মন**

তলৰ কথাখিনি মন দি পঢ়া আৰু প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিওৱা।

6 জন মানুহ : U, V, W, X, Y, Z। প্ৰতিজনে দিল্লীলৈ গৈ বিভিন্ন সংখ্যক দিন তাতে থাকি আহিছিল। X-য়ে কেৱল V তকৈহে কম দিন দিল্লীত আছিল। Y-য়ে দুজন মানুহতকৈ বেছি দিন দিল্লীত আছিল। U-য়ে Yতকৈ কম দিন দিল্লীত থকা নাছিল। আটাইতকৈ কম দিন থকাজন W নহয়। দ্বিতীয় সৰ্বনিম্ন দিন দিল্লীত থকাজনে আঠ দিন দিল্লীত আছিল। U-য়ে 17 দিন দিল্লীত আছিল। সৰ্বোচ্চ দিনৰ বাবে দিল্লীত থকাজনে Wতকৈ 15 দিন বেছি দিল্লীত আছিল।

1. কোনে সৰ্বাধিক দিন দিল্লীত আছিল?

   a) U  b) V  c) Y  d) W

2. V য়ে কিমান দিন দিল্লীত আছিল?

   a) 20  b) 17  c) 23  d) 32

3. তলৰ কোনটো উক্তি সত্য?

   a) Z-য়ে 14 দিন দিল্লীত আছিল।  b) আটাইতকৈ কম দিন দিল্লীত থকাজন Z।

   c) Z-তকৈ বেছি দিন দিল্লীত থকা মানুহ মাত্ৰ দুগৰাকীহে।

   d) Z-য়ে Y-তকৈ বেছি দিন দিল্লীত আছিল।

4. Y-য়ে দিল্লীত থকা দিনৰ সংখ্যা তলৰ কোনটো হোৱাটো সম্ভৱ?

   a) 11  b) 8  c) 19  d) 22

5. U-তকৈ কম দিন দিল্লীত থকা লোকৰ সংখ্যা কিমান?

   a) 2  b) 3  c) 4  d) 1

**উত্তৰসমূহ :** 1. b  2. c  3. b  4. a  5. b

# ছবি আৰু কথাৰে : অসমৰ শেহতীয়া মহাপ্ৰলয়

(বানবিধ্বস্ত অঞ্চললৈ গৈ যুগুতাইছে অয়ন শৰ্মাই।)

*অয়ন শৰ্মা অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেওঁ সম্প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইউনিভাৰচিটি অৱ ভাৰ্জিনিয়াৰ (University of Virginia) গৱেষক।*





নাগালেণ্ডৰ মন জিলাৰ শ্বেতাপ গাঁৱৰ এগৰাকী বাসিন্দাই ২০২৬ চনৰ ১৯ জুলাইৰ প্ৰলয়ংকৰী বানৰ বৰ্ণনা দিছে।



১৯ জুলাই তাৰিখে আবেলি সময়ৰ পৰা মন জিলাত হোৱা মুষলধাৰ বৰষুণৰ পানী (১২-১৩ টা সোঁতেৰে) পাহাৰৰ পৰা বৈ আহি দিখৌ নদী ওপচাই পেলায় আৰু এই নদীৰ পানীয়ে পাৰ্শ্ববৰ্তী অসমৰ ভৈয়াম অঞ্চলত বানৰ সৃষ্টি কৰে।



ভয়াবহ পানীৰ সোঁতে চাৰি দশক পুৰণি নাগিনীমৰাৰ লোৰ দলংখনৰ এটা মূৰ খহাই নিয়ে। নাগালেণ্ডৰ মন আৰু লংলেং জিলা সংযোগী এই দলংখনে অসমৰ লগত যাতায়াত সুচল কৰিছিল।



বিগত কেইবাবছৰ ধৰি হোৱা অনিয়ন্ত্ৰিত খনন আৰু নিৰ্বনীকৰণৰ বাবে এই অঞ্চলটো চৰ্চালৈ আহিছে। এই অঞ্চলত হোৱা এনে কাৰ্য্যই বানৰ অন্যতম কাৰণ বুলি বহু লোকে যুক্তি দৰ্শাইছে।

# ছবি আৰু কথাৰে : অসমৰ শেহতীয়া মহাপ্ৰলয়

অসমৰ বিহুবৰৰ পৰা নাগালেণ্ডৰ নাগিনীমৰা আৰু তাৰো আগলৈ সমগ্ৰ এলেকাটো এখন খনিৰ চহৰৰ দৰে। ৰাস্তাৰ কাষত শিলৰ গুড়ি, কয়লা আৰু বালি এনেদৰে দ'ম হৈ পৰি থাকে।





গাঁওবাসীয়ে উল্লেখ কৰা অনুসৰি পাহাৰবোৰ, বিশেষকৈ মন জিলাৰ, কয়লা খননে ফোঁপোলা কৰি পেলাইছে। অসম আৰু নাগালেণ্ডৰ এই খননকাৰীসকলক স্থানীয় লোকে শ্ৰম আৰু যাতায়াত প্ৰদান কৰে।

এই অঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা ৰাস্তাটো নাগালেণ্ডৰ পৰা অসমলৈ শিল আৰু কয়লা কঢ়িওৱা শ শ ডাম্পাৰে সৃষ্টি কৰা গাঁতেৰে ভৰা।





এই ৰাস্তাটো অসম ৰাইফলছৰ এটা ষ্টেছনৰ সন্মুখেৰে পাৰ হৈ গৈছে।

# ছবি আৰু কথাৰে : অসমৰ শেহতীয়া মহাপ্ৰলয়



কয়লা খনন আৰু শিলৰ কুৰেৰীৰ বাবে পাহাৰৰ ঢালৰ পানী বহন ক্ষমতা হ্ৰাস পাইছে। ইয়াৰ বাবে বোকা আৰু পানী বেগেৰে তললৈ নামি আহে। তদুপৰি বালি খননেও নদীবোৰৰ পানী বহন ক্ষমতা হ্ৰাস কৰিছে। এই দুয়োটা কাৰকে মিলি ভৈয়ামত ভয়াবহ বানৰ সৃষ্টি কৰিছে।



নগা পাহাৰৰ পৰা বৈ অহা পানীৰ ধলে অতি বেয়াকৈ ক্ষতিগ্ৰস্ত কৰা অসমৰ এটা এলেকা হ'ল শিৱসাগৰৰ চণ্টক অঞ্চল।



অসংখ্য ঘৰ-বাৰী, খেতিপথাৰ ধ্বংস হ'ল। বহু মানুহ, জীৱ-জন্তু উটি গ'ল। একো একোখন গাঁও সম্পূৰ্ণ নিশ্চিহ্ন হ'ল।



শিৱসাগৰ জিলাৰ বেতবাৰী মৌজা বানৰ দ্বাৰা বেছিকৈ ক্ষতিগ্ৰস্ত হোৱা আন এক অঞ্চল। এই অঞ্চলৰ বহু ঠাই প্ৰায় দুসপ্তাহ ধৰি পানীত ডুব গৈ আছিল।

# ছবি আৰু কথাৰে : অসমৰ শেহতীয়া মহাপ্ৰলয়



শিৱসাগৰৰ ডিমুৱালৰ বানে গৰকা এখন বিদ্যালয়।বানে শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউৰ শ শ শিক্ষানুষ্ঠানৰ অবৰ্ণনীয় ক্ষতিসাধন কৰিছে।



চাৰিওফালে সিঁচৰতি হৈ থকা পোহনীয়া জীৱ-জন্তুৰ মৃতদেহ, পুতিজল, বোকা, লেতেৰা আৱৰ্জনাই বান অধ্যুষিত এলেকাৰ বায়ু, পানী প্ৰদূষিত কৰিছে।



বহু ঘৰ ধ্বংস হৈছে, বহু ঘৰ এতিয়াও পানীৰ তলত। বানাক্ৰান্ত জিলাৰ লোকসকলৰ বাবে ৰাস্তাই এতিয়া ঘৰ।



শ শ বাহনে বানপীড়িত লোকৰ সাহায্যৰ বাবে সামগ্ৰী কঢ়িয়াই লৈ গৈছে। জনহিতৈষী বহু বেচৰকাৰী সংস্থাই এনে সংকটৰ সময়ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

# দানৱ

■ দেৱাংগনা বৰঠাকুৰ
সপ্তম শ্ৰেণী



প্ৰত্যেক দেওবাৰৰ দৰেই আজিও মোৰ মনটো নাচি উঠিল। এই উদ্যানখনত মোৰ সৈতে বহুতো অকণমানি মৰম লগা ল'ৰা-ছোৱালীৰ স্মৃতি জড়িত হৈ আছে। তাৰে বহুতো অকণি ইতিমধ্যে ডাঙৰ হ'ল।

অইন দিনৰ তুলনাত দেওবাৰৰ পুৱাটো বৰ ভাল লগা। কাৰণ এই পাৰ্কখনলৈ ওচৰৰ বহুতো অকণিয়ে হাতত হাত ধৰি হাঁহি-ধেমালিৰে সোমাই আহে। তাকে দেখি সিহঁতৰ হাঁহি-ধেমালিৰ মাজতময়ো বিভোৰ হৈ পৰোঁ। পাহৰি যাওঁ মানুহৰ মুখেৰে শুনা খৰালিৰ সেই দুখভৰা দিনবোৰ, বাৰিষাত মোৰ লগৰীয়াহঁতৰ হোৱা দুৰ্দিনবোৰৰ কথা। সঁচাকৈয়ে এই অকণিহঁতৰ পৃথিৱীখন বৰ ধুনীয়া। সিহঁতৰ মৌসনা খেলবোৰৰ মাজত মোৰো সোমাই যাবৰ মন যায়।

সৌৱা ! ৰাগ আৰু তনয় আহিছে। পিছে পিছে অনু আৰু অমুও আহিছে। ৰাগৰ হাতত এটা বল। অনুৰ হাতত এটা টেডি বিয়েৰ। এনেতে লীজা আৰু লিলিয়ে হাতত দুখন বেডমিণ্টনৰ ৰেকেট লৈ আহি পালে। দুয়ো বৰ ভাল বান্ধৱী। বহুদিনৰ পাছত ইয়ালৈ আহিছে। দুয়ো দ্বিতীয় শ্ৰেণীত পঢ়ে।

এনেদৰেই বহুতো অকণি আহিল। লুকা-ভাকু, ধৰা-ধৰি, ঝুলনা, পুতলা আদি খেল মই উপভোগ কৰিলোঁ। সিহঁতৰ দেওবাৰৰ খেল-ধেমালিবোৰ দেখি মোৰ কেতিয়াবা ঈৰ্ষা ওপজে। ময়ো যদি মানুহ হ'লোঁহেঁতেন !

ঃ "এইখিনি মাটিয়েই উপযুক্ত। মই আপোনাক কৈছিলোঁৱেই এইখিনি মাটিৰ কথা। পাৰ্কৰ শ্লাইড, ঝুলনা এইবোৰ উঠাই দিলেই জানো নহ'ব? পাৰ্কখন যিহেতু অলপ ডাঙৰ, গতিকে শ্বপিং মলখন এইখিনি মাটিত ভালদৰে সাজিব পৰা যাব। এই পাৰ্কখনৰ পৰা মোৰ কোনো লাভ হোৱা নাই, শ্বপিং মলখনৰ পৰা অলপ লাভ হ'ব।"

ঃ "আপুনি ঠিকেই কৈছে। পলম নকৰি অতি সোনকালেই কাম আৰম্ভ কৰা যাওক। আপুনি সন্মতি দিলেই, নহয়নে?"

ঃ "হয়, হয়। মোৰ কোনো আপত্তি নাই। পাছে, ইয়াত খেলি থকা ল'ৰা-ছোৱালীবোৰৰ কাৰণে কথাটো সিমান ভাল নহ'ব চাগে'।"

ঃ "সেই বিষয়ে ভাবিবৰ দৰকাৰ নাই। সৰু সৰু ল'ৰা-ছোৱালীহে। ঘৰত নিশ্চয় সিহঁতৰ বহুতো খেলনা আছে। সেইবোৰেৰে খেলিলেই হ'ব। পাৰ্কত আহি ধূলি-মাকতিৰে মিছাতে লেতেৰা-পেতেৰাকৈ খেলিব নালাগে। আৰু এটা কথা, শ্বপিং মলখন অলপ ডাঙৰ হ'ব। এই গছকেইজোপাও কাটিব লাগিব। অহা দুসপ্তাহমানৰ পাছতেই কাম আৰম্ভ হ'ব। কিছুদিনৰ পাছত ইয়ালৈ কাকো আহিবলৈ নিদিব। জাননী এখন আঁৰি দিব। বাৰু, এতিয়া মই যাওঁ।"

ঃ "হ'ব দিয়ক। ময়ো যাওঁ।"

মানুহ দুজন এনেদৰেই কথা পাতি গ'লগৈ। মোৰ মূৰত যেন সৰগহে ভাঙি পৰিল। পাৰ্কখনৰ ঠাইত হ'ব শ্বপিং মল। অত্যধিক আলোকসজ্জাৰে ভৰপূৰ শ্বপিং মলৰ হয়তো এই পৃথিৱীত অভাৱ নাই। স্থানীয়, বিনামূলীয়া, অকণমানি মৰম লগা এই পাৰ্কখনত অকণিহঁতৰ সেই হাঁহি-ধেমালিৰ ক্ষণ আৰু কোনেও, কেতিয়াও দেখিবলৈ নাপাব। ওচৰৰ এপাৰ্টমেণ্টৰ বয়সিয়াল ককা-আইতাহঁতে জীৱনৰ শেষ বেলাটোত আগৰ দৰে অকণিহঁতৰ খেল-ধেমালিবোৰ উপভোগ কৰি নিজৰ শৈশৱৰ স্মৃতি ৰোমন্থন কৰাৰ পৰিবৰ্তে নিৰ্মাণকাৰ্য্যত যন্ত্ৰপাতিৰ পৰা হোৱা তীব্ৰ

শব্দহে শুনিব লগাত পৰিব। বোধকৰোঁ অকণিহঁতক মই দেখা আজিয়েই শেষ দিন। সিহঁতক হয়তো মই কেতিয়াও লগ নাপাম। চিঞঁৰ-বাখৰ, স্ফূৰ্তি-ধেমালি কৰি থকা অকণিহঁতে মানুহ দুজনৰ কথা শুনা নাছিল। কেৱল মই শুনিছিলোঁ আৰু ওৰে নিশা নীৰৱে উচুপিছিলোঁ।

দুসপ্তাহমান পাছৰ আন এটা দেওবাৰ। পুনৰ অকণিহঁতে মুখত এমোকোৰা হাঁহি লৈ পাৰ্কলৈ বুলি আহিছে। কিন্তু পাৰ্কৰ গেটত তলা। লীজা আৰু লিলি আজিও আহিছে। দুয়ো জাননীখন পঢ়িলে। পাছত অকণিহঁতে পাৰ্কত কেতিয়াও আহিব নোৱাৰিব বুলি গম পাই কান্দিবলৈ ধৰিলে। কিছুবেলি পাছত আটায়ে ঘৰমুৱা হ'ল। মই সিহঁতক বুজাবলৈ প্ৰাণপণে চেষ্টা কৰিলোঁ, তোমালোক আটায়ে মিলি এই কামৰ বাবে মানুহবোৰক বাধা দিয়া। কিন্তু কোনেও নুবুজিলে মোৰ নিচিনা জড়সদৃশ জীৱ এটাৰ কথা। কাৰণ মই যে এজোপা গছ। কথা ক'ব নোৱৰাই যেন মোৰ দোষ।

শ্লাইড, ঝুলনা আদি উঠোৱা হৈছে। মিস্ত্ৰীয়ে বহুতো শব্দ কৰা যন্ত্ৰ আনি অকণিহঁতৰ হেঁপাহৰ ঠাইখন ধ্বংস কৰাত লাগিছে। মোৰো দেহত কোনোবাই অসহ্যকৰভাৱে আঘাত কৰিছে। কিছুবেলি পাছতেই মোৰ জীৱনৰ ওৰ পৰিব। লগতে অকণিহঁতৰ আশা-আকাংক্ষা, ৰং-ধেমালিৰ। দানৱৰূপী এই প্ৰাণীবোৰে সুখৰ সংজ্ঞা কেতিয়াও বুজি নাপাব। জীৱশ্ৰেষ্ঠ বুলি নিজকে আখ্যা দিয়া দানৱবোৰৰ বাবেই আজি পৃথিৱীৰ এই অৱস্থা। সৌৱা ! অনু আৰু অমু দৌৰি আহিছে। চিঞঁৰি চিঞঁৰি কান্দিছে। সিহঁত আৰু দানৱ দুয়োৰে চৰিত্ৰ সুকীয়া। সিহঁতৰ চলচলীয়া চকুহাল দেখি ময়ো কান্দিছোঁ। দানৱৰ সেইফালে ভ্ৰূক্ষেপ নাই। যিবোৰ অকণিক মই দেখি আহিলোঁ, সেইবোৰ অকণিক দেখিয়েই মই দানৱবোৰৰ হাতত বিদায় ল'ব লাগিব। ❖


# পোহৰৰ পথেদি ইণ্টাৰনেট

■ চৈয়দা মাহৰিন জানান
দশম শ্ৰেণী

বৰ্তমান যুগত ইণ্টাৰনেট আমাৰ দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংশ। তাঁৰবিহীন ইণ্টাৰনেট সংযোগৰ ক্ষেত্ৰত এতিয়ালৈকে ৱাই-ফাইয়ে (Wi-Fi) সৰ্বাধিক জনপ্ৰিয়তা লাভ কৰিছে। কিন্তু বিজ্ঞান আৰু প্ৰযুক্তিৰ অবিৰত অগ্ৰগতিয়ে এনে এক নতুন যোগাযোগ ব্যৱস্থাৰ জন্ম দিছে, যিয়ে ৰেডিঅ' তৰংগৰ পৰিবৰ্তে পোহৰ ব্যৱহাৰ কৰি তথ্য আদান-প্ৰদান কৰিব পাৰে। এই অত্যাধুনিক প্ৰযুক্তিটোৰ নাম হৈছে লাই-ফাই (Li-Fi) বা লাইট ফিডেলিটি (Light Fidelity)। এই প্ৰযুক্তিয়ে ভৱিষ্যতৰ দ্ৰুত, নিৰাপদ আৰু অধিক দক্ষ তাঁৰবিহীন যোগাযোগ ব্যৱস্থাৰ এক নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে।

২০১১ চনত স্কটলেণ্ডৰ এডিনবাৰ্গ বিশ্ববিদ্যালয়ৰ অধ্যাপক হেৰাল্ড হাছে (Harald Haas) প্ৰথমবাৰৰ বাবে লাই-ফাই ধাৰণাটো বিশ্ববাসীৰ আগত উপস্থাপন কৰে। তেওঁৰ মূল লক্ষ্য আছিল এলইডি (LED) বাল্বক কেৱল পোহৰৰ উৎস হিচাপে ব্যৱহাৰ কৰাই নহয়, তথ্য পৰিবহণৰ মাধ্যম হিচাপেও ব্যৱহাৰ কৰা। পৰবৰ্তী সময়ত এই ধাৰণাই বিশ্বজুৰি গৱেষকসকলক বিশেষভাৱে আকৰ্ষিত কৰিছিল আৰু লাই-ফাইৰ উন্নয়নৰ ক্ষেত্ৰত নতুন দিগন্ত উন্মোচিত হয়।

লাই-ফাইৰ কাৰ্য্যপদ্ধতি যথেষ্ট অভিনৱ। এই প্ৰযুক্তিত এলইডি বাল্বৰ পোহৰ অতি তীব্ৰ গতিৰে অন আৰু অফ কৰা হয়। এই পৰিবৰ্তন ইমানেই দ্ৰুত যে মানুহৰ চকুৰে ইয়াক অনুভৱ কৰিব নোৱাৰে। আমাৰ দৃষ্টিত পোহৰ সদায় জ্বলি থকা যেন লাগিলেও এই ক্ষিপ্ৰ পোহৰ স্পন্দনৰ মাজতেই ডিজিটেল তথ্য '০' আৰু '১'ৰ ৰূপত সংকেতায়িত হৈ গ্ৰাহক যন্ত্ৰলৈ প্ৰেৰণ হয়। যন্ত্ৰত থকা বিশেষ ফটোডিটেক্টৰে (photodetector) এই পোহৰ সংকেত গ্ৰহণ কৰি পুনৰ ডিজিটেল তথ্যলৈ




ৰূপান্তৰ কৰে। ফলস্বৰূপে, ব্যৱহাৰকাৰীসকলে ইণ্টাৰনেট বা আন তথ্য সেৱা লাভ কৰে।

লাই-ফাইৰ অন্যতম বিশেষ সুবিধা হৈছে ইয়াৰ উচ্চ তথ্য পৰিবহণ ক্ষমতা। দৃশ্যমান পোহৰৰ তৰংগ ৰেডিঅ' তৰংগতকৈ বহু গুণ অধিক বিস্তৃত হোৱাৰ বাবে ইয়াৰ জৰিয়তে অধিক দ্ৰুতগতিত আৰু অধিক পৰিমাণত তথ্য প্ৰেৰণ সম্ভৱ। ইয়াৰ উপৰি, পোহৰে দেৱাল ভেদ কৰিব নোৱাৰে। যাৰ বাবে সংকেত এটা কোঠাৰ ভিতৰতে সীমাবদ্ধ হৈ থাকে। ইয়াৰ ফলত বাহিৰৰ পৰা সংকেত অবৈধভাৱে প্ৰৱেশ কৰাৰ সম্ভাৱনা যথেষ্ট হ্ৰাস পায় আৰু তথ্যৰ নিৰাপত্তা বৃদ্ধি হয়। লগতে ৰেডিঅ' তৰংগৰ হস্তক্ষেপৰ আশংকা নথকাৰ বাবে চিকিৎসালয়, বিমানবন্দৰ, পৰীক্ষাগাৰ, সামৰিক প্ৰতিষ্ঠান আদি সংবেদনশীল স্থানতো এই প্ৰযুক্তি ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিব পৰা যায়।

লাই-ফাই কেৱল ইণ্টাৰনেট সেৱাতে সীমাবদ্ধ নহয়। স্মাৰ্ট ফোন, স্মাৰ্ট চহৰ, চিকিৎসা ব্যৱস্থা, শিক্ষা, উদ্যোগ আৰু পৰিবহণ আদি বহু ক্ষেত্ৰত এই প্ৰযুক্তিৰ ব্যৱহাৰৰ সম্ভাৱনা আছে। উদাহৰণস্বৰূপে, চিকিৎসালয়ত বহু যন্ত্ৰ ৰেডিঅ' তৰংগৰ প্ৰতি সংবেদনশীল হোৱাৰ বাবে তাত লাই-ফাই অধিক নিৰাপদ বিকল্প হ'ব পাৰে। একেদৰে বিমানৰ ভিতৰতো এই প্ৰযুক্তিৰ জৰিয়তে অধিক সুচল যোগাযোগ ব্যৱস্থা গঢ়ি তুলিব পাৰে। ইয়াৰ উপৰি, পানীৰ তলত ৰেডিঅ' তৰংগৰ সীমাবদ্ধতা থকা বাবে পোহৰভিত্তিক যোগাযোগে সামুদ্ৰিক গৱেষণা আৰু অনুসন্ধান কাৰ্য্য অধিক ফলপ্ৰসূ কৰি তুলিব পাৰে। বিশেষজ্ঞসকলৰ মতে ৱাই-ফাই আৰু লাই-ফাই একেলগে ব্যৱহাৰ কৰি অধিক দ্ৰুত, স্থিৰ আৰু নিৰাপদ যোগাযোগ ব্যৱস্থা গঢ়ি তোলা সম্ভৱ হ'ব।

অৱশ্যে লাই-ফাইৰ কিছুমান সীমাবদ্ধতাও আছে। যিহেতু পোহৰে দেৱাল ভেদ কৰিব নোৱাৰে, সেয়েহে প্ৰতিটো কোঠাত পৃথক পোহৰৰ উৎসৰ প্ৰয়োজন হয়। তদুপৰি পোহৰৰ বাটত বাধাগ্ৰস্ত হ'লে বা সংযোগ বিচ্ছিন্ন হ'লে তথ্য আদান-প্ৰদান ব্যাহত হ'ব পাৰে। সেইবাবে বৰ্তমান সময়ত লাই-ফাইক ৱাই-ফাইৰ সম্পূৰ্ণ বিকল্পৰ বিপৰীতে এক শক্তিশালী পৰিপূৰক প্ৰযুক্তি হিচাপে গণ্য কৰা হয়।

প্ৰযুক্তিৰ ইতিহাসত লাই-ফাই হৈছে এক যুগান্তকাৰী উদ্ভাৱন, যিয়ে পোহৰক তথ্য আদান-প্ৰদানৰ এক শক্তিশালী মাধ্যমলৈ ৰূপান্তৰিত কৰিছে। বৰ্তমান সময়ত ইয়াৰ গৱেষণা অব্যাহত আছে। হয়তো অতি সোনকালে আমাৰ ঘৰৰ প্ৰতিটো এলইডি বাল্বেই দ্ৰুত, নিৰাপদ আৰু অধিক দক্ষ ইণ্টাৰনেটৰ সংযোগ প্ৰদান কৰিব। সেয়ে ক'ব পাৰি যে লাই-ফাই ভৱিষ্যতৰ তাঁৰবিহীন যোগাযোগ ব্যৱস্থাৰ এক উজ্জ্বল সম্ভাৱনা। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, আগষ্ট, ২০২৬

১। জাষ্টিন গ্ৰীভছ
২। চুলিকফা
৩। ৰোনাল্ড ৰ'ছ
৪। গগন নাৰং
৫। চোটা ভীম ❖

# বন্ধু কোন?

■ হৃষিকেশ ৰাভা
অষ্টম শ্ৰেণী

বিপদৰ বন্ধুহে প্ৰকৃত বন্ধু
এৰি যোৱা বন্ধু সঁচা শত্ৰু
ভাল বন্ধুৰ লগত থাকিলে ভাল
বেয়া বন্ধুৰ লগত নিমিলে তাল
বেয়া বন্ধুৱে দিয়ে ঠগাই
ভাল বন্ধুৰ সংগ সদায়
বেয়াৰ বাবে ধ্বংস হ'বা
ভালৰ বাবে এটি প্ৰকৃত
জীৱন গঢ়িবা
ভাল-বেয়াৰ মাজত পাৰ্থক্য চাবা
ক'বলৈ গ'লে
বাছি খাবা
জাগি শুবা। ❖

# যাযাবৰ তুমি

■ দীয়া নাথ
ষষ্ঠ শ্ৰেণী

অসমৰ ভোটাতৰা স্বৰূপ তুমি যাযাবৰ
তুমি আছা অসমৰ প্ৰতি কোণে কোণে
ধৰাৰ দিপাঙে দিপাঙে
তুমি অমৰ
তোমাৰ প্ৰিয় নদী নে সাগৰ
স্পষ্টবাদী অসমী আইৰ সু-সন্তান তুমি
তোমাৰ তেজৰ মাজে মাজে আছে
অসমী আইৰ নাম
অসমীয়া কলা-সংস্কৃতিত
তোমাৰ অলেখ অবদান। ❖

# উজনিৰ বান

■ ৰশ্মিনন্দা কলিতা
ষষ্ঠ শ্ৰেণী



বান তই চলাইছ
উজনিত তাণ্ডৱ
তোৰ কবলত পৰিল
হাজাৰ বান্ধৱ
নাগালেণ্ডে দিলে
পাহাৰ কাটি
উজনি অসমলৈ নামিল
বানৰ সুঁতি
বুৰালি চৰাইদেউক
চুকাফাৰ ৰাজধানী
তাৰ লগতে গ'ল
শিৱসাগৰো উটি
ঘৰ-বাৰী ভাঙিলি
উটুৱাই নিলি
লাগতিয়াল সামগ্ৰী
লগতে লৈ গ'লি
বহু পশু-পক্ষী
বহু মানুহৰ
মৃত্যু মাতিলি
মৰমৰ কুকুৰটোক বচাবলৈ
যোৱা
কিশোৰটি উটুৱাই নিলি
কিয়নো বান তই
আহি ওলালিহি
কৰিব নোৱাৰ তই
মানৱক ধ্বংস
হৃদয়ত আমাৰ আছে
মানৱতাৰ অংশ
বান, গুচি যা তই
য'ৰ পৰা আহিছিলি
নিৰ্মাণ কৰিম আমি
সাহায্য পুঁজি
সামৰ্থ্য অনুযায়ী কৰিম
সহায় বানপীড়িতক
তেওঁলোকেও পাওক একোটা
নতুন জীৱন
আহা আমি সকলোৱে
কৰোঁ এই পণ। ❖

# পঢুৱৈৰ মেল

■ তৃষা ঠাকুৰীয়া
অষ্টম শ্ৰেণী

ৰাতিপুৱা স্কুললৈ যোৱাৰ দৌৰা-দৌৰিৰ মাজতে পঢুৱৈৰ মেলৰ কথা প্ৰীতিৰ মনলৈ আহিল। পঢুৱৈৰ মেলত আজি কি কথা আলোচনা কৰিব? মনলৈ বিভিন্ন বিষয় আহিল। পঢুৱৈৰ মেল আৰম্ভ কৰাৰ পাছৰ পৰা সিহঁতৰ বহুতো লাভ হৈছে। সিহঁতৰ মাজত সাধাৰণ জ্ঞানৰ উপৰি প্ৰশ্ন সোধা, উত্তৰটো বিভিন্ন উৎসৰ পৰা যুগুতাই লোৱা আদি অভ্যাস গঢ় লৈ উঠিছে।

স্কুলত এনেই আবোল-তাবোল কথাত মনোযোগ দিয়াতকৈ প্ৰীতি, নেহা আৰু শ্ৰুতিয়ে বিভিন্ন বিষয়ত যুক্তিসন্মতভাৱে আলোচনা কৰাৰ পাছত এটা আড্ডা আৰম্ভ কৰিছিল। যাৰ নাম দিছিল ‘পঢুৱৈৰ মেল’।

যোৱা সপ্তাহবোৰৰ দৰে আজিও সিহঁতৰ এই মেলখন আছে। আজিৰ প্ৰধান মেলুৱৈ নেহা। টিফিন খোৱা বিৰতিত প্ৰীতি, নেহা আৰু শ্ৰুতিয়ে সোনকালে টিফিন খোৱা শেষ কৰি নিৰ্দিষ্ট স্থানত লগ হ’ল আৰু এঠাইত বহি সিহঁতৰ মেল আৰম্ভ কৰিলে। আজিৰ প্ৰধান মেলুৱৈ নেহাই আৰম্ভ কৰিলে “এটা কথা তোমালোকে লক্ষ্য কৰিছানে? আজিকালি বিভিন্ন ধৰণৰ ৰোগৰ সংখ্যা বাঢ়িছে, ইয়াৰ কাৰণ কি? উত্তৰটো শুনি তোমালোকে নিজে আচৰিত হ’বা। উত্তৰটো হ’ল পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱ।” নেহাৰ কথাত শ্ৰুতি উচাপ খাই উঠিল, “হাৰে... কি কোৱাহে তুমি? মানুহবোৰ ইমান চাফা আনকি জীৱ-জন্তু, চৰাই-চিৰিকটি আদিয়েও নিজকে চাফা কৰি ৰাখিবলৈ নাপাহৰে। তুমি আকৌ কোৱা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱ। এএছইবি কল’নীটো যে আছে তাত এটা পুখুৰী আছে, সেইটোতে তুমি বান্দৰবোৰে গা ধুই থকা দেখিবলৈ পাবা। মানুহে লেতেৰা বুলি কোৱা ক্ষুদ্ৰ মাখিটোৱেও সময়ে সময়ে নিজকে পৰিষ্কাৰ কৰি ৰাখিবলৈ নাপাহৰে। মই কিন্তু নামানো দেই!”

“বাৰু নেহা, এই যে বিষয়টো তুমি কি ভাবি আলোচনা কৰিবলৈ লৈছা, বহলাই কোৱাচোন।” প্ৰীতিৰ কথাত দুয়োজনী আকৌ আচল কথালৈ ঘূৰি আহিল। “ইয়ে... তোমালোকে ভাবিয়েই পোৱা নাই?” নেহাৰ কথাত হঠাতে প্ৰীতিৰ খং উঠি গ’ল। “কি কথাৰ পাক লগাই আছা অ’... চিধা-চিধি নোকোৱা কিয়?”

“ইস্ এইজনীৰ আকৌ খঙেই উঠিল। মূৰটো অলপ ঠাণ্ডা কৰা। অ’ পাছে আমি ভাবি নোপোৱা তোমাৰ উত্তৰটো কি?” শ্ৰুতিয়ে ধেমালিৰ সুৰত হাঁহি হাঁহি ক’লে। “অ’ উত্তৰটো...চোৱা, আমি সকলোৱে কেতিয়াও অকলে সকলো কাম কৰি জীয়াই থাকিব নোৱাৰোঁ, কাৰোবাৰ পৰা হ’লেও সহায় লাগিব। কিয়নো আমি সামাজিক প্ৰাণী। সকলোৱে সকলোৰে লগত থাকিলেহে আমি ভালদৰে চলিব পাৰিম। ঠিক তেনেদৰে শ্ৰুতিয়ে কোৱা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কথাটো মনত আছেনে? আমি যদি তাই কোৱাৰ দৰে সকলোৱে কেৱল নিজকহে পৰিষ্কাৰ কৰি ৰাখোঁ, চৌপাশ কোনে পৰিষ্কাৰ কৰিব?” শ্ৰুতি আৰু প্ৰীতিয়ে কিবা বুজিছেনে নাই সিহঁতৰ মুখ দুখন চাই নেহাই বুজিবলৈ চেষ্টা কৰিলে। এনেতে টং...টং...টংকৈ ঘণ্টাটো বাজি গ’ল। “ধেই... আজি ইমান সোনকালে ঘণ্টাটো বাজিল!” প্ৰীতিৰ কথাত শ্ৰুতিয়ে ক’লে, “সময়খিনি সোনকালে পাৰ হৈ গ’ল।” “খুব মনোযোগেৰে কথাখিনি শুনি আছিলা যে।” নেহায়ো আনন্দেৰে যোগ দি ক’লে আৰু তিনিও শ্ৰেণীকোঠালৈ আগবাঢ়ি গ’ল।

স্কুল ছুটীত তিনিও বান্ধৱী বকুল গছজোপাৰ তলত আনদিনাৰ দৰে লগ হ’ল।

“ঐ কাইলৈ দেখোন দেওবাৰ।” প্ৰীতিয়ে দুখত কোৱা কথাষাৰ শুনি দুয়োজনীৰে হাঁহি উঠি গ’ল। শ্ৰুতিয়ে হাঁহি হাঁহিয়ে ক’লে, “কাইলৈ ইমান ভাল লাগিব, মা-দেউতা দুপৰীয়া জেঠাইৰ ঘৰত পতা পূজালৈ গৈ একেবাৰে গধূলিহে আহিব আৰু জানা মোক ঘৰত অকলে থকাতকৈ ওচৰৰে খুৰাহঁতৰ ঘৰত থৈ যাব খুজিছিল। তেতিয়া মই ঘৰত অকলে থাকিম বুলি কৈ তোমালোক দুজনীক মাতিবলৈ দিছোঁ।”

"হয় নেকি? কালি মাক তোমালোকৰ খুৰীয়ে ফোন কৰিছিলতো..." নেহাই উৎসাহেৰে কোৱা কথাত প্ৰীতিয়ে অন্যমনস্কভাৱেই যোগ দিলে, "মোৰ মাকো ফোন কৰিছিল... পাছে আজিৰ মেলৰ কথা অসম্পূৰ্ণ হৈ থাকিল নহয়, এইখিনি কিন্তু কাইলৈ শ্ৰুতিহঁতৰ ঘৰলৈ গ'লে ক'ব লাগিব।" এনেদৰেই সিহঁতে কিছু সময় দেওবাৰে কি কি কৰিব তাৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰি ঘৰলৈ গ'ল। এতিয়া মাথোঁ দেওবাৰৰ অপেক্ষা...

"অ' আহিলা তোমালোক। শ্ৰুতি ভিতৰতেই আছে। দুয়োজনী ভিতৰতেই বহাঁগে।" দুৱাৰখন খুলি শ্ৰুতিৰ মাকে নেহা আৰু প্ৰীতিক ভিতৰলৈ যাবলৈ ক'লে আৰু দুয়ো উৎসুকতাৰে 'হ'ব খুৰী' বুলি শলাগি ভিতৰলৈ সোমাই গ'ল। অলপ পাছত তিনিও শ্ৰুতিৰ মাকে দিয়া দুপৰীয়াৰ ভাতসাঁজ খাই বাৰাণ্ডাতে বহিল। তেনেতে শ্ৰুতিৰ মাক-দেউতাক পূজালৈ যাবলৈ সাজু হৈ ওলাই আহিল। "তোমালোকে ঘৰত ভালদৰে থাকিবা দেই... আৰু দুৱাৰখন ভালদৰে মাৰি থ'বা। ওচৰৰে খুৰাহঁতক কৈ থৈ গৈছোঁ। কিবা অসুবিধা হ'লে তেওঁলোকক ফোন কৰি দিবা। পাকঘৰত গোটেইকেইজনীয়ে ভালপোৱা বস্তু কিছুমান থৈ গৈছোঁ, খাবা। আমি যাওঁ দেই, তিনিওজনী থাকিবা। বাই বাই।" যোৱাৰ আগত এইদৰে তিনিওজনীকে দীঘলীয়া উপদেশ দি যাবলৈ মাকে নাপাহৰিলে। খেলি খেলি আমনি লগাত বাৰাণ্ডাতে বহি অস্ত যাবলৈ লোৱা সূৰ্য্যটো চাই সিহঁতে আকৌ কথা আৰম্ভ কৰিলে। কথাৰ মাজতে শ্ৰুতিয়ে কালিৰ আধা কোৱা হোৱা কথাখিনিৰ কথা প্ৰীতিলৈ চাই মনত পেলাই দিলে। "অ' মই পাহৰিয়েই গৈছিলোঁ।" "এতিয়া কথাৰ পাক নলগাই আৰম্ভ কৰি দিয়া।" বুলি প্ৰীতিয়ে কৈ নেহাক আৰম্ভ কৰিবলৈ ইংগিত দিলে। "অ' শুনা। কালি যে কৈছিলোঁ আমি যদি কেৱল নিজকহে পৰিষ্কাৰ কৰি ৰাখোঁ চৌপাশ কোনে পৰিষ্কাৰ কৰি ৰাখিব, হয়নে! ভাবা...আমি চৌপাশ পৰিষ্কাৰ নকৰি কেৱল যদি নিজকে পৰিষ্কাৰ কৰি ৰাখোঁ, তেতিয়া আমি যিমান চাফা নহ'লেও আমাক বিভিন্ন বেমাৰে লগ দিবই। গতিকে আমি এতিয়া চৌপাশ কেনেদৰে চাফাকৈ ৰাখিম?" নেহাৰ প্ৰশ্নত শ্ৰুতিয়ে লগে লগে উত্তৰ দিলে, "হাৰে ৰাস্তাবোৰত যে দেখোঁ চাফা কৰি থকা কিছুমান লোক, তেওঁলোকে বাহিৰভাগ চাফা কৰিব আৰু আমি ভিতৰভাগ মানে ঘৰ, দোকান, অফিচ আদি।" নেহায়ো লগে লগে ভেকাহি মাৰি ক'লে, "ইস... হৈছে দিয়া আৰু! তেওঁলোকো মানুহহে, যন্ত্ৰটো নহয়। তাতকৈ মই এটা কথা ভাবিছিলোঁ। এই বাহিৰৰ দেশবোৰৰ যে ৰাস্তা-ঘাটবোৰ, মন কৰিছানে? কিমান চাফা, দেখিলেই ভাল লাগি যায়। আনহাতে সেই দেশবোৰৰ প্ৰায়বিলাক ৰাস্তাতে জাবৰ-জোঁথৰ পেলালে জৰিমনা ভৰিব লাগে। সেয়েহে তাত থকা স্থানীয় মানুহবোৰে ৰাস্তাত জাবৰ মানে খোৱাবস্তুৰ পেকেট আদিবোৰ নেপেলায় আৰু তেওঁলোকক দেখি বাহিৰৰ দেশৰ পৰা যোৱা লোকসকলেও ৰাস্তাত জাবৰ পেলাবলৈ সাহস নকৰে। কিয় জানা?" "জৰিমনাৰ ভয়ত" দুয়োজনীয়ে একেমুখে ক'লে আৰু নেহায়ো এটা সেমেকা হাঁহিৰে ক'লে, "জৰিমনাৰ ভয়ত নহয়... সকলোৰে যে এটা মন বুলি বস্তু থাকে, সেই মনটোৱে বাহিৰৰ দেশ বা স্থানৰ পৰা অহা লোকগৰাকীক চাফা ৰাস্তাটো লেতেৰা কৰিবলৈ কেতিয়াও নকয়। ফলত সেই ৰাস্তাত পৰি থকা শুকান পাতৰ বাহিৰে আন লেতেৰা জাবৰ, ৰাস্তা চাফা কৰা লোকসকলে চাফা কৰিব নালাগে। কিবা বুজিছানে?

ঠিক তেনেদৰে আমাৰ ভাৰততো যদি জৰিমনাৰ ব্যৱস্থা থাকিলহেঁতেন! বেলেগ নালাগে, অসমতে বিভিন্ন ৰাস্তাবোৰ লক্ষ্য কৰিলে দেখা পাওঁ যে স্থানীয় লোকসকলে ডাষ্টবিনটো ওচৰত দেখাৰ পাছতো তেওঁ জাবৰ ডাষ্টবিনত নেপেলায়। ফলত বাহিৰৰ দেশ বা স্থানৰ পৰা অহা লোকসকলেও অসমত ফুৰিবলৈ আহিলে সেই ৰাস্তাবোৰত জাবৰ পেলাবলৈ সংকোচ বা কুণ্ঠাবোধ নকৰে।" এটা দীঘলীয়া উশাহ লৈ নেহাই আকৌ ক'বলৈ আৰম্ভ কৰিলে, "ফলত ৰাস্তা চাফা কৰা লোকসকলৰ কম কষ্ট হয়নে? ...আৰু ৰাস্তাটো দেখিবলৈও ভাল লাগেনে?... সেয়ে মই ভাবোঁ সেই স্থানবোৰৰ স্থানীয় লোকসকলেই প্ৰথমে নিজৰ স্থানৰ চৌপাশ চাফা কৰি ৰাখিব লাগিব। তেতিয়াহে আনে সেই স্থানৰ চৌপাশ লেতেৰা কৰিবলৈ সাহ নকৰিব। ভাবাচোন এনেদৰে সকলোৱে চৌপাশ চাফা কৰা কামটো নিজৰ মাজত সুমুৱাই ল'লে আমাৰ চৌপাশ কিমান পৰিষ্কাৰ হৈ থাকিব

আৰু বহুতো বেমাৰ হ্ৰাস পাব।” এইবাৰ নেহাই নিজৰ কথা শেষ কৰি দুয়োজনীলৈ চালে। বাপ্‌ৰে!... দুয়োজনীয়ে দেখোন একেথৰে এফালেই চাই আছে। “ঐ ইমান পৰে কথাবোৰ ক’লোঁ যে দুয়োজনীয়ে বুজিলানে?” নেহাৰ কথাত দুয়ো উচাপ খাই উঠিল। শ্ৰুতিয়ে মনোযোগেৰে আৰু আগ্ৰহেৰে ক’লে, “মই তুমি কোৱা কথাখিনি কৈ থাকোঁতে ভাবিয়েই আছিলোঁ জানা। কিমান উন্নত হ’ব ভাৰতখন।” “এই সৰু কথাটো আমি সকলোৱে আগতেই মন কৰিলে কিমান ভাল হ’লহেঁতেন। ...অ’ ব’লা এতিয়া অলপ টিভি চাওঁ, মায়েও পাকঘৰত কিবা থৈ দিয়া বুলি কৈছিল।” এইবুলি শ্ৰুতিয়ে প্ৰীতি আৰু নেহাক বাৰাণ্ডাৰ পৰা উঠি আহিবলৈ ইংগিত দিলে আৰু দুৱাৰখন বন্ধ কৰি আন্ধাৰ হৈ থকা কোঠালিটোত লাইটটো জ্বলাই উজ্জ্বল কৰি দিলে। ❖

# নীল দ্যা ছীল

■ শুভাংগী মেধি

নৱম শ্ৰেণী



প্ৰায় এহাজাৰ কিলোগ্ৰামৰ ওজনৰ এটা বিশাল সাগৰীয় জীৱই যদি আপোনাৰ ঘৰৰ পদুলি বা ৰাস্তাৰ মাজত শুই আপোনাক আপোনাৰ অফিচ বা স্কুললৈ যাবলৈ বাধা দিয়ে তেন্তে আপুনি কি কৰিব? শুনিলে আচৰিত লাগে নহয় নে, কিন্তু এনে এক ধেমেলীয়া অথচ আচৰিত কাণ্ডৰে বৰ্তমান সমগ্ৰ বিশ্বতে খলকনি তুলিছে অষ্ট্ৰেলিয়াৰ তাছমেনিয়া (Tasmania) দ্বীপৰ এক মৰমিয়াল ছীল—নীল দ্যা ছীলে। ছীল হৈছে এবিধ উভচৰ স্তন্যপায়ী প্ৰাণী। ২০২০ চনত জন্ম হোৱা এই ছাউডাৰ্ন এলিফেণ্ট ছীলটো বৰ্তমান ইণ্টাৰনেটৰ আটাইতকৈ মৰম লগা আৰু ভাইৰেল তাৰকা হৈ পৰিছে।

সাধাৰণতে এলিফেণ্ট ছীলবোৰ মানুহৰ বসতিস্থলৰ পৰা আঁতৰত নিৰ্জন অঞ্চলত ডাঙৰ ডাঙৰ দলত বাস কৰে। কিন্তু নীল মানুহৰ আবাসিক অঞ্চল, গাড়ী ৰখা ঠাই আৰু ব্যস্ত মূল ৰাস্তালৈ ওলাই আহি শুই থকাৰ বাবে বিখ্যাত। ৫ বছৰৰ এই ছীলটোৱে চহৰৰ ট্ৰেফিক ক’ন (traffic cone) আৰু মানুহৰ ঘৰৰ বেৰবোৰক নিজৰ খেলৰ সামগ্ৰী হিচাপে বাছি লৈছে। নীলৰ এই কাৰ্য্যকলাপবোৰে প্ৰায়েই স্থানীয় প্ৰশাসন আৰু সাধাৰণ ৰাইজৰ বাবে এক মধুৰ সমস্যাৰ সৃষ্টি কৰে। কেতিয়াবা সি মানুহৰ গাড়ীৰ ঠিক আগে আগে শুই পৰে, যাৰ ফলত মানুহৰ কামলৈ যোৱাত দেৰি হয়। কেতিয়াবা সি ৰাস্তাৰ মাজত বহু সময়লৈ শুই থকাৰ বাবে সমগ্ৰ যাতায়াত ব্যৱস্থা স্তব্ধ হৈ পৰে। বিশেষজ্ঞসকলৰ মতে, তাৰ ওচৰত খেলিবলৈ বা যুঁজিবলৈ আন কোনো ছীল নাই, সেয়েহে নীলে ৰাস্তা আৰু গাড়ীবোৰকে নিজৰ সামগ্ৰী বুলি ভাবে আৰু গাৰে খুন্দা মাৰি গাড়ীবোৰৰ লগত খেলে।

সামাজিক মাধ্যমত নীলৰ জনপ্ৰিয়তা আকাশলংঘী। অনুৰাগীসকলে নীলৰ এই কাণ্ড-কাৰখানাবোৰ যথেষ্ট উপভোগ কৰে।

অৱশ্যে নীলৰ ক্ৰমবৰ্ধমান ওজন আৰু আকাৰৰ বাবে বন্যপ্ৰাণী কৰ্তৃপক্ষই সজাগতামূলক নিয়ম জাৰি কৰিছে। এলিফেণ্ট ছীলসমূহ পূৰ্ণবয়স্ক হ’লে সিহঁতৰ ওজন কেইবা হাজাৰ কিলোগ্ৰাম পৰ্য্যন্ত হ’ব পাৰে। সেয়েহে স্থানীয় প্ৰশাসনে ৰাইজক নীলৰ পৰা প্ৰায় ২০ মিটাৰ দূৰত থাকি নীলক চাবলৈ অনুৰোধ কৰিছে।

আজিৰ দিনত নীল দ্যা ছীল কেৱল ইণ্টাৰনেটৰ তাৰকা নহয়, সি মানুহ আৰু প্ৰকৃতিৰ মাজৰ বিশেষ সম্পৰ্কৰ প্ৰতীক হৈ পৰিছে। নীলে সোঁৱৰাই দিয়ে যে বন্যপ্ৰাণীৰ প্ৰতি দয়ালু হৈ সিহঁতক স্বাধীনভাৱে জীয়াই থকাৰ সুযোগ দিয়াটো আমাৰ দায়িত্ব। ❖

# টাইটানিক

■ জিতা গগৈ



টাইটানিক—এই নামটোৱে কেইবাদশক জুৰি মানুহৰ মনত ৰহস্য তথা অনুসন্ধিৎসাৰ সৃষ্টি কৰি আহিছে। এক সময় আছিল যেতিয়া এই টাইটানিক নামৰ জাহাজখনক মানৱসৃষ্ট অভিযান্ত্রিকতাৰ সৰ্বোচ্চ নিদর্শন বুলি কোৱা হৈছিল। কিন্তু এই জাহাজখন এতিয়া আটলাণ্টিক মহাসাগৰৰ তলিত পৰিত্যক্ত অৱস্থাত আছে।

১৯১২ চনৰ ১০ এপ্রিলত ইংলণ্ডৰ ছাউথাম্পটনৰ পৰা যাত্রা আৰম্ভ কৰাৰ সময়ত আৰএমএছ টাইটানিক (RMS Titanic) আছিল পৃথিৱীৰ ভিতৰতে মানুহে সজা আটাইতকৈ ডাঙৰ চলন্ত বস্তু। হোৱাইট ষ্টাৰলাইনে নির্মাণ কৰা এই জাহাজখনৰ প্রথমটো যাত্রা আছিল আটলাণ্টিক মহাসাগৰ অতিক্রম কৰি নিউ য়র্ক চহৰলৈ। এই জাহাজখন নির্মাণ কৰোঁতাসকলে দাবী কৰিছিল যে টাইটানিক জাহাজখন কেতিয়াও ডুব নাযায়। সেয়েহে ইয়াক ডুব নোযোৱা জাহাজ (unsinkable) বুলিও কোৱা হৈছিল।

টাইটানিকখন আছিল এখন অতি বিলাসী জাহাজ। সেয়েহে ইয়াৰ টিকটৰ মূল্যও বেছি আছিল। সেই সময়ত টাইটানিকখন নির্মাণ কৰোঁতে প্রায় ১.৫ মিলিয়ন পাউণ্ড খৰচ হৈছিল। ভাৰতীয় হিচাপত ১৯ কোটি টকা।

এই বিশাল বিলাসী জাহাজখন কেতিয়াও ডুব নাযায় বুলি ডাঠি কোৱাৰ পাছতো যাত্রাৰ প্রায় ৪ দিন ১৪ ঘণ্টা পাছতেই ডুব যায়। ১৯১২ চনৰ ১৪ এপ্রিলৰ নিশা ১১.৪০ বজাত জাহাজখন এটা আইচবার্গত খুন্দা খায় আৰু দুর্ঘটনাত পতিত হৈ ১৫ এপ্রিলৰ পুৱা ২.২০ বজাত সম্পূর্ণৰূপে ডুব যায়। এই দুর্ঘটনাটো হোৱাৰ আগত আন আন জাহাজৰ পৰা আইচবার্গৰ বিষয়ে সতর্কবাণী পোৱাৰ পাছতো আওকাণ কৰি তীব্র বেগত জাহাজখনে গতি কৰি আছিল। নিশা ১১.৪০ বজাত নিৰীক্ষক ফ্রেডেৰিক ফ্লিডে জাহাজৰ ঠিক সন্মুখত এক বিশাল আইচবার্গ দেখা পায় আৰু জাহাজৰ পাইলটক সতর্ক কৰে। কিন্তু ইতিমধ্যে বহু পলম হৈছিল। ততাতৈয়াকৈ জাহাজখনৰ গতিৰ দিশ সলাবলৈ চেষ্টা কৰা হৈছিল যদিও আইচবার্গৰ পানীৰ তলত থকা অংশত জাহাজখনৰ কাষৰ অংশই প্রচণ্ড খুন্দা মাৰে। যিহেতু জাহাজখনৰ আইচবার্গটোৰ লগত মুখামুখি সংঘর্ষ লগা নাছিল সেয়েহে এই খুন্দাটোক প্রথমতে কোনোৱে গুৰুত্ব সহকাৰে নল'লে। কিন্তু এই খুন্দাৰ বাবে জাহাজখনৰ পানীৰ তলৰ অংশত পাঁচটা ছিদ্রৰ সৃষ্টি হয়। নিশা ২.১০ বজাত জাহাজৰ সন্মুখৰ অংশটো (bow) পানীৰ ভৰত সম্পূর্ণ ডুবি গৈছিল আৰু জাহাজৰ পিছফালৰ অংশটো (stern) আকাশৰ ফালে থিয় হৈ উঠিছিল। ২.১৭ বজাত অত্যধিক ওজনৰ বাবে জাহাজখন মাজভাগতে ভাগি যায় আৰু অৱশেষত পুৱা ২.২০ বজাত জাহাজখন আটলাণ্টিক মহাসাগৰৰ গভীৰতাত বিলীন হৈ যায়।

১৯৮৫ চনত যেতিয়া সাগৰৰ তলিৰ পৰা ইয়াৰ ধ্বংসাৱশেষ উদ্ধাৰ কৰা হয় তেতিয়া দেখা গৈছিল যে ইয়াৰ ইটো অংশৰ পৰা সিটো অংশ প্রায় ৬০০ মিটাৰ দূৰত্বত পৰি আছিল। জাহাজখনৰ মুঠ ২২২৪ জন যাত্রীৰ ভিতৰত মাত্র ৭১০ জনৰহে জীৱন ৰক্ষা পৰে। বাকী ১৫০০তকৈও অধিক লোকে সেই মহাসাগৰৰ হাড় কঁপোৱা ঠাণ্ডা পানীত প্রাণ হেৰুৱাইছিল।

গৱেষকসকলৰ মতে সেই নিশা ছুপাৰ-ৰিফ্রেকছন (super-refraction) নামৰ এক বিশেষ আলোকীয় পৰিঘটনা ঘটিছিল। ইয়াৰ ফলত কুঁৱলীসদৃশ পোহৰৰ স্তৰৰ বাবে আইচবার্গটো হয়তো ৪৫০ মিটাৰ নিলগতে থকা সত্ত্বেও দেখা পোৱা নাছিল। যেতিয়া আহি নিচেই কাষ পালে ইতিমধ্যে বহু পলম হৈ গৈছিল। এই দুর্ঘটনাই সমগ্র বিশ্বক জোকাৰি গৈছিল আৰু ই আজিও মানৱ ইতিহাসৰ আটাইতকৈ বেদনাদায়ক জল-দুর্ঘটনা হিচাপে পৰিচিত। ❖

# জিবুটি : আটাইতকৈ বেছি বিদেশী সেনা ছাউনী থকা দেশ

■ মধুস্মিতা বৰা

পৃথিৱীত বহু সৰু দেশ আছে, কিন্তু কিছুমান কথা বা ঘটনাই এনে দেশ একোখনক গুৰুত্বপূৰ্ণ কৰি তোলে। তেনে এখন দেশ হৈছে আফ্ৰিকা মহাদেশৰ পূব অংশত অৱস্থিত জিবুটি (Djbouti)। প্ৰায় ২৩,২০০ বৰ্গ কিলোমিটাৰ মাটিকালিৰ এই দেশখনৰ জনসংখ্যা কম হ'লেও বিশ্বৰ ৰাজনীতি, সামৰিক কৌশল আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ক্ষেত্ৰত দেশখনৰ স্থান অতি উল্লেখযোগ্য।




এক বিশেষ ভৌগোলিক বিশেষত্বৰ বাবে জিবুটিৰ গুৰুত্ব বিশ্বত অধিক। সেই বিশেষত্ব হৈছে জিবুটি এডেন উপসাগৰ আৰু লোহিত সাগৰক সংযোগ কৰা বাব-এল-মান্দেব (Bab-el-mandeb) সাগৰীয় প্ৰণালীৰ কাষত অৱস্থিত। উল্লেখনীয় যে এই পথেদি এছিয়া, ইউৰোপ আৰু আফ্ৰিকাৰ মাজত চলাচল কৰা হাজাৰ হাজাৰ ব্যাৱসায়িক জাহাজ অহা-যোৱা কৰে। বিশ্বৰ তেল, গেছ, খাদ্য সামগ্ৰী আৰু অন্যান্য ব্যাৱসায়িক সামগ্ৰীৰ এক উল্লেখনীয় অংশ এই পথেদিয়েই পৰিবহণ হোৱাৰ বাবে এই পথৰ সুৰক্ষাও অত্যন্ত গুৰুত্বপূৰ্ণ।

এই কৌশলগত গুৰুত্বৰ বাবেই জিবুটিত আমেৰিকা, ফ্ৰান্স, চীন, জাপান, ইটালী আদি দেশে নিজৰ সামৰিক ঘাটি স্থাপন কৰিছে। এই ছাউনীবোৰৰ মূল উদ্দেশ্য হৈছে সাগৰীয় পথৰ সুৰক্ষা, জলদস্যু দমন, সন্ত্ৰাসবাদ বিৰোধী অভিযান, গুৰুত্বপূৰ্ণ বাণিজ্যিক জাহাজৰ নিৰাপত্তা আৰু দুৰ্যোগৰ সময়ত উদ্ধাৰ অভিযান চলোৱা। সেইবাবে জিবুটিক আটাইতকৈ বেছি বিদেশী সেনা ছাউনী থকা দেশ বুলি কোৱা হয়।

জিবুটিৰ আটাইতকৈ পৰিচিত সামৰিক ঘাটি কেম্প লেমনিয়াৰ (Camp Lemonnier) আমেৰিকাৰ স্থায়ী ঘাটি। এই ঘাটিৰ পৰা আফ্ৰিকা আৰু মধ্যপ্ৰাচ্যৰ বিভিন্ন অঞ্চলত নজৰদাৰী ব্যৱস্থা, সুৰক্ষা অভিযান, মানৱীয় সাহায্য আৰু উদ্ধাৰ অভিযান পৰিচালনা কৰা হয়। চীন দেশে ২০১৭ চনত জিবুটিত নিজৰ প্ৰথম সামৰিক ঘাটি স্থাপন কৰে। ফ্ৰান্স আৰু জাপানেও ইয়াত জলদস্যু দমনৰ বাবে সেনা ছাউনী স্থাপন কৰিছে।

এইখিনিতে এটা প্ৰশ্ন উদয় হ'ব যে এই সামৰিক ঘাটি স্থাপনৰ পৰা জিবুটিৰ কি লাভ হৈছে? জিবুটিৰ অৰ্থনীতিত এই সামৰিক ঘাটিবোৰৰ অবদান যথেষ্ট; কিয়নো বিদেশী ৰাষ্ট্ৰসমূহে ঘাটি স্থাপনৰ বিনিময়ত জিবুটি চৰকাৰক ধন আদায় দিয়াৰ লগতে বহু স্থানীয় লোকে চাকৰিৰ সুযোগ লাভ কৰে। তদুপৰি পথ, সামুদ্ৰিক বন্দৰ, বিমানবন্দৰ, বিদ্যুৎ আৰু অন্যান্য আন্তঃগাঁথনিৰো উন্নয়ন হয়। বিশেষকৈ কাষৰীয়া দেশ ইথিঅ'পিয়াই আমদানি-ৰপ্তানিৰ বাবে জিবুটিৰ ড'ৰাল বন্দৰ ব্যৱহাৰ কৰাৰ বাবে এই বন্দৰটো ব্যস্ততাপূৰ্ণ বুলি বিবেচিত হৈছে।

অৱশ্যে এনে গুৰুত্ব থকাৰ পাছতো জিবুটি কিছু প্ৰত্যাহ্বানৰো সন্মুখীন হৈছে। বহু শক্তিশালী দেশ একে ঠাইতে উপস্থিত থকাৰ বাবে কেতিয়াবা ৰাজনৈতিক মতভেদ বা আন্তঃৰাষ্ট্ৰীয় উত্তেজনাৰ প্ৰভাৱ জিবুটিৰ ওপৰতো পৰে। বিদেশী শক্তিৰ ওপৰত অধিক নিৰ্ভৰশীলতাই সমস্যাৰ সৃষ্টি কৰাৰ লগতে কেতিয়াবা অধিক সামৰিক শক্তি ব্যৱহাৰ কৰাৰ বাবে পাৰিবেশিক ভাৰসাম্য বিনষ্ট হ'ব পাৰে।

জিবুটিৰ দৰে দেশৰ বিষয়ে অধ্যয়নৰ জৰিয়তে ইয়াকে উপলব্ধি কৰিব পাৰি যে এখন দেশৰ প্ৰকৃত শক্তি ইয়াৰ আকাৰ আৰু জনসংখ্যাৰ ওপৰত নিৰ্ভৰ নকৰে; বৰঞ্চ ভৌগোলিক অৱস্থান, সঠিক পৰিকল্পনা, দূৰদৰ্শী নেতৃত্ব আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাইহে এখন দেশক বিশ্বৰ দৃষ্টিত গুৰুত্বপূৰ্ণ কৰি তুলিব পাৰে। জিবুটিয়ে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ পাছতো উন্নয়ন আৰু সুৰক্ষাৰ মাজেৰে নিজৰ ভাৰসাম্য ৰক্ষা কৰিছে। ❖

# দেওপাহাৰ

■ **গায়ত্ৰী শইকীয়া**



অসমৰ ঐতিহাসিক, প্ৰত্নতাত্ত্বিক পৰ্য্যটনস্থলী হিচাপে স্বীকৃত দেওপাহাৰ গোলাঘাট জিলাৰ নুমলীগড় অঞ্চলত অৱস্থিত। এই দেওপাহাৰে প্ৰাকৃতিক সৌন্দৰ্য্য, প্ৰাচীন মন্দিৰ, শিলত খোদিত ভাস্কৰ্য্য, ধৰ্মীয় বিশ্বাস আৰু ইতিহাস আদিৰ নিদৰ্শন বহন কৰি আহিছে। দেওপাহাৰৰ উচ্চতা প্ৰায় ৩০০ মিটাৰ। দেওপাহাৰ নামটোৰ অৰ্থ হৈছে দেৱতাৰ পাহাৰ। এই দেওপাহাৰৰ সৈতে বহুতো লোকপ্ৰবাদ জড়িত হৈ আছে। জনশ্ৰুতি অনুসৰি, এৰাতিৰ ভিতৰতে দেৱতাসকলে এটা বৃহৎ মন্দিৰ নিৰ্মাণৰ চেষ্টা কৰিছিল যদিও সূৰ্য্য উদয় হোৱাৰ আগতেই সকলো কাম সম্পূৰ্ণ নহ'ল। এই কাহিনীৰ বাবেই এই স্থানৰ নাম দেওপাহাৰ হোৱা বুলি জনবিশ্বাস আছে। আন এক জনশ্ৰুতি অনুসৰি ল'ৰাৰজাৰ ভয়ত গদাপাণি পলাই ফুৰোঁতে এই পাহাৰত তিনিগৰাকী অপেশ্বৰীৰ নৃত্য উপভোগ কৰিছিল। এই অপেশ্বৰী তিনিগৰাকীয়ে নাচি নাচি দেওলগা ধৰণে শূন্যত বিলীন হৈ পৰিছিল বাবে এই পাহাৰৰ নাম দেওপাহাৰ বুলি কোৱা হয়। আধুনিক পণ্ডিতসকলৰ মতে এই অঞ্চলত কাৰ্বি জনজাতিৰ লোকসকলে বসবাস কৰিছিল আৰু এই পাহাৰটোক তেওঁলোকে দেওপাহাৰ নাম দিছিল বুলি জনা যায়।

প্ৰাকৃতিক সৌন্দৰ্য্যৰ ফালৰ পৰা দেওপাহাৰ অতিশয় মনোমোহা। ঘন বনাঞ্চল, পাহাৰীয়া পথ, বিভিন্ন প্ৰজাতিৰ উদ্ভিদ, ঔষধি গছ, চৰাই, বন্যপ্ৰাণী আদিয়ে দেওপাহাৰক অধিক আকৰ্ষণীয় কৰিছে। বৰ্ষা আৰু বসন্ত ঋতুৰ সময়ত সেউজীয়া হৈ পৰা এই পাহাৰে প্ৰকৃতিপ্ৰেমীসকলক আকৰ্ষণ কৰে। দেওপাহাৰত স্থাপিত পখিলা কেন্দ্ৰটো এছিয়াৰ ভিতৰতে বৃহত্তম পখিলা কেন্দ্ৰ। হিমালয়ৰ পাদদেশৰ পৰা অহা বৰমৌৰে এই ঠাইৰ সৌন্দৰ্য্য দুগুণে চৰায়।

ইতিহাসবিদসকলৰ মতে, দেওপাহাৰত থকা মন্দিৰ আৰু ভাস্কৰ্য্যসমূহৰ অধিকাংশই দশমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত নিৰ্মাণ কৰা হৈছিল বুলি অনুমান কৰিব পাৰি। দেওপাহাৰত পোৱা বহু ভগ্ন মন্দিৰ, শিলত খোদিত মূৰ্তি, স্তম্ভ, ফুল, লতা, দেৱ-দেৱীৰ প্ৰতিমূৰ্তি, পশু-পক্ষীৰ অলংকৰণে সেই সময়ৰ উন্নত শিল্পকলা আৰু স্থাপত্যৰ প্ৰমাণ দাঙি ধৰে। এই সাক্ষ্যসমূহে শিল্পীৰ অসাধাৰণ দক্ষতা আৰু অসমৰ উন্নত শিল্প-সংস্কৃতিৰ পৰিচয় দিয়ে। দেওপাহাৰৰ স্থাপত্যশৈলীত ভাৰতীয় মন্দিৰ স্থাপত্যৰ সৈতে স্থানীয় শিল্পশৈলীৰ এক সুন্দৰ সমন্বয় দেখা যায়। মন্দিৰৰ দেৱাল, আধাৰ আৰু স্তম্ভত ফুল, লতা, সিংহ, হাতী, নৃত্যৰত নাৰী আৰু বিভিন্ন পৌৰাণিক আখ্যান খোদিত কৰা আছে। এই পাহাৰত খননকাৰ্য্য চলোৱাৰ পাছত বিভিন্ন ধৰণৰ মূৰ্তি উদ্ধাৰ হৈছিল। তাৰ ভিতৰত উৰন্ত অপ্সৰা, নটৰাজৰ মূৰ্তি, সীতাহৰণ, ৰাম-লক্ষ্মণ, গণেশ, যুদ্ধ-বিগ্ৰহ, বিভিন্ন ভংগিমাত থকা পুৰুষ-মহিলা আদি প্ৰধান। বিভিন্ন ধৰণৰ ফুলৰ ভাস্কৰ্য্যৰ ভিতৰত পদুম ফুলৰ শৈল ভাস্কৰ্য্য অন্যতম। দেওপাহাৰৰ বাহিৰে অসমৰ প্ৰাচীন কোনো খনন কাৰ্য্যত এনে মূৰ্তি আজিলৈকে উদ্ধাৰ হোৱা নাই।

ধৰ্মীয় দিশৰ পৰা দেওপাহাৰ শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ উপাসনাৰ এক উল্লেখযোগ্য কেন্দ্ৰ আছিল। ইয়াত শিৱ, বিষ্ণু, গণেশ, সূৰ্য্য, দুৰ্গা আৰু অন্যান্য দেৱতাৰ সৈতে সম্পৰ্কিত বহু ভাস্কৰ্য্য উদ্ধাৰ হৈছে। মন্দিৰৰ শিখৰত থকা মন্দিৰটো ভগৱান শিৱৰ প্ৰতি উছৰ্গিত বুলি গণ্য কৰা হয়। ইয়াৰ মূল শিৱলিংগটো ১৯ শতিকাত পাহাৰৰ কাষতে স্থাপিত বাবা থান মন্দিৰলৈ স্থানান্তৰ কৰা হয় বুলি বহু লোকে মতপোষণ কৰে। ইয়াত সদায় শিৱৰ পূজা-অৰ্চনা কৰা হয়। যদিও এই পাহাৰৰ অধিকাংশ মন্দিৰ ধ্বংসপ্ৰাপ্ত হৈছে, তথাপি অৱশিষ্টখিনিয়ে সেই সময়ৰ উন্নত ধৰ্মীয় সংস্কৃতি আৰু শিল্পচৰ্চাৰ পৰিচয় দিয়ে। ❖

# শিক্ষক দিৱস আৰু ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ



সমাজ আৰু জাতি গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা শিক্ষকসকলৰ অৱদানৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মান জনোৱাৰ উদ্দেশ্যে শিক্ষক দিৱস পালন কৰা হয়। শিক্ষকসকল হ'ল জ্ঞানৰ দীপক, যিয়ে নিজৰ জ্ঞানেৰে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ উজ্জ্বল কৰি তোলে।


শিক্ষাগুৰুসকল কেৱল পাঠ্যপুথিৰ শিক্ষাদাতাই নহয়, তেওঁলোক হ'ল এজন ব্যক্তিৰ চৰিত্ৰ নিৰ্মাতা। ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু নৈতিক বিকাশ ঘটাই তেওঁলোকক একোজন সু-নাগৰিক হিচাপে গঢ়ি তোলাত শিক্ষকৰ ভূমিকা অপৰিসীম। সেইবাবেই সমগ্ৰ বিশ্বতে শিক্ষকসকলৰ ত্যাগ, নিষ্ঠা আৰু প্ৰচেষ্টাক স্বীকৃতি জনাবলৈ এই দিৱস উদযাপন কৰা হয়।

ভাৰতত প্ৰতি বছৰে ৫ ছেপ্টেম্বৰ তাৰিখে শিক্ষক দিৱস পালন কৰা হয়। এই দিনটো ভাৰতৰ প্ৰথম উপৰাষ্ট্ৰপতি, দ্বিতীয় ৰাষ্ট্ৰপতি, মহান দাৰ্শনিক আৰু বিদগ্ধ পণ্ডিত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্ম দিৱস। ১৮৮৮ চনৰ ৫ ছেপ্টেম্বৰত তামিলনাডুত জন্মগ্ৰহণ কৰা ৰাধাকৃষ্ণণে মহীশূৰ, কলিকতা আৰু অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ দৰে বিখ্যাত প্ৰতিষ্ঠানত অধ্যাপনা কৰিছিল। প্ৰায় চল্লিছ বছৰ কাল শিক্ষা জগতৰ সৈতে জড়িত হৈ থাকি তেওঁ শিক্ষকতাৰ তাৎপৰ্য্য অনুধাৱন কৰিছিল আৰু শিক্ষকৰ স্থান যে সকলোৰে ওপৰত সেই কথা উপলব্ধি কৰিছিল। ১৯৬২ চনত তেওঁ ভাৰতৰ ৰাষ্ট্ৰপতি হোৱাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ জন্মদিনটো উদযাপন কৰিব বিচৰাত, তেওঁ কৈছিল—"মোৰ জন্মদিনটো পৃথকভাৱে উদযাপন কৰাতকৈ শিক্ষকসকলৰ সন্মানাৰ্থে 'শিক্ষক দিৱস' হিচাপে পালন কৰিলে মই অধিক গৌৰৱবোধ কৰিম।" তেতিয়াৰে পৰা তেওঁৰ জন্মদিৱসটোক স্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যে সমগ্ৰ দেশতে শিক্ষক দিৱস পালন কৰা হয়।

বিশ্বৰ সকলো দেশতে শিক্ষকসকলক সন্মান জনোৱা হয় যদিও উদযাপনৰ তাৰিখসমূহ সুকীয়া।

ইউনেস্ক'ৰ উদ্যোগত সমগ্ৰ বিশ্বজুৰি ৫ অক্টোবৰ তাৰিখে 'বিশ্ব শিক্ষক দিৱস' পালন কৰা হয়। আনহাতে চীন দেশত ১০ ছেপ্টেম্বৰ, ব্ৰাজিলত ১৫ অক্টোবৰ, মেক্সিকোত ১০ মে', থাইলেণ্ডত ১৬ জানুৱাৰী আৰু তুৰস্কত ২৪ নৱেম্বৰ তাৰিখে শিক্ষক দিৱস উদযাপন কৰা হয়। ভিয়েটনামত শিক্ষক দিৱস পালন কৰা হয় ২০ নৱেম্বৰ তাৰিখে। দক্ষিণ কোৰিয়াত ১৫ মে', আৰ্জেণ্টিনাত ১১ ছেপ্টেম্বৰ, বাংলাদেশত ৫ অক্টোবৰ, ভূটানত ২ মে' আৰু কলম্বিয়াত ১৫ মে' তাৰিখে শিক্ষক দিৱস পালন কৰা হয়। ❖

# মৰমৰ দেউতা




“মই দূৰত চাকৰি কৰোঁ। সি মোৰ ডাঙৰ ল'ৰা। তাক যি লাগে মই সকলো দিছোঁ। মই বহুত টকা-পইচা থকা মানুহ নহওঁ, তথাপি তাক মই অভাৱত ৰখা নাই। তাৰ মনটো ভালে থাকিলে সি পঢ়া-শুনা কৰি ভাল ল'ৰা হ'ব, সেই বুলিয়েই, বাকীকেইটাৰ মুখৰ পৰা কাঢ়ি হ'লেও তাক মই যি লাগে দি আছোঁ। কিন্তু কথাবোৰ এনেকুৱা হ'লগৈ, মই যেন জ্বলা জুইত শুকান খৰিহে জাপি আছোঁ !......বুজালেও সি মাকৰ ওপৰত দম্ভালি মাৰে। মোৰ ওপৰত দম্ভালি মাৰে। বায়েক-ভায়েকহঁতকতো পোক-পৰুৱা, ধূলি-মাকতি বুলিও গণ্য নকৰে। এনেকুৱা এটা ল'ৰা ঘৰত থৈ মই সৌ দূৰৰ ঠাইত শান্তিৰে থাকিব পাৰোঁনে?”

—এয়া এজন পিতৃৰ মনৰ যন্ত্ৰণা আৰু হতাশা। নিজৰ শক্তি-সামৰ্থ্যৰে সম্ভৱপৰ আটাইবোৰ সুখ-সুবিধা দিবলৈ চেষ্টা কৰাৰ পাছতো সন্তানৰ উন্নাসিক আচৰণে হতাশগ্ৰস্ত কৰা পিতৃৰ মনোবেদনা। প্ৰতিজন পিতৃ-মাতৃৰ বাবেই সন্তানৰ সুখেই নিজৰো সুখ হৈ পৰে। সৰুৰে পৰা আদৰ-যতনেৰে ডাঙৰ কৰা সন্তানটো যেতিয়া অবাধ্য হৈ পৰে, অযুক্তিকৰ দাবীৰে ঘৰৰ শান্তি নষ্ট কৰে, পঢ়া-শুনালৈ পিঠি দিয়ে—তেতিয়া পিতৃ-মাতৃয়ে যি মানসিক অৱস্থাৰে দিন নিয়াবলগীয়া হয় সেয়া কেৱল ভুক্তভোগীয়েহে অনুভৱ কৰিব পাৰে। ড° ভবেন্দ্ৰ নাথ শইকীয়াই ৰচনা কৰা ‘মৰমৰ দেউতা’ নামৰ উপন্যাসখনৰ পিতৃ চৰিত্ৰটোৱেও এনে এক মানসিক অৱস্থাৰ মাজেৰেই দিন নিয়াব লগা হৈছে।

পৰিয়ালৰ ডাঙৰ সন্তান বিপুলে মাক-দেউতাকৰ পৰা সি বিচৰা আটাইবোৰ বস্তু পাইছে যদিও মাক-দেউতাক অথবা ভায়েক-ভনীয়েকৰ অনুভূতিৰ প্ৰতি অলপো গুৰুত্ব দিয়া নাই। বৰং সাধাৰণ কথাতে চিঞৰ-বাখৰ কৰি, অভদ্ৰ আচৰণ কৰি সকলোকে মানসিক কষ্ট দিছে। বিপুলক সৎ পথলৈ অনাৰ আশাৰে ঘৰত আয়োজন কৰা পূজাও শেষ পৰ্য্যন্ত সুকলমে সমাধান হোৱা নাই তাৰ উদ্ভণ্ডালিৰ বাবেই। বিপুলৰ চুলিখিনি চুটিকৈ কটাৰ বাবেই বিপুলে ভৰত নামৰ নাপিতজনৰ ভৰিত বেয়াকৈ আঘাত কৰিছে। ভৰত চিকিৎসাধীন হ'ব লগা হৈছে। বিপুলৰ মাকো মূৰ্চ্ছা গৈছে। বিপুলতকৈ সৰু বাণী-ৰিণি-মুকুলেও মনত কষ্ট পাইছে। সেইদিনাই নিশালৈ বিপুলক কোনোবাই

প্ৰহাৰ কৰা বাবে সি বেয়াকৈ আঘাতপ্ৰাপ্ত হৈছে। বিপুলৰ এখন ভৰি কাটি পেলাব লগা হ'ব বুলিও চিকিৎসকে জানিবলৈ দিছে। ঠিক তেতিয়াই সকলোৰে মনলৈ এটা প্ৰশ্ন আহিছে—বিপুলক আচলতে মাৰিলে কোনে? এই ঘটনাৰ তদন্ত হ'ল। সন্দেহৰ আঙুলি উঠিল কেইবাজনলৈও। গণেশ নামৰ দোকানীজন, যাৰ সৈতে ঘটনাৰ দিনা বিপুলৰ তৰ্কাতৰ্কি লাগিছিল, তেওঁকো সন্দেহ কৰা হৈছিল। বিপুলৰ বন্ধুবোৰলৈও সন্দেহ উপজিছিল। অৱশেষত বিপুলক কোনে মাৰিলে তাৰ উৰাদিহ পোৱা গ'ল। প্ৰকৃততে বিপুলক দেউতাকেই প্ৰহাৰ কৰিছিল। প্ৰশ্ন হয় বিপুলক অত্যন্ত মৰম কৰা দেউতাকে তাক মাৰিলে কিয়? আচলতে বিপুলৰ উগ্ৰ আচৰণ, পৰিয়ালৰ প্ৰতি অসন্মান আৰু নৈতিক অধঃপতন দেখি দেউতাক অতিষ্ঠ হৈছিল। যিদিনা বিপুলক সমনীয়াৰ সৈতে চিগাৰেট হুপি থকা দেখিছিল, সেইদিনা তেওঁৰ ধৈৰ্য্যৰ বান্ধ ছিগি গৈছিল। ওচৰতে পোৱা বাঁহৰ টুকুৰাৰে বিপুলক জোৰকৈ আঘাত কৰিছিল। দেউতাকে বিপুলক মৰাৰ কাৰণ তথা স্বীকাৰোক্তি যেতিয়া বিপুলে দেউতাকৰ মুখৰ পৰাই শুনিবলৈ পাইছিল তেতিয়া বিপুল নিজৰ কৃতকৰ্মৰ বাবে অনুতপ্ত হৈছিল।

'মৰমৰ দেউতা' উপন্যাসখনে পিতৃ-মাতৃৰ মনোজগত এখন সকলোৰে আগত উন্মোচিত কৰিছে। দেউতাকৰ দৰে বিপুলৰ মাকেও বিপুলৰ ইচ্ছাক সদায় গুৰুত্ব দিয়ে। অথচ মাকৰ মনত প্ৰতিদিনে কষ্ট দিয়াৰ বাহিৰে বিপুলে আন একো কৰা নাই। আমাৰ সমাজত বিপুলৰ নিচিনা এনে অনেক কিশোৰ-কিশোৰী আছে, যিয়ে পিতৃ-মাতৃৰ আশা তথা সপোনবোৰ গুৰুত্ব দিবলৈ শিকা নাই। হেঁপাহেৰে ডাঙৰ কৰা সন্তানৰ অধঃপতনে পিতৃ-মাতৃক কি অসহনীয় মনোকষ্ট দিয়ে, অসুস্থ কৰি তোলে তাৰ বাস্তৱিক বৰ্ণনা আছে উপন্যাসখনত। উপন্যাসখন পঢ়িলে অনেক কিশোৰে কাহিনীভাগৰ মাজত নিজক বিচাৰি পাব, লগতে ভুল শুধৰণিৰ প্ৰয়োজনীয়তাও নিশ্চয় উপলব্ধি কৰিব। ❖

## শুৱলা ভাষা

বানানৰ সামান্য সালসলনিয়ে অৰ্থৰ পাৰ্থক্য ঘটোৱা আৰু কেইটামান শব্দ জানি থওঁ আহা :

**সাহ :** (নিৰ্ভীকতা, ভয় নকৰা গুণ) : ল'ৰাটোৰ বৰ সাহ আছে দেই, ধুমুহা-বতাহ নেওচি অকলে ঘৰলৈ গ'ল।

**শাহ :** (টান খোলাৰ ভিতৰত থকা কোমল মঙহাল অংশ) : নাৰিকলৰ খোলাটো টান হ'লেও শাহখিনি বৰ সোৱাদভৰা।

**আঁহত :** (এবিধ ডাঙৰ গছ) : পুখুৰীটোৰ পাৰত থকা আঁহত গছজোপাত বহু চৰায়ে আশ্ৰয় লৈ আছে।

**আহত :** (আঘাত পোৱা) : দুৰ্ঘটনাটোত বহুতো লোক আহত হ'ল। ❖

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# নেহাঁহিবি মোক সুঁচৰিব তোক

সমাজত এনে কিছুমান মানুহ আছে যি আন মানুহৰ দুৰ্বলতা দেখিলে ঠাট্টা কৰে। তেওঁলোকৰ দুৰ্বল দিশবোৰ আনৰ আগত আলোচনা কৰি তেওঁলোকক ব্যতিব্যস্ত কৰে। কিন্তু কেতিয়াবা পৰিস্থিতিৰ পাকচক্ৰত পৰি আনক হঁহা মানুহ নিজেও তেনে কিছুমান দুৰ্য্যোগৰ মুখামুখি হ'ব পাৰে। কোনো মানুহেই নিজৰ ভৱিষ্যতৰ কথা যিহেতু ক'ব নোৱাৰে, সেয়েহে আনক ঠাট্টা-বিদ্ৰূপ কৰি কথা কোৱাও উচিত নহয়। আনৰ দুৰ্ভাগ্য অথবা বেয়া পৰিস্থিতি দেখি এসময়ত হঁহা মানুহে যদি পাছত নিজেও তেনে পৰিস্থিতিত পৰে তেতিয়া নিজেই লাজ পাব লগা হয়। 'নেহাঁহিবি মোক সুঁচৰিব তোক' প্ৰবচনটো এই অৰ্থতে ব্যৱহাৰ কৰা হয়।

প্ৰায়োগিক বাক্য : **ৰাজীৱৰ দুৰ্দশা দেখি তই বৰকৈ ঠাট্টা-মস্কৰা কৰিছিলি নহয়—এতিয়া দেখোন তোৰ নিজৰেই এই অৱস্থা; সেয়ে জ্ঞানী লোকে কয়—নেহাঁহিবি মোক সুঁচৰিব তোক।** ❖

# পঢ়ায়, পঢ়ে, ৰোৱে পাণ, সেই তিনিয়ে নিচিন্তে আন

*[পঢ়ায় (শিক্ষক), পঢ়ে (ছাত্ৰ), ৰোৱে পাণ (পাণ গছৰ খেতিয়ক)]*



কোনো কামত সফলতা অৰ্জন কৰিবলৈ হ'লে একাগ্ৰতাৰ অতিকে প্ৰয়োজন। শিক্ষাৰ্থীসকলে পঢ়া-শুনাৰ ক্ষেত্ৰত সফলতা লাভ কৰিবলৈ হ'লে সদায় একাগ্ৰ মনৰ হোৱাটো বাঞ্ছনীয়। অমনোযোগী ছাত্ৰৰ উত্তৰণ সম্ভৱ নহয়। একেদৰে পাঠ পঢ়াওঁতা শিক্ষকজনেও পাঠদান কাৰ্য্যত একাণপতীয়াকৈ আত্মনিয়োগ কৰিলেহে শিক্ষাৰ্থীসকলক সঠিকভাৱে আগুৱাই নিব পাৰিব। ঠিক একেদৰে পাণ খেতি কৰা খেতিয়কজনেও পাণ গছ সঠিকভাৱে প্ৰতিপালন কৰিলেহে পাণবাৰী লহপহীয়া হ'ব। এই যোজনাটোৰ জৰিয়তে একাগ্ৰতাই যে উন্নতিৰ মূলমন্ত্ৰ সেই কথাকে বুজাব খোজা হৈছে।

**প্ৰায়োগিক বাক্য : দশম শ্ৰেণী পালিহি, এতিয়া অন্ততঃ মনটো স্থিৰ কৰ; জানইতো পঢ়ায়, পঢ়ে, ৰোৱে পাণ, সেই তিনিয়ে নিচিন্তে আন।** ❖

*চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক জন্তুসমূহ

**ঢেঁকীয়াপতীয়া বাঘ** (ইংৰাজী নাম : Bengal tiger, বৈজ্ঞানিক নাম *Panthera tigris tigris)* :



ঢেঁকীয়াপতীয়া বাঘ হৈছে বাঘৰ এক প্ৰখ্যাত উপপ্ৰজাতি। ই এবিধ স্তন্যপায়ী প্ৰাণী। ঢেঁকীয়াপতীয়া বাঘ ফেলিডি (felidae) পৰিয়ালৰ অন্তৰ্গত আৰু ভাৰতৰ পশ্চিমবংগৰ ৰাজ্যিক জন্তু। এইবিধ জন্তু প্ৰধানকৈ ভাৰত, নেপাল, ভূটান আৰু বাংলাদেশত বিস্তৃত হৈ আছে। এই প্ৰাণীবিধ ভাৰতৰ অসম, পশ্চিমবংগ, বিহাৰ আদি ৰাজ্যত পোৱা যায়। তদুপৰি ঢেঁকীয়াপতীয়া বাঘ ভাৰত আৰু বাংলাদেশ দুয়োখন দেশৰে ৰাষ্ট্ৰীয় প্ৰাণী বা জন্তু। ২০০০ চনত আইইউচিএনে (International Union for Conservation of Nature) ইতিমধ্যে ঢেঁকীয়াপতীয়া বাঘক সংকটাপন্ন (endangered) প্ৰজাতি বুলি চিহ্নিত কৰিছে।

এইবিধ প্ৰাণীয়ে মূলতঃ ক্ৰান্তীয় সেমেকা বনাঞ্চল, সেমেকা পৰ্ণপাতী বনাঞ্চল আদি অৰণ্যত বাস কৰে। ই এবিধ মাংসভোজী প্ৰাণী। ঢেঁকীয়াপতীয়া বাঘৰ গাৰ বৰণ হালধীয়া বা পাতল কমলা হয়। ইয়াৰ গোটেই দেহতে গাঢ় মুগা বা ক'লা আঁচ থকা দেখা যায়। ইয়াৰ পেট বগা আৰু কমলা বৰণৰ, তাতে ক'লা মণি (black rings) থকা দেখা পোৱা যায়। মতা ঢেঁকীয়াপতীয়া বাঘৰ দেহৰ দৈৰ্ঘ্য গড়ে ২৭০-৩১০ ছেমি. আৰু মাইকী বাঘৰ প্ৰায় ২৪০-২৬৫ ছেমি.। মতা ঢেঁকীয়াপতীয়া বাঘৰ গড় ওজন প্ৰায় ২২০ কিলোগ্ৰাম আৰু মাইকী বাঘৰ ওজন প্ৰায় ১৪০ কিলোগ্ৰাম। ইতিমধ্যে আইইউচিএনৰ দ্বাৰা বিপদাপন্ন বুলি ঘোষণা হোৱা এই প্ৰাণীবিধৰ সংৰক্ষণৰ হকে চৰকাৰ তথা চৰকাৰী-বেচৰকাৰী সংস্থাসমূহে বিভিন্ন ব্যৱস্থা আৰু পৰিকল্পনা হাতত লৈছে। বিভিন্ন ঠাইক ব্যাঘ্ৰ সংৰক্ষিত অঞ্চল হিচাপে গঢ়ি তোলা হৈছে। ভাৰতত ঢেঁকীয়াপতীয়া বাঘৰ গণনা বাঘৰ ভৰিৰ খোজৰ ওপৰত নিৰ্ভৰ কৰি কৰা হৈছিল, কিন্তু শেহতীয়াকৈ এই পদ্ধতিত থকা আসোঁৱাহসমূহৰ আলোচনা-সমালোচনা হোৱাত বৰ্তমান নতুনকৈ কেমেৰা ট্ৰেপিং (camera trapping) পদ্ধতি অৱলম্বন কৰা হৈছে।

বিভিন্ন ঠাইত বাঘ আৰু মানুহৰ মাজত সংঘাত হোৱাও দেখা যায়। এনে সংঘাতত বহু মানুহে প্ৰাণ হেৰুওৱাৰ লগতে বহুতো বাঘ আৰু পোহনীয়া জন্তুৰো মৃত্যু হৈছে। ইয়াৰ প্ৰধান কাৰণেই হৈছে বনাঞ্চল ধ্বংস আৰু খাদ্যবস্তুৰ অভাৱ। চোৰাং চিকাৰ আৰু বনাঞ্চল ধ্বংসৰ বাবে এই আপুৰুগীয়া প্ৰাণীবিধৰ সংখ্যা দিনে দিনে হ্ৰাস পাবলৈ ধৰিছে। ❖

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

### শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী |
|---|---|
| সংলগ্ন কৰা | affix, attach |
| পূৰ্বোক্ত, উল্লিখিত | aforesaid |
| ভয় কৰা | afraid |
| কাৰ্য্যসূচী | agenda |
| প্ৰতিনিধি | agent, representative |
| আক্ৰমণাত্মক | aggressive |
| উত্তেজিত কৰা | agitate, excite |
| যন্ত্ৰণা, বেদনা | agony, pain |
| কৃষি | agriculture |
| শেলাই | algae |
| অপৰিচিত | alien, unfamiliar |
| ক্ষাৰকীয় | alkaline |
| জীৱিত | alive |
| ৰূপক | allegory, metaphor |

| অসমীয়া | ইংৰাজী |
|---|---|
| আবণ্টন দিয়া | allot |
| বিকল্প | alternative |
| অপেছাদাৰী | amateur |
| ৰাষ্ট্ৰদূত | ambassador |
| দ্ব্যৰ্থক, অস্পষ্ট | ambiguous |
| উচ্চাকাংক্ষা | ambition |
| সংশোধন | amendment |
| অমায়িক, বন্ধুভাৱাপন্ন | amiable |
| স্মৃতিভ্ৰংশ, স্মৃতিলোপ | amnesia |
| উভচৰ প্ৰাণী | amphibian |
| ভাব-সম্প্ৰসাৰণ | amplification |
| ৰক্তহীনতা | anaemia |
| বিশ্লেষণ | analysis |
| শৰীৰতত্ত্ব, দেহতত্ত্ব | anatomy |
| পূৰ্বপুৰুষ | ancestor |
| প্ৰাচীন | ancient ❖ |

## কুইজ

■ দীপাংকৰ কৌশিক

১। ভাৰতত জন্মগ্ৰহণ কৰা আৰু ভাৰতীয় নাগৰিক হিচাপে শান্তিৰ ন'বেল বঁটা লাভ কৰা প্ৰথমজন ব্যক্তি কোন?

২। লিঅ'নেল মেছি, জোনাথন ডেভিদ, বুকায়ো ছাকাৰ সৈতে আৰু কোনজন ফুটবলাৰে ২০২৬ৰ ফিফা বিশ্বকাপত হেটট্ৰিক অৰ্জন কৰিছিল?

৩। ১৮১৩ চনত প্ৰকাশ পাইছিল প্ৰথমখন অসমীয়া পুথি 'ধৰ্মপুস্তক'। এইখন আছিল অনূদিত গ্ৰন্থ। অনুবাদ কৰিছিল আত্মাৰাম শৰ্মাই। কোনখন গ্ৰন্থৰ অনুবাদ আছিল এইখন?

৪। গ্লাছগো কমনৱেলথ গেমছত অস্মিতা দে'ই প্ৰথমগৰাকী ভাৰতীয় হিচাপে কোনবিধ খেলত স্বৰ্ণ পদক অৰ্জন কৰিছিল?

৫। 'মাক আৰু মৰম'—নিপ বৰুৱাই পৰিচালনা কৰা এইখন চলচ্চিত্ৰৰ জৰিয়তে কোনজন প্ৰখ্যাত অসমীয়াই গীতিকাৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল?

৬। জাপানৰ কোনটো পৰিবেশ্য কলাৰ নামটো আহিছে স্থানীয় ভাষাত 'গীত, নৃত্য আৰু অভিনয়' বুজোৱা শব্দৰ পৰা?

৭। গ্লাছগো কমনৱেলথ গেমছত ভাৰতৰ ১২২ গৰাকী এথলীটে ভাগ লৈছিল। তাৰ ভিতৰত ৩৮ গৰাকীয়ে মুঠতে ৩৯ টা পদক লাভ কৰে। কোনজন ভাৰতীয়ই দুটা পদক জয় কৰে?

৮। ছলুং উৎসৱত পৰিৱেশন কৰা হয় পনুং নৃত্য। ইয়াৰ মূল গায়কজনক মিৰি বুলি কোৱা হয়। উত্তৰ পূৰ্বাঞ্চলৰ কোনটো জনগোষ্ঠীৰ নৃত্য বাৰু এইটো?

৯। নলিনী পাৰ্থিবান, আনন্দ ভৰদ্বাজ, এছ সুন্দৰৰমন আৰু বীৰা ৰাঘৱনে মাত্ৰ ২০০০ টকা বিনিয়োগেৰে আৰম্ভ কৰা এই কোম্পানীটোৰ আঁৰত আছে এগৰাকী আইতা। তেওঁৰ নাম জানকী পাটি। কোম্পানীটো কি?

১০। টপ'ন'মীত (Toponymy) কিহৰ বিষয়ে অধ্যয়ন কৰা হয়?

১১। মিষ্টাৰ নটৱৰলাল নামৰ হিন্দী চলচ্চিত্ৰখনৰ 'মেৰে পাচ আও মেৰে দোস্তো' শীৰ্ষক গীতটোৰে কোনে গায়ক হিচাপে আত্মপ্ৰকাশ কৰিছিল?

১২। দি স্কুল অৱ এথেন্স—এখন বিখ্যাত পেইণ্টিং। পেইণ্টিংখনৰ স্ৰষ্টা কোন?

১৩। ৱালচান্দ হীৰাচান্দ নামৰ উদ্যোগপতিজনে মহীশূৰৰ মহাৰজা জয় চামৰজা ৱডিয়াৰৰ সৈতে লগ হৈ ১৯৪০ চনৰ ২২ ডিচেম্বৰত কোনটো প্ৰতিষ্ঠানৰ আৰম্ভণি কৰিছিল?

১৪। ১৯৮৩ চনত অজন্তা, ইলোৰা গুহা আৰু তাজমহলৰ লগতে কোনটো দুৰ্গক ইউনেস্কোৱে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি দিছিল?

১৫। ১৯০৪ চনত বিশ্বৰ প্ৰথমটো সংস্থা হিচাপে কোনে শান্তিৰ ন'বেল বঁটা লাভ কৰিছিল?

১৬। লোক কল্পদৃষ্টি—কোনগৰাকী সাহিত্য অকাডেমী বঁটাপ্ৰাপকে লিখা গ্ৰন্থ?

**চিত্ৰ সংকেত**

১৭। কোন বাৰু এই দুগৰাকী ভাৰতীয় খেলুৱৈ? ❖



## চুড'কুৰ শুদ্ধ উত্তৰ দিওঁতাসকল, আগষ্ট, ২০২৬

ময়ূৰী তালুকদাৰ (অষ্টম ক), ৰিহান চৌধুৰী (অষ্টম গ), অংশুমান কুমাৰ (অষ্টম ঘ)। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল, আগষ্ট ২০২৬

ছায়াক্ষী পৰাশৰ (সপ্তম খ), অংকিতা কলিতা (দশম ঘ), ৰিতীস্না কলিতা (সপ্তম ক), ৰাগিণী কাশ্যপ (অষ্টম গ), অণ্বেষণ শিৰম সূত (অষ্টম খ), অনিত্য দত্ত (অষ্টম খ), অংশুমান কুমাৰ (অষ্টম ঘ)।❖

# উন্নয়নৰ আধুনিক পৰিভাষা

■ ৰুণিমা শৰ্মা

***টোকা : জাতীয় আয় :** এটা নিৰ্দিষ্ট বৰ্ষত এখন দেশৰ স্থায়ী বাসিন্দাসকলৰ উৎপাদন আৰু সেৱাৰ মুঠ বজাৰমূল্যকে জাতীয় আয় বোলে।*

***জনমূৰি আয় :** এখন দেশৰ এবছৰৰ মুঠ ৰাষ্ট্ৰীয় আয়ক দেশখনৰ মুঠ জনসংখ্যাৰে হৰণ কৰিলে পোৱা ভাগফল।*

***উদাৰীকৰণ নীতি :** অৰ্থবিজ্ঞানত উদাৰীকৰণ বুলিলে চৰকাৰী নিয়ন্ত্ৰণ, কাঢ়া আইনী নিয়ম আৰু অনাৱশ্যকীয় বাধা-নিষেধবোৰ হ্ৰাস কৰি ব্যক্তিগত খণ্ড আৰু মুক্ত বজাৰলৈ অধিক স্বাধীনতা দিয়াৰ প্ৰক্ৰিয়াটোক বুজোৱা হয়।*

***জিডিপি (মুঠ ঘৰুৱা উৎপাদন) :** এটা নিৰ্দিষ্ট সময়ত এখন দেশৰ ভৌগোলিক সীমাৰ ভিতৰত উৎপাদিত হোৱা সকলো দ্ৰব্য আৰু সেৱাৰ মুঠ বজাৰ মূল্য।*

বিশ্বৰ প্ৰতিখন দেশৰেই প্ৰধান উদ্দেশ্য হৈছে উন্নয়ন। উন্নয়নৰ ধাৰণাই প্ৰধানকৈ প্ৰগতি, যোগাত্মক পৰিৱৰ্তন, জীৱন ধাৰণৰ মান উন্নয়ন আদি ধাৰণাসমূহক সামৰি লয়। দেশ এখনৰ ক্ষেত্ৰত অৰ্থনৈতিক উন্নয়নে প্ৰধান গুৰুত্ব লাভ কৰে। ইয়াৰ ওপৰত ভিত্তি কৰি দেশসমূহক উন্নত, উন্নয়নশীল আৰু অনুন্নত এই ভাগসমূহত ভাগ কৰা হৈছে। উন্নয়নৰ প্ৰধান বৈশিষ্ট্য কিছুমান আছে যাৰ জৰিয়তে এই ধাৰণাটো আৰু অধিক স্পষ্ট হৈ পৰে। এই বৈশিষ্ট্যবোৰ হ'ল—

(১) **অৰ্থনৈতিক উন্নয়ন :** দেশ এখনৰ উন্নয়ন বুলিলে মূলতঃ দেশখনৰ অৰ্থনৈতিক উন্নয়নক বুজা যায়। দেশখনৰ জাতীয় আয় আৰু জনমূৰি আয় বৃদ্ধিৰ লগতে অৰ্থনৈতিক সমস্যাসমূহ নোহোৱা হ'লে দেশখনক উন্নত বুলি ক'ব পাৰি।

(২) **আধুনিকীকৰণ :** উন্নয়নৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে আধুনিকীকৰণ। আধুনিক চিন্তা-চৰ্চা আৰু উদাৰীকৰণ নীতিক ই সামৰি লয়।

(৩) **বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়ন :** দেশ এখনৰ উন্নয়নৰ সৈতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ দিশটো ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়ন অবিহনে দেশ এখনৰ উন্নতি সম্ভৱ নহয়।

**উন্নয়নৰ আধুনিক ধাৰণা**

দেশ এখনৰ উন্নয়নৰ সৈতে উক্ত বৈশিষ্ট্যসমূহ জড়িত হৈ আছে যদিও আধুনিক ধাৰণা অনুসৰি উন্নয়নৰ অৰ্থ কিছু সলনি হৈছে। আধুনিক ধাৰণা মতে অৰ্থনৈতিক দিশৰ লগতে আন বহুতো দিশ উন্নয়নৰ সৈতে জড়িত হৈ থাকে। উদাহৰণস্বৰূপে, ৰাজনৈতিক স্থিৰতা, সামাজিক গতিশীলতা, পৰিৱেশ সুৰক্ষা, বহনক্ষম উন্নয়ন, কল্যাণ, শান্তি ইত্যাদি বিষয়সমূহো উন্নয়নৰ ধাৰণাৰ সৈতে জড়িত। উন্নয়নৰ আধুনিক অৰ্থ কেৱল অৰ্থনৈতিক উন্নয়নৰ মাজতেই সীমাবদ্ধ নহয়। এই ধাৰণাৰ বাহিৰলৈ গৈ উন্নয়নক এক বহুমাত্ৰিক প্ৰক্ৰিয়া হিচাপে বুজা যায় যাৰ লক্ষ্য হৈছে মানুহৰ মংগল আৰু জীৱনৰ মান উন্নত কৰা। ইয়াত কেৱল বস্তুগত সম্পদৰ ওপৰত নহয়, মানৱীয়, সামাজিক আৰু পৰিৱেশগত দিশৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। উন্নয়নৰ আধুনিক ধাৰণা মানৱকেন্দ্ৰিক। ইয়াত জনসাধাৰণৰ স্বাস্থ্য, শিক্ষা, স্বাধীনতা, মানুহৰ সামৰ্থ্য সম্প্ৰসাৰণ আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। উন্নয়নৰ আধুনিক ধাৰণাই বহনক্ষম অৰ্থাৎ বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে পৰিৱেশৰ সুৰক্ষা আৰু দায়িত্বশীল সম্পদ ব্যৱহাৰৰ কথা বিবেচনা কৰে। এই ধাৰণাই বৈষম্য হ্ৰাস কৰিব বিচাৰে, সামাজিক ন্যায় নিশ্চিত কৰে। তদুপৰি মানুহক সবলীকৰণ কৰাত তথা তেওঁলোকৰ জীৱনক প্ৰভাৱিত কৰা সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰিবলৈ সক্ষম কৰে। উন্নয়নৰ আধুনিক ধাৰণাৰ জৰিয়তে দেশ এখনৰ জিডিপিৰ (GDP) লগতে জনসাধাৰণৰ সাক্ষৰতা, স্বাস্থ্য আৰু সামগ্ৰিক সুখৰ উন্নতিৰ দ্বাৰা অগ্ৰগতি জুখিব পৰা যায়।

উন্নয়নৰ আধুনিক ধাৰণাই পৰিৱেশ বিষয়টোৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে। বৰ্তমান সময়ত পৰিৱেশ সুৰক্ষা আৰু উন্নয়নৰ ধাৰণাটো দেশ এখনৰ উন্নয়নৰ সৈতে জড়িত হৈ পৰিছে। অৰ্থাৎ আমি ক'ব পাৰোঁ যে উন্নয়ন এটা গতিশীল ধাৰণা। সময় আৰু পৰিস্থিতি সাপেক্ষে উন্নয়নৰ ধাৰণাও সলনি হয়।❖

# বিশ্ব ক্ৰীড়াংগনত লাভলীনা, জানমণি আৰু অস্মিতাৰ সিংহবিক্ৰম

■ কুশল গোস্বামী

## লাভলীনা বৰগোহাঁই



অসমৰ ক্ৰীড়াজগতৰ এটা অতি জনপ্ৰিয় নাম হৈছে লাভলীনা বৰগোহাঁই। যোৱা ১ আগষ্ট তাৰিখে ২৩ সংখ্যক গ্লাছগো কমনৱেলথ গেমছ, ২০২৬ত ৭৫ কেজি শাখাত (মহিলা) বক্সিঙত ৰূপৰ পদক লাভ কৰি অসম কন্যা লাভলীনা বৰগোহাঁয়ে ৰাজ্যখনলৈ তথা দেশলৈ আকৌ এবাৰ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। গোলাঘাট জিলাৰ বৰমুখীয়া গাঁৱত ১৯৯৭ চনত জন্মগ্ৰহণ কৰা লাভলীনা বৰগোহাঁয়ে ২০২০ চনৰ (২০২১ চনত অনুষ্ঠিত) জাপান অলিম্পিকত বক্সিঙত ব্ৰঞ্জৰ পদক লাভ কৰি ইতিহাস ৰচনা কৰিছিল। লাভলীনা হৈছে অলিম্পিক খেলত পদক লাভ কৰা প্ৰথমগৰাকী অসমীয়া খেলুৱৈ। তদুপৰি অলিম্পিকত বক্সিঙত পদক লাভ কৰা তৃতীয়গৰাকী ভাৰতীয় খেলুৱৈ।

কৃষক টেকেন বৰগোহাঁই আৰু মৰমী বৰগোহাঁইৰ কন্যা লাভলীনাই ২০১৩ চনৰ পৰাই পদুম বড়োৰ নেতৃত্বত প্ৰশিক্ষণ লাভ কৰি কেৰিয়াৰ আৰম্ভ কৰে। পৰৱৰ্তী সময়ত লাভলীনাই সন্ধ্যা গুৰুঙৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰে। বিশ্ব মহিলা বক্সিং চেম্পিয়নশ্বিপত সোণ আৰু ৰূপৰ পদক লাভ কৰা খেলুৱৈগৰাকীয়ে এতিয়ালৈ ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় মুঠ ৫৬ খন খেলত অংশগ্ৰহণ কৰি ৩৩ খনতে বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। এছিয়ান গেমছত এটা ৰূপৰ পদক লাভ কৰা বক্সাৰগৰাকীয়ে এছিয়ান চেম্পিয়নশ্বিপত ১টা সোণৰ আৰু দুটা ৰূপৰ পদক লাভ কৰিছে। অলিম্পিক গেমছ, এছিয়ান গেমছ আৰু কমনৱেলথ গেমছ—এই তিনিওখন প্ৰতিযোগিতাতে পদক লাভ কৰি লাভলীনাই বিৰল কৃতিত্ব অৰ্জন কৰিছে।

খেলৰ যাদুকৰী কৌশলেৰে দেশলৈ গৌৰৱ কঢ়িয়াই অনা বক্সাৰগৰাকীক বিৰল কৃতিত্বৰ স্বীকৃতিস্বৰূপে ভাৰত চৰকাৰে ২০২০ চনত অৰ্জুন বঁটা আৰু ২০২১ চনত ক্ৰীড়া জগতৰ সৰ্বোচ্চ সন্মান মেজৰ ধ্যান চান্দ খেলৰত্ন বঁটাৰে বিভূষিত কৰে। ২০২২ চনত অসম চৰকাৰে ডিএছপি হিচাপে নিযুক্তি দিয়া লাভলীনাক 'অসম সৌৰভ' বঁটাৰেও সন্মানিত কৰে। ২০২১ বৰ্ষত 'টাইমছ অফ ইণ্ডিয়াই 'বক্সাৰ অৱ দা ইয়েৰ' সন্মানেৰে সন্মানিত কৰা খেলুৱৈগৰাকী নৱপ্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

## জানমণি কোঁৱৰ



আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জিলিকি উঠা আন এগৰাকী অসম কন্যা হৈছে ১৭ বছৰীয়া জানমণি কোঁৱৰ। জানমণিয়ে এই বৰ্ষৰ ৭ৰ পৰা ৯ আগষ্টলৈ দিল্লীৰ তালকোটৰা ষ্টেডিয়ামত অনুষ্ঠিত ২০ সংখ্যক অল ইণ্ডিয়া ইণ্ডিপেণ্ডেন্স কাপ কাৰাটে চেম্পিয়নশ্বিপত স্বৰ্ণ পদক লাভ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়। জানমণিয়ে 'আশিহাৰা' শিতানত (শাখা) স্বৰ্ণ পদক জয় কৰি ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। যোৰহাট জিলাৰ ভোগদৈপৰীয়া গাঁৱত জন্মগ্ৰহণ কৰা অতি দুখীয়া ঘৰৰ সন্তান জানমণিয়ে বিভিন্ন সংঘাত অতিক্ৰম কৰি স্বৰ্ণজয় কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে শেহতীয়া বিধ্বংসী বানত গৃহহীন হৈ পৰা জানমণিৰ পৰিয়ালে মথাউৰিত আশ্ৰয় গ্ৰহণ কৰিবলগীয়া হৈছে। দ্বাদশ শ্ৰেণী উত্তীৰ্ণ জানমণিয়ে ইয়াৰ পূৰ্বে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত স্বৰ্ণ পদকৰ লগতে ব্ৰঞ্জৰ পদকো অৰ্জন কৰিছিল। সৰুৰে পৰা কাৰাটে প্ৰশিক্ষণ গ্ৰহণ কৰি অহা জানমণিয়ে আৰ্থিক আৰু আন্তঃগাঁথনিগত বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈও দৃঢ় মনেৰে অনুশীলন অব্যাহত ৰাখিছে। তেওঁৰ ব্যতিক্ৰমী ক্ৰীড়া প্ৰতিভাৰ বিকাশৰ বাবে

ফিজিক্সৱালা শিক্ষা প্ৰতিষ্ঠানৰ মুৰব্বী আকাশ পাণ্ডেই ৩ লাখ টকাৰ অনুদান আগবঢ়াইছে। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ আঞ্চলিক কেন্দ্ৰ, গুৱাহাটীৰ কাৰ্য্যবাহী সঞ্চালক ডিকে মিট্টালে শ্বিলং প্ৰশিক্ষণ কেন্দ্ৰত জানমণিৰ উন্নত প্ৰশিক্ষণৰ বাবে অনুমোদন জনায়। প্ৰশিক্ষণ কালত পিতৃহীনা জানমণিয়ে জলপানিৰ লগতে প্ৰতিযোগিতাৰ বাবে সুব্যৱস্থা আৰু বীমা সুবিধা লাভ কৰিব।

## অস্মিতা চলিহা

অসমৰ ক্ৰীড়া জগতখনৰ আন এটা জনপ্ৰিয় নাম হৈছে ২৬ বছৰীয়া অসম কন্যা অস্মিতা চলিহা। যোৱা ১৬ আগষ্টত দক্ষিণ কোৰিয়াৰ অছানত অনুষ্ঠিত ‘কোৰিয়া মাষ্টাৰ্ছ ছুপাৰ বেডমিণ্টন ৩০০ মহিলা একক প্ৰতিযোগিতাত খিতাপ জয়লাভ কৰি অস্মিতাই ইতিহাস ৰচনা কৰে। বিশ্ব ৰেংকিঙৰ চতুৰ্থ স্থানৰ চীনৰ হান কিয়ান জিক ১৪-২১, ২১-১৪, ২১-১৪ ব্যৱধানত পৰাস্ত কৰি অস্মিতাই বেডমিণ্টনত কোৰিয়া মাষ্টাৰ্ছ ছুপাৰত চেম্পিয়নৰ খিতাপ লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে অভিলেখ সৃষ্টি কৰে। এয়া হৈছে গুৱাহাটী নিবাসী অস্মিতাৰ কেৰিয়াৰৰ প্ৰথমটো বিশ্ব বেডমিণ্টন সংস্থাৰ ৱৰ্ল্ড ট্যুৰ খিতাপ। এই জয়লাভেৰে আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টনত অস্মিতাই অসমৰ নাম উজলাই তুলিবলৈ সক্ষম হয়। খেলত ধৈৰ্য্য, শ্বাটলৰ ওপৰত সুনিয়ন্ত্ৰণ আৰু সুযোগৰ সদব্যৱহাৰেৰে তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ যুঁজত ফাইনেলত তেওঁ শেষ হাঁহি মাৰিবলৈ সক্ষম হয়। অস্মিতাৰ এই ঐতিহাসিক খিতাপ জয়ৰ আঁৰত আছে যন্ত্ৰণা আৰু সংগ্ৰামৰ এক দীঘলীয়া কাহিনী। দুবছৰ পূৰ্বে একেখন দক্ষিণ কোৰিয়াতে আঁঠুত গুৰুতৰ আঘাত পোৱাত তেওঁৰ খেলুৱৈ জীৱন অন্ত পৰাৰ আশংকাৰ সৃষ্টি হৈছিল। দৃঢ় আত্মবিশ্বাস, কঠোৰ অনুশীলন আৰু মানসিক দৃঢ়তাৰে তেওঁ পুনৰ ক'ৰ্টলৈ পূৰ্বৰ ছন্দৰে প্ৰত্যাবৰ্তন কৰিবলৈ সক্ষম হয়। অস্মিতাই সম্প্ৰতি গুৱাহাটীৰ ৰাষ্ট্ৰীয় উৎকৰ্ষ কেন্দ্ৰত নিয়মিত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। ছাইনা নেহৱাল, পিভি সিন্ধুৰ দৰে তাৰকাৰ পাছত ভাৰতীয় মহিলা বেডমিণ্টনৰ নতুন প্ৰজন্মৰ খেলুৱৈসকলৰ উত্থানৰ সময়তে অস্মিতাৰ এই বৃহৎ সাফল্য বিশেষ তাৎপৰ্য্যপূৰ্ণ বুলি বিবেচিত হৈছে। ২০১৮ চনত ডুবাই ইণ্টাৰনেছনেল চেলেঞ্জত প্ৰথমবাৰৰ বাবে পদক দখল কৰা অস্মিতাই সাত বছৰ বয়সৰ পৰাই বেডমিণ্টন খেলি আহিছে। দক্ষিণ কোৰিয়াৰ পাৰ্ক-টয়ে-চাঙৰ অধীনত প্ৰশিক্ষণ লাভ কৰা অস্মিতাই সৰ্বমুঠ ১২১খন খেলত বিজয় সাব্যস্ত কৰি বিশ্ব ৰেংকিঙত ৩৯ নং স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। ২০২৪ চনৰ এছিয়া টীম চেম্পিয়নশ্বিপত সোণৰ পদক লাভ কৰা অসম কন্যাগৰাকীয়ে চাউথ এছিয়ান গেমছতো সোণৰ পদক লাভ কৰিছিল।



তিনিওগৰাকী খ্যাতিমান ক্ৰীড়াবিদৰ পৰা অসমে আৰু অধিক যশস্যা লাভ কৰিব বুলি আশা কৰা হৈছে। ❖

## তোমালোকৰ বাবে প্ৰশ্ন, ছেপ্টেম্বৰ, ২০২৬

১। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই কোনখন চলচ্চিত্ৰত প্ৰথম গীত গাইছিল?

২। অসম সাহিত্য সভাই জুবিন গাৰ্গক মৰণোত্তৰভাৱে কি উপাধিৰে সন্মানিত কৰিছে?

৩। চিআৰপিএফৰ সহকাৰী কমাণ্ডেণ্ট পুনম গুপ্তা আৰু তেওঁৰ সহকৰ্মী বিষয়া অৱনীশ কুমাৰৰ মাজত ২০২৫ চনৰ ১২ ফেব্ৰুৱাৰীত সম্পন্ন হোৱা বিয়াখনৰ বৈশিষ্ট্য কি বাৰু?

৪। ২০১৭ চনত ভাৰতত ‘তেজ’ নামেৰে কিহৰ আৰম্ভণি হৈছিল?

৫। ১৯৯৬ চনৰ সান্ত্বনা বৰদলৈয়ে নিৰ্মাণ কৰা কোনখন অসমীয়া চলচ্চিত্ৰ মামণি ৰয়ছম গোস্বামীৰ ‘দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ আধাৰত নিৰ্মিত? ❖

## শিক্ষাৰ্থীয়ে অঁকা ছবি


চতুৰ্থী শিৱম, অষ্টম গ



ভাৰ্গৱ কলিতা, ষষ্ঠ গ


কাব্যশ্ৰী কাশ্যপ, ষষ্ঠ ঙ


অসীম কুমাৰ নাথ, সপ্তম ক


ভৈৰৱী ৰাভা, সপ্তম ঘ


দ্বীপজ্যোতি বৰ্মন, পঞ্চম খ


উজ্জীৱন তালুকদাৰ, অষ্টম ঘ


সাগৰিকা কলিতা , নৱম গ

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক ফুল


অসম: কপৌফুল (foxtail orchid)


কেৰলম: সোণাৰু (Golden shower )


নাগালেণ্ড: ৰোডোডেণ্ড্ৰন (Rhododendron)


ওড়িশা: অশোক (Ashoka)


পশ্চিমবংগ: শেৱালি (Night flowering Jesmine)


কৰ্ণাটক: পদুম (Lotus)